# পাতিদৰং মহাবিদ্যালয়

## আলোচনী



সম্পাদক

ৰমণী শৰ্মা (দুলু)

# পাতিদৰং মহাবিদ্যালয় আলোচনী

ইংৰাজী ২০০২-২০০৩ বৰ্ষ

## চতুৰ্দশ বছৰ ঃ ত্ৰয়োদশ সংখ্যা

**বাৰ্ষিক প্ৰকাশ**

# PATIDARRANG COLLEGE MAGAZINE

## YEAR 2002-2003

## 14TH YEAR 13TH ISSUE

*তত্ত্বাৱধায়ক*

জগত বৰা

*সম্পাদক*

ৰমণী শৰ্মা

# পাতিদৰং মহাবিদ্যালয় আলোচনী

ইংৰাজী ২০০২-২০০৩ বৰ্ষ

**চতুৰ্দশ বছৰ ঃ ত্ৰয়োদশ সংখ্যা**

## সম্পাদনা সমিতি

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | মিনতি দেৰী, ভাৰপ্ৰাপ্ত অধ্যক্ষা |
| তত্ত্বাৱধায়ক | ঃ | জগত বৰা, প্ৰবক্তা |
| সদস্য | ঃ | তপন শৰ্মা, প্ৰবক্তা |
| সম্পাদক | ঃ | ৰমণী শৰ্মা |
| সদস্য | ঃ | বিপুল দাস, সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা<br>বিপুল ডেকা |
| বেটুপাত | ঃ | উৎপল বৰা, গুৱাহাটী |
| অংগসজ্জা | ঃ | সম্পাদক/তত্ত্বাৱধায়ক |
| কৃতজ্ঞতা | ঃ | বিশিষ্ট সাহিত্যিক শীলভদ্ৰ (ৰেৱতীমোহন দত্ত চৌধুৰী), ভাৰপ্ৰাপ্ত অধ্যক্ষা মিনতি দেৰী, সৌৰভ শৰ্মা, বাইহাটা চাৰিআলি। |
| মুদ্ৰণ | ঃ | হাই-প্ৰিণ্ট অফছেট, বাইহাটা চাৰিআলি। |

*পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হৈ সম্পাদক ৰমণী শৰ্মাৰ দ্বাৰা প্ৰকাশিত।*

# শ্ৰদ্ধাঞ্জলি

বিগত সময়ছোৱাত যিসকল মহাপ্ৰাণ ব্যক্তিয়ে এই অনুষ্ঠানটো গঢ় দিয়াত অগ্ৰণী
ভূমিকা গ্ৰহণ কৰিছিল আৰু আজি এই পৰ্যায়লৈ উন্নীত কৰিলে,
আমাৰ মাজৰ পৰা আঁতৰি যোৱা সেইসকললৈ
আমি জনাওঁ সশ্ৰদ্ধ প্ৰণিপাত;

যিসকল মহান ব্যক্তিয়ে অসমীয়া সাহিত্য-সংস্কৃতিৰ ভাণ্ডাৰ চহকী কৰি
আমাৰ মাজৰ পৰা আঁতৰি গ'ল সেইসকল শিল্পী-সাহিত্যিকলৈ
আমি জনাওঁ শ্ৰদ্ধাঞ্জলি।



আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ স্বৰ্গীয় **টঙ্কেশ্বৰ** দাসে
আমাক কন্দুৱাই যোৱা ২০/৩/২০০৩ তাৰিখে
ইহসংসাৰৰ পৰা অকালতে আঁতৰি যায়।
২/২/১৯৮২ তাৰিখে জন্মগ্ৰহণ কৰা
স্বৰ্গীয় দাসৰ আত্মাৰ সদ্গতি
আমি কামনা কৰিলো।



মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা

**শ্ৰীমতী মিনতি দেৱী**

# শুভেচ্ছা-বাণী

পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভাই মহাবিদ্যালয় আলোচনীখন উলিয়াবলৈ লোৱা বুলি জানি আনন্দিত হ'লো। সাহিত্য এটা ধাৰাবাহিক প্ৰক্ৰিয়া। আমি যিখিনি লিখিছো বা কৈছো সেয়াই সাহিত্যৰ শেষ কথা নহয়। আমি য'ত এৰিছো, নতুন পুৰুষে তাতোকৈ বহু বেছি আগবাঢ়ি যাব বুলি আশা কৰোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰাই কিছুমানে অসমীয়া সাহিত্যলৈ মূল্যৱান বৰঙণি আগবঢ়াব বুলি বিশ্বাস কৰোঁ। আন্তৰিক শুভেচ্ছাৰে—

শীলভদ্ৰ (ৰেৱতীমোহন দত্ত চৌধুৰী)
গুৱাহাটী
১০/১/২০০৪

# সূচীপাত


| | | পৃষ্ঠা |
|---|---|---|
| *তত্ত্বাৱধায়কৰ কলম* | | |
| *সম্পাদকীয়* | | |
| 'ঋপালীম' নাটকৰ নাৰী চৰিত্ৰৰ পাৰস্পৰিক বৈপৰীত্য | সীমা কলিতা | ১ |
| ভাল ছাত্ৰ হোৱাৰ উপায় | জগত বৰা | ৪ |
| মহাপুৰুষ শংকৰদেৱ আৰু অসম | দুলুমণি বৰুৱা | ৮ |
| ড° ভবেন্দ্ৰ নাথ শইকীয়া আৰু কৃতি | ভনিতা দেৱী | ১১ |
| ভবেন্দ্ৰ নাথ শইকীয়াৰ পবিত্ৰ সোঁৱৰণত | পৰমেশ্বৰ পাটোৱাৰী | ১৩ |
| যুগনায়ক ছাৰ ছাদুল্লা | মতিউৰ ৰহমান | ১৫ |
| নলিনীবালা দেৱীৰ কাব্য-প্ৰতিভা | ঝৰ্ণা দাস | ১৬ |
| কল্পনা চাওলা আৰু ভাৰত | আখতাৰ হুছেইন | ১৮ |
| কালধুমুহা | জুৰি কলিতা | ২০ |
| পঙ্কজৰ পৰাজয় | অনিতা দাস | ২২ |
| মদন-কামদেৱত এদিন | গীতাৰাণী দাস | ২৩ |
| মোৰ হিয়াত তোমাৰ নাম | দিগন্ত ডেকা | ২৬ |
| প্ৰতিশ্ৰুতি | কনকলতা বৰুৱা | ২৮ |
| প্ৰতিশোধ | হেমন্ত ৰাজবংশী | ৩০ |
| প্ৰতাৰণা | গিৰিশ বৰ্মন | ৩৩ |
| এয়াই জীৱন | বিপুল কাকতি | ৩৫ |
| কবিতা | | ৩৭ |
| *প্ৰতিবেদন—* | | |

# তত্ত্বাৱধায়কৰ এষাৰ

## ৃতীয় শ্ৰেণীৰ নাগৰিক

যিসকল অতি মেধাসম্পন্ন ছাত্ৰ— পৰীক্ষাত 'ষ্টেণ্ড' কৰা বা ষ্টাৰ নম্বৰ লাভ কৰা বা প্ৰথম বিভাগ াভ কৰা— তেওঁলোক ভাগ্যই বিড়ম্বনা নঘটালে হয় ভাৰতীয় প্ৰশাসনীয় সেৱা (IAS) বা ভাৰতীয় পুলিচ বিষয়া PS) বা ভাৰতীয় কূটনৈতিক বিষয়া (IFS), নহ'লে ডাক্তৰ-ইঞ্জিনিয়াৰ হয়গৈ। তেওঁলোক সমাজৰ বা দেশৰ একোজন ায়িত্বশীল ব্যক্তি হিচাপে পৰিগণিত হয়। আৰু ৰাষ্ট্ৰ বা চৰকাৰেও তেওঁলোকক প্ৰথম শ্ৰেণীৰ নাগৰিক হিচাপে গণ্য ৰি বিশেষ বিশেষ সুবিধা প্ৰদান কৰাৰ লগতে বিশেষ মৰ্যাদা প্ৰদান কৰে। আমি তেওঁলোকক দেশৰ প্ৰথম শ্ৰেণীৰ াগৰিক বুলি নিশ্চয় ক'ব পাৰোঁ। কাৰণ আজিৰ দিনত তেওঁলোকে মাহিলি বেতন ৩০-৪০ হাজাৰ টকাৰ লগতে ্যাধুনিক গাড়ী, ঘৰ, ভূ-সম্পত্তি আদিৰো গৰাকী হয়।

দ্বিতীয়তে, যিসকল মোটামুটিভাৱে মেধাসম্পন্ন— যিয়ে পৰীক্ষাত প্ৰথম বিভাগ বা দ্বিতীয় বিভাগ পায়— তওঁলোক আমাৰ দেশৰ দ্বিতীয় শ্ৰেণীৰ নাগৰিক। কাৰণ এইসকলৰ পৰাই সৃষ্টি হয় ডাক্তৰ, ইঞ্জিনিয়াৰ অধ্যাপক, াক্ষক বা চৰকাৰী-বেচৰকাৰী কৰ্মচাৰী আৰু ৰাজনীতি। এই শ্ৰেণীৰ লোকসকলে ১০-২০ হাজাৰ মাহিলি বেতন লাভ ৰে; কিন্তু বিশেষ চৰকাৰী সা-সুবিধা নাপায়। তেওঁলোক সমাজৰ অতি সক্ৰিয় আৰু সৰৱ অংশ।

আহিল তৃতীয় শ্ৰেণীৰ নাগৰিকৰ কথা। সেইসকলেই তৃতীয় শ্ৰেণীৰ নাগৰিক, যিসকলে পৰীক্ষাত তৃতীয় বিভাগ হিছে বা অকৃতকাৰ্য হৈছে— সাধাৰণ শিক্ষক, কৰ্মচাৰী বা ঠিকাদাৰ-দালালিৰ যোগেদি জীৱন নিৰ্বাহ কৰিছে, আৰু য়াই নহ'লে তথাকথিত ৰাজনীতি কৰি পেট প্ৰবৰ্তাইছে। এইসকলক ৰাষ্ট্ৰ বা চৰকাৰে বিশেষ একো সা-সুবিধা দিয়া ই; মাথোন নিজৰ যত্নৰ ওপৰতেই নিৰ্ভৰ কৰিছে তেওঁলোকৰ সচ্ছলতা। তেওঁলোক সমাজৰ অতি সৰৱ আৰু সক্ৰিয় ংশ সঁচা, কিন্তু বাস্তৱ বুদ্ধিতকৈ আৱেগেহে তেওঁলোকক বহু সময়ত পৰিচালিত কৰে।

এতিয়া কথা হ'ল— প্ৰথম শ্ৰেণীৰ নাগৰিকসকলে ৰাষ্ট্ৰই দিয়া সমস্ত সা-সুবিধা ভোগ কৰি, ৰাষ্ট্ৰৰ সুৰক্ষা লাভ ৰি তেওঁলোক ইমানে আত্মকেন্দ্ৰিক, স্বাৰ্থপৰ আৰু কেৰিয়াৰ-সৰ্বস্ব যে সাধাৰণ মানুহে তেওঁলোকৰ পৰা একো আশা ৰিব নোৱাৰে। দ্বিতীয় শ্ৰেণীৰ নাগৰিকসকল প্ৰথম শ্ৰেণীৰ দৰে নহ'লেও তেওঁলোকৰো পৰম আকাংক্ষা হ'ল প্ৰথম ্ৰণী হোৱা। তৃতীয় শ্ৰেণীৰ সমস্যাৰ অন্ত নাই— তেওঁলোক দেশৰ কাৰণে যেন বোজাস্বৰূপ।

এতিয়া কথা হ'ল— পাতিদৰং মহাবিদ্যালয়ৰ নিচিনা গ্ৰামাঞ্চলৰ শিক্ষানুষ্ঠানসমূহে কোনটো শ্ৰেণীৰ নাগৰিকৰ ষ্টি কৰিব? পাৰিবনে প্ৰথম বা দ্বিতীয় শ্ৰেণীৰ নাগৰিক গঢ়িব? বিগত তেৰ বছৰত আমাৰ মহাবিদ্যালয়ে পাৰিছেনে ত্ৰ-ছাত্ৰীসকলক জীৱনত প্ৰতিষ্ঠা হোৱাৰ পথ দেখুৱাব? সন্দেহ নাই— এই বৃহত্তৰ অঞ্চলটোত উচ্চ শিক্ষাৰ প্ৰসাৰত ই মহাবিদ্যালয়ে প্ৰভূত বৰঙণি যোগাইছে। কিন্তু সময়ৰ লগত খাপ খুৱাই আমাৰ ছাত্ৰ-ছাত্ৰীসকলক যথাৰ্থ শিক্ষাদান ৰিব পাৰিছোনে? নে আমি সদায়ে তৃতীয় শ্ৰেণীৰ নাগৰিক হৈয়েই ৰ'ম? সুধী সমাজে এই বিষয়ে চিন্তা কৰিবৰ ল।

## কুৰ পচাৰতে তেৰটা বছৰ!

চাওঁতে চাওঁতে আমাৰ মহাবিদ্যালয়ে তেৰটা বছৰ অতিক্ৰম কৰিলে। এই তেৰ বছৰত মহাবিদ্যালয় আলোচনী াল বাৰখন। মহাবিদ্যালয় স্থাপনৰ বছৰতে আলোচনীখনো প্ৰকাশৰ বাবে যিজন মহাপ্ৰাণ ব্যক্তি উৎসাহী হৈ পৰিছিল— ওঁ আছিল প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত হৰিশ্চন্দ্ৰ ডেকাদেৱ। তেওঁৰ লগতে তেতিয়া আমাৰ মহাবিদ্যালয়ত শিক্ষকতা া প্ৰবক্তা দীপা ভট্টাচাৰ্য, গোবিন্দ বড়ো, মীনা কুমাৰৰ নাম স্মৰণ কৰিব পাৰোঁ। তেওঁলোকে প্ৰথম বছৰতে মহাবিদ্যালয় লোচনী প্ৰকাশ কৰি সাহিত্য চৰ্চাৰ যি বাট মোকোলাই থৈ গ'ল— সেই বাটেৰে বাট বুলি আজি আমি ত্ৰয়োদশ খ্যা মহাবিদ্যালয় আলোচনী প্ৰকাশৰ পথত আগবাঢ়িছো। বিগত সময়ছোৱাত আমাৰ দুখীয়া, পিছপৰা অঞ্চলৰ ছাত্ৰ- ীসকলে প্ৰায় শতাধিক গল্প, প্ৰবন্ধ, কবিতা আৰু স্মৃতিচাৰণ লিখি সাহিত্য চৰ্চাৰ প্ৰয়াস চলাইছে। আমি নিশ্চয় শা কৰিব পাৰোঁ, মহাবিদ্যালয় আলোচনীত সাহিত্য চৰ্চা কৰিয়েই এসময়ত হয়তো আমাৰ কোনোবা ছাত্ৰ-ছাত্ৰীয়ে ইত্যত নাম ৰাখিব পাৰিব।

**জগত বৰা**

# সম্পাদকীয়

সাহিত্য হ'ল সমাজৰ দাপোণ। সাহিত্যৰ যোগেদিয়েই একোটা জাতিৰ আৰ্থ-সামাজিক, সাংস্কৃতিক, ধৰ্মীয়, সামাজিক আদি দিশৰ সুষম প্ৰতিফলন ঘটে। জাতি এটা সঠিক দিশত আগবাঢ়িবলৈ হ'লে সাহিত্য-সংস্কৃতিৰ সুষম বিকাশ হ'বই লাগিব। সাহিত্যহীন, ভাষাহীন উন্নত সমাজ আজি আৰু কল্পনা কৰিব নোৱাৰি। সাহিত্যৰ বিকাশৰ লগত সমাজ বিকাশৰো ওতপ্ৰোত সম্পৰ্ক আছে। সেয়ে সমকালীন সমাজৰ প্ৰতিচ্ছবি সৎ সাহিত্যত প্ৰতিফলিত হোৱাটো নিতান্তই স্বাভাৱিক।

যি কি নহওক, আজিৰ অসমীয়া সাহিত্য যথেষ্ট উন্নত মানৰ। ঊনবিংশ শতিকাত আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামত ব্ৰতী হোৱা অসমীয়া ভাষা-সংস্কৃতিয়ে আজি দেশৰ এটা উন্নত ভাষা বা সংস্কৃতি হিচাপে পৰিগণিত হৈছে। হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা আদিয়ে পোনাই থৈ যোৱা বাটেৰেই বাট বুলি পৰৱৰ্তী কালত বাণীকান্ত কাকতি, মহেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মা, চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, নৱকান্ত বৰুৱা, ভবেন্দ্ৰনাথ শইকীয়া, নিৰুপমা বৰগোহাঞি, হোমেন বৰগোহাঞি, মামণি ৰয়ছম গোস্বামী আদি অলেখ লেখক-সাহিত্যিকে অসমীয়া ভাষা-সাহিত্যৰ সৌধ সমৃদ্ধ কৰি থৈ গৈছে। সেই পথেৰেই অগ্ৰসৰ হৈছে আজিৰ প্ৰজন্ম।

সাহিত্যৰ বিকাশ সাধনত কাকত-আলোচনীৰ ভূমিকা অনন্য। মূলতঃ অসমীয়া ভাষা-সাহিত্য বিকাশৰ ক্ষেত্ৰত কাকত-আলোচনীৰ অৱদান স্বীকাৰ কৰিবই লাগিব। 'অৰুনোদই', 'জোনাকী', 'বাঁহী', 'আৱাহন', 'ৰামধেনু', 'প্ৰকাশ' আদি আলোচনীৰ অৱদানৰ কথা কোনোবাই পাহৰিব পাৰেনে? সেইদৰে আজিৰ 'গৰীয়সী', 'প্ৰান্তিক' আদি আলোচনীৰ ভূমিকাও স্মৰণযোগ্য হৈ ৰ'ব।

যি কি নহওক, ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত মহাবিদ্যালয় আলোচনীবোৰৰ এক বিশেষ ভূমিকা আছে। আমাৰ মহাবিদ্যালয় আলোচনীৰ এইটো ত্ৰয়োদশ সংখ্যা; কিন্তু এই আলোচনীখন এতিয়ালৈ উন্নত মানৰ বুলি দাবী কৰিব পৰাৰ পৰ্যায় পোৱাগৈ নাই। ইয়াৰ কাৰণ হ'ল— আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সীমিত অধ্যয়ন, লেখাৰ মান উন্নত নোহোৱা আৰু বৈচিত্ৰ্যপূৰ্ণ বিষয়ৰ ধাৰাবাহিক প্ৰচেষ্টাৰ অভাৱ। আনকি আমাৰ ছাৰ-বাইদেউসকলেও আলোচনীখন উন্নত মানৰ লেখাৰে সমৃদ্ধ কৰাৰ চেষ্টা নকৰা যেন লাগে। আনফালে, প্ৰতিবছৰেই আলোচনীত প্ৰকাশ পোৱা আলোকচিত্ৰসমূহ ইমানেই নিম্নমানৰ হয় যে চকুৰে মনিবই পৰা নাযায়। ইয়াৰ কাৰণ নিশ্চয় কাৰিকৰী। দুখৰ কথা— এইবাৰ আমাৰ মহাবিদ্যালয়ৰ প্ৰবক্তা-কৰ্মচাৰীসকলৰ গ্ৰুপ ফটো দিব পৰা নহ'ল। তাৰ বাবে আমি সদৌটিৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।

শেষত মোক যিসকলে আলোচনী বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰিলে, যিসকলে মোক বিগত সময়ছোৱাত বিভিন্ন কামত সহায় কৰিলে, সেইসকল বন্ধু-বান্ধৱীক মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জনালো। লগতে আলোচনীখন সুন্দৰকৈ ছপাই উলিওৱাৰ কাৰণে তত্বাৱধায়ক জগত বৰা ছাৰে বহু সময় খৰচ কৰি সম্পাদনা আৰু আখৰ শুধৰণি কৰি দিয়াৰ বাবে তেওঁলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালো। লগতে ভাৰপ্ৰাপ্ত অধ্যক্ষ মিনতি দেৱী বাইদেউ, তপন শৰ্মা ছাৰ, গিৰিধৰ শৰ্মা ছাৰ, ৰবীন্দ্ৰনাথ ডেকা ছাৰ, সীমা কলিতা বাইদেউকে ধৰি সমূহ ছাৰ-বাইদেউ আৰু কৰ্মচাৰীকে মোৰ আন্তৰিক শলাগ জনাইছো।

**ৰমণী শৰ্মা (দুলু)**
সম্পাদক, আলোচনী বিভাগ

প্ৰবন্ধ

# 'ৰূপালীম' নাটকৰ নাৰী চৰিত্ৰৰ পাৰস্পৰিক বৈপৰীত্য

সীমা কলিতা
প্ৰবক্তা

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' এক যুগান্তকাৰী ৰচনা। এক কাল্পনিক কাহিনীৰ আধাৰত ৰচিত 'ৰূপালীম'ত নাট্যকাৰে কাহিনীতকৈ চৰিত্ৰ সৃষ্টিতহে অধিক গুৰুত্ব প্ৰদান কৰিছে। পৰম্পৰাগত নাটকত থকা আদৰ্শ চৰিত্ৰ সৃষ্টিতকৈ মানৱ চৰিত্ৰৰ স্বাভাৱিক বৈশিষ্ট্য আৰু বৈচিত্ৰ্য প্ৰকাশতহে আগৰৱালাদেৱৰ 'ৰূপালীম'ত গুৰুত্ব দিয়া হৈছে। সেয়ে এই নাটকত কোনো এটা চৰিত্ৰকে নাট্যকাৰে বিশেষ আদৰ্শেৰে অলংকৃত কৰা নাই। বৰঞ্চ বাস্তৱিক জীৱনৰ ঘটনা প্ৰবাহৰ ধামমুখীয়াত মানৱ-মনত সুপ্ত আৰু অৱদমিত হৈ থকা চেতনা কিদৰে পৰিস্ফুট হৈ উঠে, তাকেই নাট্যকাৰে প্ৰকাশ কৰিছে। ৰূপালীম নাটকৰ দুটা প্ৰধান নাৰী চৰিত্ৰ হ'ল— ৰূপালী আৰু ইতিভেন। এই দুই চৰিত্ৰৰ মাজত পাৰস্পৰিক বৈপৰীত্য দেখুৱাই দুয়োটা চৰিত্ৰকে নাট্যকাৰে নিজস্ব বৈশিষ্ট্যৰে সমুজ্বল কৰি তুলিছে।

'ৰূপালীম' নাটকৰ মূল নায়িকা ৰূপালীম সহজ-সৰল জনজাতীয় জীৱনৰ প্ৰতিভূ। প্ৰকৃতিৰ শান্ত, সুশীতল কোলাত পালিতা অনিন্দ্য সৌন্দৰ্যৰ অধিকাৰিণী ৰূপালীম মায়বৰ সৈতে আশৈশৱ প্ৰেমত আসক্তা। মায়বক কেন্দ্ৰ কৰিয়েই তাইৰ জীৱন চালিত। পৰ্বতীয়া জুৰিৰ কুলু কুলু গীতৰ দৰে তাইৰ হাঁহি, বন-বিহংগৰ কল-কাকলিৰ দৰে কোমল মৰমসনা তাইৰ কথা, পৃথিৱী সম্পৰ্কে তাইৰ জিজ্ঞাসা আৰু প্ৰেম সম্পৰ্কে তাইৰ যি ধাৰণা তাৰ মাজেদি নাট্যকাৰে ৰূপালীমৰ চৰিত্ৰত এক অনন্য সৰলতা দান কৰিছে। সৰলতাৰ জীৱন্ত প্ৰতীক ৰূপালীমৰ বুকু অহৰ্নিশে মৰমতে চপচপীয়া হৈ থাকে। সেই বুকুত খং উঠিলে মৰমবোৰ পমি যাব বুলি তাইৰ ধাৰণা। মায়াবৰ প্ৰতি থকা মৰমৰ বিশালতাক তাই আকাশৰ লেখহীন তৰা, গছৰ অলেখ পাত আৰু শূন্যৰ বতাহৰ সৈতে জোখে। মায়বক লৈয়ে সন্তুষ্ট থাকিব খোজা ৰূপালীম তাইৰ বুঢ়া আপু জুনাফাৰ প্ৰতিও দায়িত্বশীল। সেয়ে স্বভাৱসুলভ সৰলতাৰ বাবে তাই মায়াবৰ বিবাহৰ প্ৰস্তাৱত সহজে সন্মতি দিয়া নাই।

এক দুৰ্ভাগ্যজনক পৰিস্থিতিৰ তাড়নাত পৰি ৰূপালীম প্ৰান্তদেশ অধিপতি মণিমুগ্ধৰ হস্তগত হ'বলগীয়া হ'ল। ৰূপ-যৌৱনৰ ঐশ্বৰ্যৰে সমৃদ্ধা ৰূপালীমৰ মোহময়ী সৌন্দৰ্যই মণিমুগ্ধক বলিয়া কৰিলে। ৰাজশক্তিৰ কবলত পৰা ৰূপালীম জালত পৰা হৰিণীৰ দৰেই ভীতা-সন্ত্ৰস্তা। ৰূপালীমৰ ৰূপ এনে এক শক্তি, যিয়ে তাইক এক সংঘাতময় জীৱন-পথলৈ আগবঢ়াই নিছে। হৰিণাৰ মাংসই বৈৰী হোৱাৰ নিচিনাকৈ ৰূপেই তাইৰ জীৱনৰ কাৰুণ্যৰ মূল কাৰণ হৈ পৰিছে। মোহময়ী ৰূপালীম অকল দৈহিক সৌন্দৰ্যৰেই নহয়, আত্মিক সৌন্দৰ্যৰো অধিকাৰিণী। অনাঘ্ৰাত ফুলৰ দৰেই পৱিত্ৰ তাইৰ হৃদয় আৰু সেই হৃদয়ৰ সমস্ত পৱিত্ৰতাৰে তাই মায়বৰ প্ৰেমত নিমজ্জিত। এই প্ৰেমৰ সুবাসিত সৌৰভত মণিমুগ্ধৰ নিচিনা কামনা-লোলুপ ব্যক্তিৰ কামনাসিক্ত আত্মনিবেদন তুচ্ছ হৈ যায়। জনজাতীয় সৰলতাৰে পুষ্ট ৰূপালীম এনে এক নাৰী, যাক ৰাজপ্ৰাসাদৰ বৈভৱ আৰু ৰূপৱান পুৰুষৰ সুমিষ্ট বচনে প্ৰলুব্ধ কৰিব নোৱাৰে। প্ৰান্তদেশ অধিপতি মণিমুগ্ধৰ সুন্দৰ সুমিষ্ট ভাষাৰ আহ্বানৰ প্ৰত্যুত্তৰত ৰূপালীমে কৈছে যে তাই

মণিমুগ্ধৰ ভাষা বুজিব নোৱাৰে। তাইৰ মণিমুগ্ধলৈ ভয় লাগে। ৰূপালীমৰ সমগ্ৰ সত্তা মায়াবতে সমৰ্পিত। মায়াবৰ প্ৰেমক বিশ্বাসঘাতকতা কৰি অন্য পুৰুষক হৃদয়ত স্থান দিবলৈ তাই অসমৰ্থ। ইপিনে মণিমুগ্ধৰ চৰিত্ৰটো নাট্যকাৰে সৃষ্টি কৰিছে দুটা বিপৰীতমুখী অভিব্যক্তিৰে। এপিনে তেওঁ ৰাজকীয় শক্তিৰ গৰাকী আৰু আনহাতে এটা সুৰুচিপূৰ্ণ মনৰো গৰাকী। মণিমুগ্ধৰ এই সুৰুচিপূৰ্ণ মনটো ৰূপালীমৰ সুন্দৰ অৱয়বৰ আঁৰত লুকাই থকা সুন্দৰ সুশুভ্ৰ আত্মাৰ প্ৰেমৰ প্ৰতিহে হাবিয়াসী। অৱশেষত হৃদয়ৰ ধন মায়াব আৰু চেনেহৰ বুঢ়া আপৰ মুক্তিৰ বিনিময়ত ৰূপালীমে মণিমুগ্ধৰ আহ্বানত সন্মতি জনাইছে। আপোনজনৰ মুক্তিৰ বিনিময়ত ৰূপালীমে যে নাৰী জীৱনৰ আটাইতকৈ মূল্যবান সম্পদটিকে মণিমুগ্ধক দান কৰিবলৈ ওলাইছে সেই কথা তাই বুজা নাই। তদুপৰি মণিমুগ্ধৰ দৰে পৰপুৰুষক স্বেচ্ছাই দেহ দান কৰিবলৈ ওলোৱাৰ সময়তো ৰূপালীমে প্ৰেমিক মায়বৰ নামত শপত খাইছে।

"ৰূপালীম ঃ সঁচাকৈয়ে— সঁচাকৈয়ে মই শপত খাইছো। মায়বৰ শপত। সিহঁতক এৰি দিয়া— এৰি দিয়া।" ৰূপালীম নিজৰ সতীত্ব আৰু পৱিত্ৰতাৰ প্ৰতি সচেতন হয় নে নহয়, সেই কথা নাটকীয় সংলাপত স্পষ্ট হৈ উঠা নাই। আপোনজনৰ মুক্তিৰ বিনিময়ত তাইক যি কৰিবলৈ কোৱা হৈছে, অত্যন্ত সৰলতাৰে তাই তাকেই কৰিবলৈ সন্মত হৈছে। কিন্তু মণিমুগ্ধই হাৰ মানিলে। যি মণিমুগ্ধই ৰূপালীমৰ বাবে ৰুকমী গাঁও-ভুই জ্বলাই দিলে, সেই ৰূপালীম যেতিয়া এক প্ৰাণহীন পাষাণ প্ৰতিমা হৈ মণিমুগ্ধৰ আগত ধৰা দিলে, তেতিয়া মণিমুগ্ধৰ সমস্ত সত্তাই নাৰীৰ সতীত্বৰ ওচৰত হাৰ মানিলে। মায়াবৰ প্ৰতি থকা ৰূপালীমৰ পৱিত্ৰ প্ৰেমে মণিমুগ্ধক এই বুলি ভাবিবলৈ বাধ্য কৰালে যে প্ৰেমহীন প্ৰস্তৰৰ মূৰ্ত্তি সদৃশ ৰূপালীমৰ দেহ উপভোগ সুৰাহীন শূন্য পাত্ৰত চুম্বন কৰাৰ তুল্য। এনেদৰে নাট্যকাৰে ৰূপালীমক প্ৰেম, মমতা আৰু ত্যাগৰ প্ৰতিমূৰ্তি হিচাপে অংকিত কৰিছে। কিন্তু ৰূপালীমৰ এই গুণৰাশি সমাজৰ চকুত স্পষ্ট হৈ নুঠিল। ইতিভেনৰ চৰম প্ৰতিশোধৰ বলি হ'ল ৰূপালীম। মণিমুগ্ধৰ বাগদত্তা ইতিভেনৰ বিচাৰত ৰূপালীমৰ ৰূপ অগ্নিত নিৰ্বাপিত হ'ল।

ৰূপালীমৰ অনন্ত সৰলতাৰ বিপৰীতে মণিমুগ্ধৰ বাগদত্তা ইতিভেনক নাট্যকাৰে এক জটিল, সাহসী আৰু প্ৰতিশোধপৰায়ণা নাৰীৰ ৰূপত চিত্ৰিত কৰিছে। ৰূপালীমৰ নাৰীসুলভ কোমলতা, মমতা আৰু ত্যাগৰ পৰিৱৰ্তে ইতিভেনৰ চৰিত্ৰত প্ৰকাশ পাইছে সাহস, দৃঢ়তা, উগ্ৰ স্বজাতিপ্ৰীতি, ঈৰ্ষাপৰায়ণতা আদি বিচিত্ৰ দিশ। ৰুকমী ৰজাৰ ভগ্নী ইতিভেনৰ গাত ৰাজকীয় তেজ বিদ্যমান। মণিমুগ্ধৰ বিশ্বাসঘাতকতা তথা নিজ জাতিৰ এজনী সামান্য ছোৱালীৰ দ্বাৰা প্ৰকাৰান্তৰে ৰাজকুমাৰী ইতিভেন অপমানিতা হ'বলগীয়া হোৱাত স্বাভাৱিকতে তাই হৈ পৰিছে ক্ষুদ্ধা বাঘিনীৰ দৰে। সেয়ে নিজ জাতৰ এজনী সামান্য ছোৱালীৰ সতীত্ব ৰক্ষাৰ ভুৱা দায়িত্ব লৈ ইতিভেনে মণিমুগ্ধক আক্ৰমণ কৰে। ৰুকমী ৰাজ্যৰ লগত মণিমুগ্ধৰ কোনো শত্ৰুতা নাছিল। কিন্তু স্ত্ৰীসুলভ ঈৰ্ষাৰ বশৱৰ্তী হৈ ইতিভেনে নিজ ৰাজ্যৰ প্ৰজা সাধাৰণক উচটাই দি মণিমুগ্ধৰ ৰাজ্য আক্ৰমণ কৰে। বিনিময়ত নিৰ্বাপিত হ'ল ৰুকমী ৰাজ্য। ইতিভেনৰ ঈৰ্ষাৰ জ্বলন্ত জুইত জাহ গ'ল এটা জাতি। এইটো নিঃসন্দেহে সত্য যে মণিমুগ্ধৰ প্ৰতি ইতিভেনৰ প্ৰেম আছিল আন্তৰিক আৰু নিৰ্মল। কিন্তু ইতিভেনৰ সেই আন্তৰিক সৰলতাৰ সুযোগ লৈ মণিমুগ্ধই তাইক যেতিয়া বিশ্বাসঘাতকতা কৰিলে, তেতিয়া ইতিভেনৰ অন্তৰত প্ৰতিশোধ-স্পৃহা জাগি উঠাটো নিতান্তই স্বাভাৱিক। প্ৰত্যেক নাৰীয়েই প্ৰিয়জনক একান্ত নিজৰকৈ পাব বিচাৰে। কিন্তু ৰূপালীম আৰু তাইৰ অনিন্দ্য-সুন্দৰ দেহ ইতিভেনৰ প্ৰতিদ্বন্দ্বী হৈ পৰিল। ৰাজশক্তিৰে বলিয়ান ইতিভেন এজনী সামান্য গাঁৱলীয়া ছোৱালীৰ ওচৰত হাৰ মানিব, এনে কথা হ'ব নোৱাৰে। গতিকে হৃদয়ত দাউ-দাউকৈ জ্বলি উঠা

ঈৰ্ষাৰ জুইকুৰা প্ৰশমিত কৰিবলৈ ইতিভেনে উগ্ৰতাৰ পৰিচয় দিছে।

মণিমুগ্ধ ইতিভেনৰ প্ৰেমিক। ফটিকাৰ ৰাগীত মতলীয়া হৈ মণিমুগ্ধই যেতিয়া মধুৰ বচনেৰে ইতিভেনক শান্ত কৰিবলৈ চেষ্টা কৰিছে, তেতিয়া ক্ষন্তেকৰ বাবে হ'লেও ইতিভেনে অভিমান আঁতৰাই প্ৰকৃত প্ৰেমিকাৰ দৰে আচৰণ কৰিছে। সোণৰ শিকলিডালেৰে মণিমুগ্ধক অতৰ্কিতে আঘাত কৰি ক্ষত স্থানৰ পৰা তেজ ওলোৱা দেখি তথা মণিমুগ্ধৰ মূৰ্চিত ৰূপ দেখি বিৰশ হৈ পৰিছে ইতিভেন আৰু অতি মৰমেৰে মণিমুগ্ধৰ শুশ্ৰূষা কৰিছে। এনে এক নিবিড় মুহূৰ্তটো যেতিয়া মণিমুগ্ধৰ মন ৰূপালীমৰ ৰূপৰ প্ৰতি লালায়িত হৈ আছে, তেনে পৰিস্থিতিত ইতিভেনৰ ৰণচণ্ডী মূৰ্তি পুনৰ সাৰ পাই উঠিছে আৰু মণিমুগ্ধক আক্ৰমণ কৰিবলৈ উদ্যত হৈছে। অৱশেষত ইতিভেনক বন্দীশাললৈ পঠিয়াই দিয়া হৈছে। ইতিভেনৰ আহত সন্মানবোধৰ প্ৰবল ধুমুহাত ৰূপালীমৰ জীৱন নিঃশেষ হৈ গ'ল। নিজৰ ইপ্সিত বস্তু পাবলৈ মানুহে হয়তো সকলো কামেই কৰিব পাৰে। ইতিভেনে নিজৰ প্ৰেমিকক পাবলৈ ৰূপালীমক, ৰূপালীমৰ ৰূপক ধ্বংস কৰি নিজৰ বাট পৰিষ্কাৰ কৰি ল'লে। নাৰীয়েই যে নাৰীৰ প্ৰধান শত্ৰু তাৰ জ্বলন্ত উদাহাৰণ ইতিভেনৰ চৰিত্ৰ। কেৱল ঈৰ্ষাৰ বশৱৰ্তী হৈ প্ৰকৃত বিচাৰ নকৰাকৈ, নিজৰ প্ৰিয়জনক 'ধোৱা তুলসী পাত' কৰি ৰাখি ৰূপালীমৰ দৰে সৰল নিস্পাপ এজনী ছোৱালীক নিৰ্মম মৃত্যুৰ মাজলৈ ঠেলি দিয়াটো স্বেচ্ছাচাৰিতাৰেই নামান্তৰ। ৰাজকীয় শক্তিৰ আগত সাধাৰণ প্ৰজা ৰূপালীমৰ জীৱন যে তেনেই মূল্যহীন ইতিভেনে তাকেই প্ৰমাণ কৰিলে। সামন্ত শক্তিৰ কবলত পৰি সমাজৰ সাধাৰণ শ্ৰেণীটোৱে যে নিষ্পেষিত হৈ আহিছে ইতিভেনৰ চৰিত্ৰৰ মাজেদি নাট্যকাৰে তাকেই প্ৰকাশ কৰিছে।

এনেদৰেই ৰূপালীম নাটকৰ নাৰী চৰিত্ৰ দুটিৰ মাজত পৰস্পৰবিৰোধী বৈশিষ্ট্যৰ আভাস পোৱা যায়। ৰূপালীম শান্তি, সৰলতা, প্ৰেম, মমতা আৰু নিষ্কলুষ হৃদয়ৰ অধিকাৰিণী। আনহাতে ইতিভেন কৌশলী, জটিল আৰু প্ৰতিশোধপৰায়ণা। ইতিভেনে ৰূপালীমৰ প্ৰতি আৰু নিজৰ দেশৰ মৰ্যদাৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতিকাৰ কৰিবলৈ মণিমুগ্ধৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিছিল। ৰূপালীমেও স্বদেশ আৰু স্বজাতিৰ মংগল কামনা কৰিছিল। কিন্তু ইতিভেনৰ স্বজাতিপ্ৰীতিৰ অন্তৰালত আছিল প্ৰচণ্ড ঈৰ্ষাৰ দহন। আনহাতে ৰূপালীমে স্বজাতিৰ মংগলৰ বাবে চূড়ান্ত ত্যাগৰ বাবে প্ৰস্তুত হৈছিল। এইক্ষেত্ৰত দুয়োগৰাকী নাৰীৰ চাৰিত্ৰিক বৈপৰীত্য সহজেই অনুমেয়। ইতিভেনৰ চৰিত্ৰত আছে হীৰাৰ কঠিন দীপ্তি আৰু ৰূপালীমৰ চৰিত্ৰত আছে এগছি মাটিৰ চাকিৰ কোমল, প্ৰশান্ত আৰু পৱিত্ৰ এমুঠি ৰূপালী পোহৰ। ❈

সাহিত্যই নহয় জীৱনেহে, অধ্যয়নে নহয় কৰ্মইহে, জীৱনীয়ে নহয় চৰিত্ৰইহে মানৱ জাতিক চিৰকাল নতুন তেজেৰে তেজীয়ান কৰি আহিছে।

—ছেমুৱেল স্মাইল্‌ছ

## প্ৰবন্ধ

# ভাল ছাত্ৰ হোৱাৰ উপায়

জগত বৰা
প্ৰবক্তা

আজিৰ যুগ হ'ল প্ৰতিযোগিতাৰ যুগ। সকলো ক্ষেত্ৰতে প্ৰতিযোগিতা। সেয়ে আজিৰ ছাত্ৰ-ছাত্ৰীসকল দায়িত্বহীন হ'লে নহ'ব। তেওঁলোকৰ মূল দায়িত্ব হ'ল আজিৰ সমাজত নিজকে উপযুক্ত কৰি গঢ়ি তোলা। আৰু নিজকে গঢ়ি তোলাৰ যি পদ্ধতি সেয়াই হ'ল শিক্ষা। অৰ্থাৎ যাৰ যোগেদি মানুহে জ্ঞান লাভ কৰে তাকেই শিক্ষা বোলে। আৰু যিসকলে শিক্ষা গ্ৰহণৰ কাৰণে প্ৰাতিষ্ঠানিকভাৱে লিখা-পঢ়া কৰে, তেওঁলোককেই ছাত্ৰ-ছাত্ৰী বোলা হয়।

**১। ভাল ছাত্ৰ-ছাত্ৰী ঃ** যিসকলে $A^+$ গ্ৰেড আৰু A গ্ৰেড পায় কিম্বা লেটাৰ মাৰ্কসহ প্ৰথম বিভাগ আৰু ষ্টাৰ মাৰ্ক পায়, আৰু ব'ৰ্ডত মেধা তালিকাত অন্তৰ্ভুক্ত হয়।

**২। মোটামুটি ভাল ছাত্ৰ-ছাত্ৰী ঃ** যিসকল ছাত্ৰ-ছাত্ৰীয়ে $A^-$ গ্ৰেড, B গ্ৰেড পায় কিম্বা প্ৰথম বা দ্বিতীয় বিভাগ পায়।

**৩। বেয়া ছাত্ৰ-ছাত্ৰী ঃ** যিসকলে C গ্ৰেড কিম্বা তৃতীয় বিভাগ পায়।

**৪। অতি বেয়া ছাত্ৰ-ছাত্ৰী ঃ** যিসকলে পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰে।

কিন্তু কথা হ'ল— ভাল-বেয়া যিয়েই নকওঁ কিয়, আমি জানো যে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰেই লক্ষ্য একেটাই। সেই লক্ষ্য হ'ল— কেনেকৈ ভাল ছাত্ৰ-ছাত্ৰী হোৱা যায়। কিন্তু লক্ষ্য থাকিলেই নহ'ব। সেই লক্ষ্যত উপনীত হ'বৰ কাৰণে সুনিৰ্দিষ্ট কিছুমান পন্থা বা দিকনিৰ্দেশনা জনা দৰকাৰ। সঠিক দিকনিৰ্দেশনা জনা থাকিলে সেই লক্ষ্যত উপনীত হোৱা অতিকে সহজ।

সেয়ে ভাল ছাত্ৰ-ছাত্ৰী হ'বলৈ হলে নিম্ন লিখিত দিকনিৰ্দেশনা বা পন্থা সম্পৰ্কে জ্ঞান থকা দৰকাৰ। এইক্ষেত্ৰত উলিয়াম লিওনাৰ্ডে সঠিকভাৱেই হৈছে— "প্ৰত্যেক মানুহৰেই জীৱনযাত্ৰাৰ নিজস্ব কিছুমান পদ্ধতি আছে আৰু কেনেকৈ তাক বাস্তৱত ৰূপ দিয় যায়, তাৰ চেষ্টা কৰি যোৱা উচিত।" দিকনিৰ্দেশনাবো ধাৰাবাহিকভাৱে মানি চলিব লাগিব। দিকনিৰ্দেশনাবো হৈছে—

১। আবেগ বা অনুৰাগ, ২। কল্পনা বা সপোন ৩। চেতনা, ৪। প্ৰবল ইচ্ছা বা বাসনা বা আকাংক্ষ আৰু মানসিক শক্তি তথা অধ্যৱসায়, ৫। লক্ষ্য স্থি কৰা আৰু সময় সম্পৰ্কে সচেতন হোৱা, ৬ ৰুটিনমাফিক লিখা-পঢ়া কৰা, ৭। ক্লাছত শিক্ষ পঢ়ুওৱা সকলো কথা মনোযোগেৰে শুনা আৰু বুজ ৮। ভয়হীন চিত্তে কঠিন বিষয় ভালকৈ বুজাৰ চেষ্ট কৰা, ৯। উপযুক্ত পৰিৱেশত চলা-ফুৰা কৰা আৰ শিক্ষা গ্ৰহণ।

আবেগৰ আভিধানিক অৰ্থ অনুভূতিৰ প্ৰাবল তীব্ৰ বা বিশেষ গতি বা বেগ। আৱেগৰ সংজ্ঞা নিৰূপ কৰিবলৈ গৈ ফৰাচী দাৰ্শনিক পল জেনে কৈছে— "আৱেগ হ'ল এক ধৰণৰ আচৰণ।" আনহাতে, জ পল ছাৰ্ত্ৰেই আৱেগ সম্পৰ্কে কৈছে— 'আৱেগ এট অৰ্থপূৰ্ণ ক্ৰিয়া, কোনো উদ্দেশ্য বা লক্ষ্য লাভ উপায়।'

আৱেগৰ সহায়তেই মানুহে লক্ষ্যবস্তুৰ প্ৰতিভাব প্ৰথম অনুধাৱন কৰে। আৱেগে কোনো নহয় কোনে প্ৰকাৰে ৰূপান্তৰ সূচিত কৰে আৰু ইয়াৰ সহায়ত মানুহে ন ন পন্থা আৰু সম্পৰ্ক গঢ়ি তোলে। ম

কৰিবলগীয়া যে কল্পনাই আৱেগক জীয়াই ৰাখিব পাৰে। আৰু আৱেগৰ যোগেদিয়েই ইচ্ছাশক্তিয়ে কাম কৰে। কিন্তু এটা কথা মন কৰা দৰকাৰ যে আৱেগ যদি চিন্তাৰ দ্বাৰা সমৰ্থিত নহয় আৰু বুদ্ধিৰ দ্বাৰা পৰিৱেশিত নহয়, তেন্তে সেই আৱেগে বিপৰ্যয়ৰ সম্ভাৱনাহে কাটিয়াই আনিব পাৰে। জীৱনৰ শুভ সম্ভাৱনাৰ সৃষ্টি নকৰে। এইক্ষেত্ৰত অস্কাৰ ৱাইল্ডৰ মন্তব্য প্ৰণিধানযোগ্য। তেওঁ কৈছে— 'জীৱনৰ পৰম সত্য হ'ল এয়ে যে কেতিয়াও এনে আৱেগক প্ৰশ্ৰয় দিব নালাগে, যিবোৰ অশোভনীয়। অশোভনীয় আৱেগক যিয়ে প্ৰশ্ৰয় নিদিয়ে, তেওঁ জীৱনত সন্মান পাব পাৰে।'

গতিকে আৱেগৰ ক্ষেত্ৰত চিন্তাশক্তিও নিয়ামক শক্তি। ধৰ্মগ্ৰন্থতো কোৱা হৈছে— 'সুচিন্তা হ'ল উত্তম উপাসনাৰ অংশ। চিন্তা কৰি কাম কৰাসকল দেৱতাসদৃশ আৰু আগ-পিছ নুগুণি হুৰমুৰকৈ কাম কৰাসকল চয়তানসদৃশ।' ইংৰাজ কবি বাইৰণেও কৈছে— 'চিন্তাশক্তিৰ প্ৰখৰতাই মানুহৰ মনৰ অলৌকিক পৰিৱৰ্তন আনিব পাৰে।' যিয়ে সৎচিন্তাত নিমগ্ন থাকে, কলুষতাই তেওঁক স্পৰ্শ কৰিব নোৱাৰে। চিন্তাশক্তিৰ দ্বাৰা মানুহে দেৱত্ব লাভ কৰিব পাৰে, অসাধ্য সাধন কৰিব পাৰে আৰু সৰ্বজয়ী হ'ব পাৰে। চিন্তাৰ গভীৰতা আৰু ঐকান্তিকতাৰ ওপৰতেই নিৰ্ভৰ কৰে ফলাফল। যিসকলে চিন্তা কৰিব নোৱাৰে, আমোদ-প্ৰমোদেই হৈছে তেওঁলোকৰ বাবে সুখ। চিন্তাৰহিত শিক্ষা বৃথা, আৰু শিক্ষা অবিহনেও চিন্তা বিপজ্জনক। যিয়ে যুক্তিসহকাৰে চিন্তা কৰে, তেওঁৰ চিন্তা কেতিয়াও মানৱ-বিৰোধী হ'ব নোৱাৰে। মনত ৰাখিব লাগিব, উদ্বিগ্ন চিত্তৰ মানুহে কামতকৈ অসংলগ্ন চিন্তাই বেছি কৰে। কাজেই চিন্তাশক্তি আৰু কল্পনাশক্তি যে জীৱনযাত্ৰাত অতি আৱশ্যক, তাত সন্দেহ নাই। আন কথাত, ভাল ছাত্ৰ বা ছাত্ৰী হোৱাৰ ইচ্ছা থাকিলে এই দুটা পদাৰ্থ বাদ দিলে নহ'ব। গতিকে বাল্যকালৰ পৰাই চিন্তা আৰু কল্পনা চৰ্চা নকৰিলে কামৰ সময়ত তাক হাতৰ কাষত পোৱা নাযাব। মহৎ চিন্তা-ভাৱনা যাৰ সংগী, তেওঁ কেতিয়াও বেয়া ছাত্ৰ হ'ব নোৱাৰে। ভাল চিন্তা কৰিলে বিধাতাই পথ দেখুৱাবই।

চৰ্চা কি? এই সম্পৰ্কেও আমাৰ ধাৰণা থকা দৰকাৰ। চৰ্চা মানে হৈছে অনুশীলন। টমাছ ফুলাৰে সঠিকভাৱেই মন্তব্য কৰিছে— 'পোহৰৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কেৱল চৰ্চাৰ যোগেদিয়েই ঘটে।' চৰ্চাই সকলোতকৈ ডাঙৰ শিক্ষক; কাৰণ চৰ্চাৰ যোগেদিয়েই যিকোনো কথা বা ঘটনা নিখুঁতভাৱে আয়ত্ত কৰা সম্ভৱ। চৰ্চাৰ ওপৰতে সাফল্য বহু পৰিমাণে নিৰ্ভৰ কৰে। তদুপৰি যিকোনো শিক্ষাই চৰ্চা অবিহনে বলিষ্ঠ নহয়।

বিখ্যাত ফৰাচী লেখক ভিক্টৰ হিউগোৱে কৈছে— 'আৱেগ অবিহনে পৃথিৱীত একো মহৎ সৃষ্টি হোৱা নাই।' আৱেগৰ পিছতে আহে কল্পনা বা সপোনৰ কথা। সপোন বা কল্পনাৰ স্থান মানুহৰ চিত্তলোক বা ভাবলোকত। কল্পনাশক্তি আছে বুলিয়েই মানুহে ভৱিষ্যৎ সম্বন্ধে চিন্তা কৰিব পাৰে আৰু আগৰ পৰাই সেই অনুসাৰে নিজক প্ৰস্তুত কৰি তুলিব পাৰে। কল্পনাৰ সহায়তেই মানুহে ন ন শিল্প সৃষ্টি কৰে, মহৎ ভাবনাৰ জন্ম দিয়ে। জীৱন আৰু সমাজৰ সমৃদ্ধিত মানুহৰ কল্পনাশক্তিৰ দান অতুলনীয়। গতিকে ভাল ছাত্ৰ হ'বলৈ হ'লে আৱেগৰ পিছতে কল্পনাশক্তি বা স্বপ্নচেতনা নিতান্তই প্ৰয়োজন।

এলবাৰ্ট আইনষ্টাইনৰ ভাষাত ক'ব পৰা যায়— 'কল্পনা হ'ল আত্মাৰ চকু আৰু জ্ঞানতকৈ কল্পনা বেছি প্ৰয়োজনীয়।' আনাতোল ফ্ৰাঁও সঠিকভাৱেই কৈছে— 'আমি যদি কেতিয়াও সপোন নেদেখিলোহেঁতেন, তেন্তে জীৱন অসহনীয় হৈ পৰিলহেঁতেন।' যিয়ে সপোন দেখে, তেওঁ ভাগ্যক ভয় কৰিব নালাগে। প্ৰতিজন মানুহেই সপোনৰ ৰজা। মনত ৰখা দৰকাৰ— সপোন দেখা ভাল, কিন্তু সপোন-ৰাজ্যত বাস কৰা দুৰ্বুদ্ধিৰ পৰিচায়ক।

আৱেগ, কল্পনা বা সপোন থাকিলে এজন ছাত্ৰৰ মনত চেতনাই ক্ৰিয়া কৰিবই।

চেতনা হ'ল আৱেগৰ দ্বাৰা সৃষ্ট কল্পনাক সপোনৰ বাঞ্ছিত বিষয় সম্পৰ্কে জাগ্ৰত হোৱা বা প্ৰকৃত অৱস্থা সম্পৰ্কে উদ্বুদ্ধ হোৱা। চেতনাৰ কাম হ'ল বিষয়ৰ প্ৰকাশ। জ্ঞানীজনে কৈছে— 'যাৰ চেতনা যিমানে সজাগ, তেওঁৰ ক্ষতি সিমানে কম হয়।' কল্পনাৰ ক্ষেত্ৰত চেতনা যেন স্ৰষ্টা, আৰু আৱেগ সকলো সময়তেই চেতনাধৰ্মী। আমি জানো যে শ্ৰেষ্ঠতাৰ আৰাধনাই মানুহৰ কৰ্তব্য, নিকৃষ্টতাৰ পূজা নহয়। সেয়ে শ্ৰেষ্ঠতাৰ আৰাধনাৰ কাৰণে সকলোতকৈ বেছি প্ৰয়োজনীয় হৈছে আৱেগ। আৱেগেই কঠিন বিষয়কো সহজ কৰি তোলে, পঙ্গুকো পৰ্বত আৰোহণ কৰাৰ সাহস যোগায়। আৱেগ-কল্পনাই ক্ৰিয়া নকৰিলে চেতনা নিষ্ক্ৰিয় হৈ থাকে।

কথা হ'ল— আৱেগ, কল্পনা বা সপোন আৰু চেতনা থাকিলেই নহ'ব। এইবোৰ এজন ছাত্ৰৰ মনত ক্ৰিয়াশীল হ'লে তাৰ পিছত তেওঁৰ মনত এইবোৰ বাস্তৱায়নৰ বা বাস্তৱত ৰূপ দিয়াৰ কাৰণে দৰকাৰ প্ৰবল ইচ্ছা বা প্ৰবল বাসনা বা প্ৰবল আকাংক্ষা আৰু মানসিক শক্তি। কিয়নো, আমি জানো যে 'ইচ্ছা থাকিলে উপায় ওলায়।' ইচ্ছাই প্ৰবল আকাংক্ষা আৰু মানসিক শক্তিক বিকশিত কৰে, আকাংক্ষা পৰিচালিত কৰে। মানুহৰ জীৱন সংক্ষিপ্ত হ'লেও আশা-আকাংক্ষা অনন্ত। আশা-আকাংক্ষাৰ পিয়াহ কেতিয়াও নপলায়। জৰ্জ মুৰে কৈছে— 'যাৰ আকাংক্ষা নাই, তেওঁৰ পোৱাৰ আনন্দ আৰু তৃপ্তিও নাই।' আমাৰ মৌলিক বাসনা বা আকাংক্ষাৰ পৰাই সকলো কামৰ সূচনা ঘটে আৰু ইচ্ছাশক্তিক বহুদূৰ আগুৱাই নিয়ে। কিন্তু কেৱল ইচ্ছাই শেষ কথা নহয়। দৃঢ়ভাৱে ইচ্ছা কৰিব লাগিব আৰু বিশ্বাস ৰাখিব লাগিব, তেতিয়াহে কৃতকাৰ্য হোৱা সম্ভৱ; সাধনা আপোনা-আপুনিয়েই আহিব। মনত ৰখা উচিত— দৃঢ় ইচ্ছা থাকিলে যিকোনো কঠিন সংকটৰ মুখামুখি হৈয়ো জয়লাভ কৰা সম্ভৱ। ছাত্ৰ-ছাত্ৰীসকলে ইচ্ছা কৰিলে ইচ্ছানুযায়ী যিকোনো কাম কৰিব পাৰে। সদিচ্ছাই সৎ কৰ্মত অনুপ্ৰেৰণা যোগায়।

প্ৰবল ইচ্ছা বা আকাংক্ষাৰ লগতে মানসিক শক্তি বা মনৰ গতি সঞ্চয় কৰি অধ্যৱসায়ী হ'ব লাগিব। তেতিয়াহে এজন ছাত্ৰই মূল লক্ষ্যত অনায়াসে উপনীত হ'ব পাৰিব।

অধ্যৱসায়ৰ সুফল জীৱনৰ প্ৰতিটো ক্ষেত্ৰতেই আমি অনুভৱ কৰোঁ। ছাত্ৰ-জীৱনৰ অধ্যৱসায়ৰ গুৰুত্ব অসীম। বহু ছাত্ৰই পৰীক্ষাত আশানুৰূপ ফল লাভত অসমৰ্থ হৈ নিৰাশ হৈ পৰে। কিন্তু তেওঁলোকে পাহৰি যায় যে চেষ্টা আৰু সংগ্ৰাম অবিহনে বৃহৎ বা মহৎ কোনো কামেই কৰা নাযায়। কোনো ছাত্ৰই মূল লক্ষ্যত উপনীত হ'ব নোৱাৰে, যদিহে তেওঁ অধ্যৱসায়ৰ কঠোৰ শ্ৰমক অস্বীকাৰ কৰে। অধ্যয়নত অধ্যৱসায়ী নহলে নহ'ব। সকলো ছাত্ৰ সমানে প্ৰতিভাৱান নহয়। সেয়ে প্ৰতিভাৰ ঘাটিখিনি অধ্যসায়ৰ যোগেদিয়ে যথাসম্ভৱ পূৰণ কৰিব লাগিব। আনহাতে, যিসকল প্ৰতিভাধৰ, তুলনাত কৰ্মকৈ হ'লেও তেওঁলোকে অধ্যৱসায়ী হ'বই লাগিব।

উত্থান-পতন, জয়-পৰাজয় মানৱ জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। সেই বুলি মানুহেতো আৰু নিৰুদ্যম হৈ বহি থাকিব নোৱাৰে। বাৰে বাৰে বিৰুদ্ধ শক্তিৰ বিৰুদ্ধে সংগ্ৰাম কৰি মানুহে নিজৰ ভাগ্য গঢ়ি ল'বলগীয়া হয়। সেয়ে জীৱনত সু-প্ৰতিষ্ঠিত হোৱাৰ পথত অধ্যৱসায়েই হ'ল একমাত্ৰ সহায়ক।

লক্ষ্য কৰিলেই আমি দেখিম যে মহামানৱ বা কৃতবিদ্য লোকসকলৰ জীৱনত অধ্যৱসায়ে প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। কোনো প্ৰতিভাৱেই বিনা অধ্যৱসায়েৰে প্ৰকৃত বিকাশ ঘটা নাই। যিসকল ডাঙৰ ডাঙৰ বীৰযোদ্ধা বা কীৰ্তিমান নাৰী-পুৰুষে ইতিহাসৰ পাতত স্থান লাভ কৰিছে, তেওঁলোক এই অধ্যৱসায়ৰ জোৰতেই স্বনামধন্য। যি বিজ্ঞান যুগত আজি আমি বাস কৰিছো, তাৰ প্ৰতিটো আৱিষ্কাৰ আৰু উদ্ভাৱনৰ গুৰিতেই আছে অপৰিসীম অধ্যৱসায়। জীৱনত আমি

যিখিনি সুফল, যিখিনি সুখ, যিখিনি আনন্দ ভোগ কৰিছো, অলপ গমি চালেই বুজা যায়— সেয়া এই অধ্যৱসায়ৰে ফল।

ৰবাৰ্ট ব্ৰুছ ইংলেণ্ডৰ স'তে যুদ্ধত ছবাৰ পৰাস্ত হোৱাৰ পিছতো অধ্যৱসায়ৰ ফলত শেষত বিজয়ী হৈছিল। সম্ৰাট বাবৰে এবাৰ যুদ্ধৰ সময়ত ভীত হৈ এক ভগ্ন অট্টালিকাত আশ্ৰয় লৈ আছিল। তাতে তেওঁ হঠাৎ লক্ষ্য কৰিলে— এটা পিঁপৰাই দেৱালত বাৰে বাৰে উঠিবলৈ চেষ্টা কৰিছে; কিন্তু পৰা নাই। উনষাঠিবাৰ অসফল হোৱাৰ পিছতো পিঁপৰাটোৱে আশা নেৰিলে। ষাঠিবাৰৰ মূৰত সি সফল হ'ল। তাকে দেখি বাবৰো উৎসাহিত হ'ল আৰু যুদ্ধত জয়ী হ'ল। পৰ্তুগীজ নাৱিক ভাস্কো দা গামাই বহুবাৰ ব্যৰ্থ হোৱাৰ পিছতো হতাশ নহৈ শেষত ভাৰতলৈ অহা সাগৰীয় জলপথ আৱিষ্কাৰ কৰি ভাৰতত উপনীত হ'লহি। এনে উদাহৰণ বহু দিব পৰা যায়।

মনত ৰাখিব লাগিব— ছাত্ৰসকলো মানুহ। মানুহে চেষ্টা কৰিলে যিকোনো কঠিন কামকো সম্পন্ন কৰিব পাৰে। কৃতকাৰ্যতা আহি নিজে উপস্থিত হয়। ফলত আনন্দই আহি জীৱনক কৰি তোলে স্বচ্ছন্দ, উৎফুল্ল আৰু মহিমামণ্ডিত। আনহাতে, বহুতৰ ধাৰণা— প্ৰতিভাৰ জোৰতেই ছাত্ৰই ভাল ফল কৰে। কথাটো আংশিকভাৱে সঁচা হ'ব পাৰে; কিন্তু প্ৰতিভাৰ লগতে অধ্যৱসায় যুক্ত নহ'লে ভাল ছাত্ৰ হোৱা মুঠেই সম্ভৱ নহয়। তদুপৰি বহুক্ষেত্ৰত অধ্যৱসায়ৰ জোৰতেই কৰ্ম-জীৱনত মানুহে স্বৰ্ণ শিখৰত আৰোহণ কৰিছে। আনহাতে মেধাবী হৈয়ো অধ্যৱসায়ত অভাৱৰ বহুতৰ জীৱন ব্যৰ্থতাৰ গ্লানিত ডুব গৈছে।

দুখীয়াৰ ঘৰত জন্ম হোৱাটো পাপ নহয়। কিন্তু এনে অৱস্থাৰ উন্নতিৰ বাবে চেষ্টা নকৰাটো পাপ। এই পৰম সত্য উপলব্ধি কৰি বহুতে চেষ্টাৰ দ্বাৰা জীৱনৰ দশাই সলাই দিছে। মনত ৰখা উচিত— অধ্যৱসায়ৰ শক্তি কিন্তু আত্মবিশ্বাস। যিয়ে যিমান আত্মবিশ্বাসী, তেৱেঁই সিমান অধ্যৱসায়ী। যিসকল দুৰ্বল মনৰ অধিকাৰী, তেওঁলোকে কামৰ দুৰূহতাৰ কথা চিন্তা কৰি প্ৰথমেই ব্যৰ্থ হৈ হতাশ হৈ পৰে। তেওঁলোকৰ দ্বাৰা কোনো কামেই সুসম্পন্ন বা সফল নহয়গৈ।

ইয়াৰ বাহিৰেও ভাল ছাত্ৰ হ'বলৈ হ'লে জীৱনৰ লক্ষ্য স্থিৰ কৰি আগবঢ়াটো নিতান্তই প্ৰয়োজন। কাৰণ লক্ষ্যহীন জীৱনে ব্যৰ্থতাই মাতি আনে। লক্ষ্যপথ জনা থাকিলে মানুহৰ স্বভাৱত থাকে স্থিৰতা, কাৰণ লক্ষ্যহীন জীৱন চঞ্চল, ধৈৰ্যহীন, উদ্ভ্ৰান্ত। তদুপৰি ৰুটিনমাফিক পঢ়া-শুনা কৰা, সময় সম্পৰ্কে সচেতন হোৱা, শ্ৰেণীত মনোযোগী হোৱা আদি গুণ আয়ত্ত কৰাটো ভাল হ'বলৈ হ'লে নিতান্তই প্ৰয়োজন। ❊

*(ৰফিকুজ্জামান হুমায়ুন ৰচিত 'ভালো ছাত্ৰ হওয়াৰ সহজ উপায়' পুথিৰ প্ৰবন্ধ এটাৰ আৰ্হিমূলক তৰ্জমাকৃত)*

ঘৰুৱা শিক্ষাৰ গুৰুত্ব অসীম। স্কুলত দিয়া শিক্ষা যিমানেই ভাল নহওক কিয়, ভৱিষ্যতৰ নাৰী-পুৰুষৰ চৰিত্ৰ গঠন কৰাত ঘৰত দেখা উদাহৰণবোৰৰ প্ৰভাৱ অধিক। ৰাজহুৱা আৰু ব্যক্তিগত জীৱন প্ৰভাৱিত কৰা অভ্যাস, নীতি আৰু আদৰ্শসমূহে গঢ় লোৱাৰ কেন্দ্ৰস্থল হ'ল ঘৰখন। জাতি এটাৰ জন্ম হয় শিশুশালাত। ৰাজহুৱা মতামতবোৰো বহু পৰিমাণে ঘৰ এখোনৰ পৰাই উদ্ভৱ হোৱা। —ছেমুৱেল স্মাইলছ

# মহাপুৰুষ শংকৰদেৱ আৰু অসম

দুলুমণি বৰুৱা
স্নাতক, তৃতীয় বৰ্ষ

মহান যুগনায়ক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হয় পোন্ধৰ শতিকাৰ মাজভাগত। অৰ্থাৎ ১৪৪৯ খৃষ্টাব্দত, নগাঁও জিলাৰ বৰদোৱাৰ আলিপুখুৰী নামে ঠাইত।

শিশু অৱস্থাতে মহাপুৰুষজনাৰ মাতৃ সত্যসন্ধা আৰু পিতৃ কুসুম্বৰ ভূঞাৰ বৈকুণ্ঠ প্ৰয়াণ ঘটে। তেওঁৰ ককাদেউতাক আছিল সূৰ্যবৰ আৰু বুঢ়ীমাক আছিল খেৰসুতি। ঘাটমাউৰা শংকৰক তুলি-তালি ডাঙৰ-দীঘল কৰাৰ ভাৰ পৰে বুঢ়ীমাক খেৰসুতিৰ ওপৰত। বুঢ়ীমাকৰ স্নেহছায়াত ডাঙৰ হোৱা শংকৰদেৱে দায়িত্বশীল অভিভাৱকৰ অভাৱত কৈশোৰ কালৰ সময়ছোৱা অনাই-বনাই ঘূৰি ফুৰি অতিবাহিত কৰিছিল। তেনেদৰে বাৰ বছৰ কাল অতিবাহিত হোৱাত এদিন বুঢ়ীমাকে পঢ়াৰ কথা কৈ, বংশৰ নাম খেদাব খোজা বুলি কৈ গালি-শপনি পাৰিলে আৰু ভাদ মাহৰ বৃহস্পতিবাৰ এটিত শংকৰদেৱক মহেন্দ্ৰ কন্দলীৰ টোলত নাম লগাই দিলে। পঢ়িবলৈ শিকিয়ে গুৰুজনাই প্ৰথম 'কৰতল কমল কমল দল নয়ন'— এই আকাৰ-ইকাৰ নোহোৱা সুন্দৰ কবিতাটো ৰচনা কৰে। অতি কম সময়ৰ ভিতৰতে মহাপুৰুষজনাই সমস্ত শাস্ত্ৰ অধ্যয়ন কৰি এগৰাকী বিদগ্ধ পণ্ডিত হৈ পৰে।

শংকৰদেৱৰ জন্মৰ পিছতে অসমত আৰম্ভ হৈছিল নৱজাগৰণৰ এক শুভ সূচনা, সেই নৱজাগৰণ আছিল বৈষ্ণৱ আন্দোলনৰ। তেতিয়াৰে পৰা সৰ্বদিশত সৰ্বাংগসুন্দৰ ৰূপত অসমে প্ৰতিষ্ঠা লাভ কৰিছিল। পুৰণি অসমক সহজ-সৰল ধৰ্মৰ একেডাল ডোলেৰে তেৱেঁই স্বাধীনতা, সমতা, ভাতৃত্ববোধৰ আধাৰত এক ঈশ্বৰৰ কল্পনাৰ জৰিয়তে ভগৱৎমুখী কৰি তুলিবৰ বাবে নৱবৈষ্ণৱ ধৰ্ম বা একশৰণ নামধৰ্মৰ প্ৰৱৰ্তন কৰে। মানুহৰ মনত সৌন্দৰ্যবোধ জাগ্ৰত কৰি সকলোকে সংস্কৃতি সচেতন কৰি তোলা এই মহাপুৰুষজনাৰ কাৰণেই অৱহেলিতজনে সামাজিক আৰু আধ্যাত্মিক দিশত উৎকৰ্ষ সাধনৰ পূৰ্ণ সুযোগ লাভ কৰিছিল।

পৱিত্ৰ গীতাত কৈছে—

"যদা যদাহি ধৰ্মস্য গ্লানি ভৱতি ভাৰতম্।
অভ্যুত্থানম ধৰ্মস্য তদাত্মানং সৃজাম্যহম্।।
পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্ম স্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।।"

"হে ভাৰত! যেতিয়া ধৰ্মৰ গ্লানি হয় আৰু অধৰ্ম প্ৰবল হয়, তেতিয়া মই আৱিৰ্ভূত হওঁ। সাধুসকলৰ পৰিত্ৰাণ, দুষ্টবিলাকৰ বিনাশ সাধন আৰু ধৰ্মক সুপ্ৰতিষ্ঠিত কৰাৰ উদ্দেশ্যে (মই) যুগে যুগে অৱতাৰ ধৰোঁ।"

মধ্যযুগত অসমত যেতিয়া ৰাজনৈতিক, সামাজিক, ধৰ্মীয় নানা সংঘাতেৰে পৰিপূৰ্ণ হৈছিল, তেতিয়া অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ হৈ সমাজ সংস্কাৰ কৰি ভক্তি ধৰ্মৰ সোঁত বোৱালে।

মহাপুৰুষ শংকৰদেৱে ধৰ্ম-কৰ্মৰ বিভীষিকা নাশ কৰি একশৰণ হৰিনাম ধৰ্ম প্ৰৱৰ্তনৰ জৰিয়তে জীৱ মুক্তিৰ পথ সুগম কৰিলে। শংকৰদেৱে বিষ্ণুৱেই যে

...কমাত্ৰ দেৱতা তাকে কৈছিল। মহাপুৰুষজনাই ...কলো বিপদৰ পৰা পৰিত্ৰাণ পাবলৈ কেৱল হৰিৰ ...াম স্মৰণ কৰিব কৈছিল। যাগ-যজ্ঞ, পূজা-পাতাল ...ইবোৰ অনৰ্থক, মূল্যহীন, তেওঁৰ মতে হৰিয়ে ...বিষ্ণু) সৰ্বেসৰ্বা।

শংকৰদেৱে অসমত নৱবৈষ্ণৱ ধৰ্মৰ বীজ ...ৱাপণ কৰি দেৱ-দেৱীৰ পূজা, বলি-বিধান আঁতৰাই ...কশৰণ নামধৰ্ম প্ৰচাৰ কৰি ধৰ্মৰ 'চাৰিখুঁটি' স্থাপন ...ৰিলে। সেই 'চাৰিখুঁটি' হ'ল— নাম (নামধৰ্ম), দেউ ...বিষ্ণু), গুৰু (শৰণ দিওঁতা) আৰু ভকত (সৎসংগ)। ...ৱবৈষ্ণৱ ধৰ্মত বিষ্ণুৱেই একমাত্ৰ উপাস্য দেৱতা। ...সয়ে মহাপুৰুষজনাই কৈ গৈছে— "একদেৱ এক ...সৱ, এক বিনে নাই কেৱ।" তেওঁৰ ধৰ্ম সাৰ্বজনীন, ...িশ্বজনীন। তেওঁ নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, ...চ্ছাৰীৰ ৰমাই, কৈৱৰ্তৰ পূৰ্ণানন্দ বা শ্ৰীৰাম আদি ...িভিন্ন গোষ্ঠীৰ লোকক এক কৰি সকলোকে ভাতৃত্বৰ ...নাজৰীৰে সাঙুৰিছিল একশৰণ হৰিনাম ধৰ্মৰ ...ৰিয়তে। তেওঁৰ ধৰ্মত জাতিভেদৰ কোনো বাছ-...িচাৰ নাছিল। তেওঁৰ মতে সকলো আছিল এক। ...ীতা, ভাগৱতৰ মতবাদক সাহিত্যত সৰল ভাষাত ...চাৰ কৰি আমাৰ দেশৰ কৃষ্টি, সভ্যতা, ভাষা, ...াহিত্য, সংস্কৃতি আদিৰ ভঁৰাল টনকিয়াল কৰি থৈ ...'ল। নামধৰ্ম প্ৰচাৰৰ অৰ্থে তেওঁ নামঘৰ, সত্ৰ আদি ...াপন কৰি থৈ গ'ল। তেওঁৰ বাবে নামঘৰৰ দুৱাৰ ...কলো লোকৰ বাবে খোলা আছিল।

মহাপুৰুষ শংকৰদেৱে বাইশ বছৰ বয়সত ...ৰ্য্যৱতীক বিয়া কৰায়। বিয়াৰ চাৰি বছৰ পিছত মনু ...ামে এটি কন্যা সন্তান জন্ম দি তেওঁ ইহলীলা সম্বৰণ ...ৰে। ভাগৱত গীতা দৰ্শনৰ পণ্ডিত শংকৰদেৱে মনৰ ...খ আৰু বিষাদৰ কালিমা আঁতৰোৱাৰ অৰ্থে ...াৰতবৰ্ষৰ বিভিন্ন তীৰ্থস্থান দৰ্শন কৰিবলৈ মন ...মলিলে আৰু কেইজনমান সহযোগীৰ সৈতে তেওঁ ...ীৰ্থ যাত্ৰালৈ। তেওঁ ভাৰতৰ বিভিন্ন তীৰ্থস্থানত বাৰ ...ছৰ কাল অতিবাহিত কৰে। এই ভ্ৰমণত ভাৰতৰ বিভিন্ন জাতি, ধৰ্মীয় মতাৱলম্বী আৰু সাংস্কৃতিক পৰম্পৰা পালন কৰি থকা মানুহৰ সংগই শংকৰদেৱৰ মনত নতুন চেতনাৰ উন্মেষ ঘটালে আৰু ভগবান বিষ্ণুক কেন্দ্ৰ কৰি এক বৈষ্ণৱীয় বৈদিক চিন্তাধাৰা তেওঁৰ মনত উদিত হ'ল।

মহাপুৰুষ শংকৰদেৱে ভাৰতৰ বিভিন্ন ঠাইত দেখা ৰঙ্গানুষ্ঠান আৰু সংস্কৃত নাট্যশাস্ত্ৰানুমোদিত উপাদানৰ লগত তৎকালীন প্ৰচলিত লৌকিক বা স্থানীয় ৰঙ্গানুষ্ঠানৰো অপূৰ্ব সংমিশ্ৰণ আৰু সমন্বয় ঘটাই অভিনৱ অসমীয়া ভাওনাৰ প্ৰৱৰ্তন কৰে। তেওঁৰ দ্বাৰা ৰচিত প্ৰথম ভাওনা হ'ল 'চিহ্নযাত্ৰা'। গুৰুজনাই নিৰাশাৰ মাজত নিজক ভগৱানৰ ওচৰত সমৰ্পণ কৰি বিভিন্ন গীত ৰচনা কৰিছিল। সেই গীতবোৰক বৰগীত বোলা হয়। বৰগীতবোৰত পৰম পুৰুষ ভগৱানৰ গুণগান আৰু মহিমা ঘোষণা আৰু সংসাৰৰ প্ৰতি অনীহা প্ৰকাশ পাইছে। সেয়ে গুৰুজনাই ৰচিছে—

তীৰ্থৰ পৰা আহি বৰদোৱাত থিতাপি লৈ গুৰুজনে আত্মীয়-কুটুমৰ হেঁচাত দ্বিতীয় বিবাহ কৰায়। সেই সময়ত কছাৰীসকলৰ অত্যাচাৰত অতিষ্ঠ হৈ মহাপুৰুষজনাই বৰদোৱা ত্যাগ কৰি বেলগুৰি ধুৱাহাটা নামে ঠাইত আশ্ৰয় লয় আৰু তাতে মাধৱদেৱৰ লগত মিলন হয়। ফলস্বৰূপে শংকৰদেৱ প্ৰচাৰিত ভক্তি ধৰ্মৰ সোঁত অতি প্ৰবলভাৱে প্ৰৱাহিত হ'বলৈ ধৰে। ১৫৬৯ চনত ভাদমহীয়া শুক্লা দ্বিতীয়া তিথিৰ ছকুৰি বছৰ বয়সত ভেলা কাকতকুটা নামে ঠাইত গুৰুজনে নৰ-নাট সামৰে।

অসমৰ ধাৰ্মিক, সামাজিক আৰু সাংস্কৃতিক জীৱনত মহাপুৰুষজনাৰ অৱদান অপৰিসীম। এজন ধৰ্ম প্ৰচাৰক আৰু সমাজ সংস্কাৰক গুৰুৱে সাহিত্য-সংস্কৃতিৰ দিশত এনে অমূল্য অৱদান আগবঢ়াই এটা জাতিক গৌৰৱৰ উচ্চ শিখৰত তুলি থৈ যোৱাৰ উদাহৰণ পৃথিৱীৰ বুৰঞ্জীতে বিৰল। বিভিন্ন দুৰ্যোগৰ মাজতো গুৰুজনে জীৱনৰ উদ্দেশ্য সাধনত ব্ৰতী হৈ নিৰৱচ্ছিন্নভাৱে আত্মনিয়োগ কৰিছিল। 'বহুজনহিতায়

বহুজন সুখায়' উদ্দেশ্যেৰে গুৰুজনে যি কাম কৰি গ'ল সেই কাম অতুলনীয়।

শাস্ত্ৰৰ জ্ঞান, জীৱন মুক্তিৰ পথ, সংগীতৰ লহৰ, নৃত্যৰ ছন্দ তথা পৰিশীলিত জীৱন যাপনৰ পথ নিৰ্দেশনাৰ ব্ৰহ্মাণ্ডৰ পাৰ ভাঙি এনেদৰে সঞ্চালনি নৈ বৈ যাব পৰাকৈ জিনাই দি থৈ গ'ল, যাৰ বিৰচিত গীত-মাতে আজিও জাতীয় জীৱন সিক্ত কৰি স্বকীয় মহিমাৰে নিজস্বতা প্ৰতিপাদনত সমৰ্থবান হৈ আছে, সেইগৰাকী মহাপুৰুষৰ আৰু তেওঁ দি যোৱা সম্পদৰাজিৰ যথাযথ বিচাৰ-বিশ্লেষণ আজিও পূৰ্ণৰূপত হৈ উঠিছে বুলি ক'ব নোৱাৰি।

মহাপুৰুষ শংকৰদেৱে অসমৰ সাহিত্য জগতলৈ অনেক বৰঙণি আগবঢ়াই সাহিত্যৰ ভঁৰাল সমৃদ্ধিশালী কৰি থৈ গৈছে। তেওঁৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীলৈ উপহাৰ দি যোৱা ৰচনাৰাজি হ'ল—

১। কোমল গীত (কৰতল কমল কমল দল নয়ন' আদি; প্ৰথম ৰচনা বুলি খ্যাত), ২। হৰিশ্চন্দ্ৰ উপাখ্যান (কাব্য, মাৰ্কণ্ডেয় পুৰাণৰ পৰা গৃহীত; ছাত্ৰাৱস্থাতে ৰচিত), ৩। ৰুক্মিণীহৰণ কাব্য (ভাগৱত আৰু হৰিবংশৰ সংমিশ্ৰণেৰে ৰচিত), ৪। কীৰ্তনঘোষা, ৫। দশম স্কন্ধ (আদি) ভাগৱত, ৬। অনাদি পাতন (৩য় স্কন্ধ ভাগৱতৰ), ৭। অজামিল উপাখ্যান (ষষ্ঠ স্কন্ধ ভাগৱতৰ, কীৰ্তন ঘোষাতকৈ বিস্তৃত), ৮। অমৃত মথন (অষ্টম স্কন্ধ ভাগৱতৰ), ৯। বলিছলন (অষ্টম স্কন্ধ ভাগৱত, বামন পুৰাণেৰে মিশ্ৰিত, কীৰ্তনঘোষাতকৈ বিস্তৃত), ১০। নিমিনিৱসিদ্ধ সম্বাদ (একাদশ স্কন্ধ ভাগৱত), ১১। কুৰুক্ষেত্ৰ (ভাগৱত দশম স্কন্ধৰ উত্তৰাৰ্ধ), ১২। ভাগৱত পুৰাণৰ প্ৰথম স্কন্ধ, ১৩। ভাগৱত পুৰাণৰ দ্বিতীয় স্কন্ধ, ১৪। ভাগৱত পুৰাণৰ নৱম স্কন্ধ, ১৫। ভাগৱত পুৰাণৰ দ্বাদশ স্কন্ধ, ১৬। ৰামায়ণ, উত্তৰাকাণ্ড, ১৭। ৰুক্মিণীহৰণ নাট, ১৮। পত্নীপ্ৰসাদ নাট, ১৯। কালিয় দমন নাট, ২০। কেলিগোপাল নাট, ২১। পাৰিজাত হৰণ নাট, ২২। ৰাম বিজয় নাট, ২৩। কংসবধ নাট (লুপ্ত), ২৪। ভক্তি প্ৰদীপ, ২৫। ভক্তি ৰত্নাকৰ, ২৬। বৰগীত (বাৰকুৰি, তাৰে সৰহসংখ্যক লুপ্ত), ২৭। গুণমালা, ২৮। চপয়, ২৯। তোটয়, ৩০। ভটিমা।

অসমীয়া নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক, অসমীয়া নাট আৰু অভিনয় কলাৰ প্ৰৱৰ্তক, ব্ৰজাৱলী ভাষাৰ সৃষ্টিকাৰী অসমীয়া ভাষাক চুঁচিমাজি, নতুন শব্দ, নতুন ছন্দ আৰু নতুন প্ৰকাশভংগী প্ৰয়োগ কৰি উচ্চ সাহিত্যৰ উপযোগী মাধ্যমৰূপে ৰূপদান কৰোঁতা মহাপুৰুষ শংকৰদেৱৰ সাহিত্যত বিভিন্ন ৰসৰ সু প্ৰয়োগ, বৰ্ণনাৰ কুশলতা আৰু স্বচ্ছতা, কাব্যিক সৌন্দৰ্যৰ সমাৱেশ ঘটোৱাৰ কাৰণে আৰু নীতি আদৰ্শৰ প্ৰতি জনতাৰ দৃষ্টি আকৰ্ষণ কৰোতাৰূপে অসমীয়া সাহিত্যৰ বুৰঞ্জীত স্মৰণীয় হৈ ৰ'ব। অসমীয়া সাহিত্য-আকাশত মহাপুৰুষ শংকৰদেৱ এটা উজ্জ্বল নক্ষত্ৰ হৈ চিৰদিন জিলিকি থাকিব। ❋

ছাত্ৰ এজনৰ অধ্যয়নৰ বাবে দৈহিক স্বাস্থ্যৰ একান্তই প্ৰয়োজন আৰু শাৰীৰিক ব্যায়াম বা শ্ৰম উভয়ৰ বাবেই প্ৰয়োজনীয়। পৰিশ্ৰম সৰ্বজয়ী বোলা কথাষাৰ সকলোতে খাটে। বিদ্যাৰ পথ সকলোৰে বাবে খোলা থাকে। কৰ্মশীল ছাত্ৰ এজনে অতিক্ৰম কৰিব নোৱাৰা বাধা একো নাথাকে।

—ছেমুৱেল স্মাইলছ

প্ৰবন্ধ

# ড° ভবেন্দ্ৰ নাথ শইকীয়া আৰু তেওঁৰ কৃতি

ভনিতা দেৱী
স্নাতক, দ্বিতীয় বৰ্ষ

*মই সুপ্ত শীতল গ্ৰহ*
*হোৱাতকৈ এটা*
*উজ্জ্বল উল্কা হ'ম,*
*আৰু সেই উল্কাৰ*
*প্ৰতিটো কণা দীপ্ত*
*হৈ থাকিব।..........মই*
*কেৱল বাচি থাকিবলৈ*
*সময় নষ্ট নকৰোঁ।*
*সেইখিনি সময়*
*মই কামত লগাম।*

সাহিত্য জগতৰ এটি প্ৰথিতযশা নাম ড° ভবেন্দ্ৰ নাথ শইকীয়া; নামেই যাৰ পৰিচয়। অকল অসমবাসীৰে নহয়, সমগ্ৰ পৃথিবীবাসী যেন তেখেতৰ নামৰ লগত পৰিচিত। তেখেত এগৰাকী বহুমুখী প্ৰতিভাশালী মেধাপুৰুষ, বুদ্ধিজীৱী, সৃষ্টিশীল সাহিত্যিক আছিল। সাহিত্যৰ ক্ষেত্ৰতে নহয়, সৃজনীশীল যিকোনো কৰ্মতে তেখেতৰ আছিল অপৰিসীম দখল। তথাপি সাহিত্য-শিল্প আছিল তেখেতৰ জীৱনৰ উশাহ-নিশাহ। দৰ্শক আৰু পাঠক সৃষ্টি দুয়োটা মাধ্যমতে তেওঁৰ অৱদান আছিল তুলনাবিহীন। সুদীৰ্ঘকাল বাণীৰ সাধনা কৰি ড° শইকীয়াই অসমীয়া জাতীয় জীৱন, ভাষা-সাহিত্য-সংস্কৃতি সমৃদ্ধ কৰিছিল। অসমীয়া সাহিত্যৰ ইতিহাসত তেখেতৰ নাম সোণালী আখৰেৰে যুগমীয়া হৈ থাকিব। অসমক তেখেতে গভীৰভাৱে ভাল পাইছিল আৰু নিৰৱচ্ছিন্ন সাধনাৰে অসমৰ জাতীয় জীৱনৰ লগত তেওঁ নিজৰ জীৱন একাত্ম কৰি তুলিছিল।

এই বিশ্ববৰেণ্য মহান ব্যক্তিগৰাকী ১৯৩২ চনৰ ২০ ফেব্ৰুৱাৰীত নগাঁৱত জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতৃ বিদুৰ কুমাৰ শইকীয়া আৰু মাতৃ আছিল চম্পাবালা শইকীয়া।

ড° শইকীয়াই ১৯৪৮ চনত নগাঁও চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত ষ্টাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ১৯৫২ চনত কটন কলেজৰ পৰা পদাৰ্থ বিজ্ঞানত সন্মানসহ দ্বিতীয় শ্ৰেণীত বি এছ চি পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫৫-৫৬ চনত কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা পদাৰ্থ বিজ্ঞানত দ্বিতীয় শ্ৰেণীসহ এম এছ চি পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৬১ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা ইলেক্ট্ৰন ডিফ্ৰেকশ্যন শীৰ্ষক গৱেষণাপত্ৰৰ বাবে পি এইচ ডি ডিগ্ৰী লাভ কৰে। ১৯৬১ চনত লণ্ডনৰ ইম্পিৰিয়েল কলেজৰ পৰা বিজ্ঞান আৰু প্ৰযুক্তিত ডিপ্ল'মা লাভ কৰিছিল।

মৃত্যুৰ আগলৈকে তেওঁ কাৰ্য্যনিৰ্বাহ কৰা পদসমূহ ঃ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ উপাধ্যক্ষ, মাহেকীয়া শিশু আলোচনী 'সঁফুৰা'ৰ সম্পাদক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আঞ্চলিক ভাষাৰ পাঠ্যপুথি প্ৰণয়ন সমন্বয় সমিতিৰ সচিব, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ ৰীডাৰ, ৰেলৱে সেৱা আয়োগ, গুৱাহাটীৰ অধ্যক্ষৰ লগতে 'প্ৰান্তিক'ৰ (পষেকীয়া আলোচনী) মুখ্য সম্পাদক আছিল।

অন্যান্য পদবী ঃ সংগীত-নাটক অকাডেমী, ভাৰতীয় সাহিত্য অকাডেমীৰ কাৰ্যবাহী আৰু সাধাৰণ পৰিষদৰ সদস্য আছিল।

ইউনেস্ক'ৰ লগত সহযোগিতাৰ বাবে গঠিত ভাৰতীয় ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য আছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য আছিল।

জ্যোতি চিত্ৰবন (ফিল্ম ষ্টুডিঅ') ছ'চাইটিৰ অধ্যক্ষ।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ উপদেষ্টা সমিতিৰ সদস্য।

অসম ৰাজ্যিক চলচ্চিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগম লিমিটেডৰ অধ্যক্ষ।

ডিমাপুৰৰ উঃ পূঃ মণ্ডল সাংস্কৃতিক কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সদস্য।

কলিকতাৰ পূব মণ্ডল কালচাৰেল চেন্টাৰৰ পৰিচালনা সমিতিৰ সদস্য।

গুৱাহাটী বিশ্ববিদ্যালয় কৰ্টৰ সদস্য।

পুণেৰ ভাৰতীয় ফিল্ম টেলিভিছন ইনষ্টিটিউত ছ'চাইটিৰ সদস্য।

নতুন দিল্লীৰ নেশ্যনেল বুক ট্ৰাষ্ট অৱ ইণ্ডিয়াৰ বোৰ্ড অৱ ট্ৰাষ্টীৰ সদস্য।

ড° ভবেন্দ্ৰ নাথ শইকীয়া ১৯৬৫ চনত প্ৰীতি শইকীয়াৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। তেওঁ দুটি কন্যা সন্তানৰ (সংগীতা আৰু ৰশ্মি) পিতৃ আছিল।

ৰাজ্যৰ এগৰাকী প্ৰথম শ্ৰেণীৰ লেখক হিচাপেও স্বীকৃত। ২০০১ চনৰ জানুৱাৰী মাহলৈকে প্ৰকাশিত গ্ৰন্থৰ সংখ্যা ২৯ খন আছিল। ড° শইকীয়াৰ বহু ৰচনা ইংৰাজী, বাংলা, হিন্দী, তেলেগু, মালায়ালম, মাৰাঠী, গুজৰাটী আদি ভাষালৈ অনূদিত হৈছে।

**প্ৰকাশিত গল্প সংকলনসমূহ ঃ** প্ৰহৰী (১৯৬৩), গহ্বৰ (১৯৬৯), বৃন্দাবন (১৯৬৯), সেন্দুৰ (১৯৭০), ভবেন্দ্ৰ নাথ শইকীয়াৰ শ্ৰেষ্ঠ গল্প (১৯৭৩), শৃংখল (১৯৭৫), তৰংগ (১৯৭৯), এই বন্দৰৰ আবেলি (১৯৮৮), আকাশ (১৯৮৮), উপকণ্ঠ (১৯৯২), সান্ধ্যভ্ৰমণ (১৯৯৮) আদি।

**উপন্যাস ঃ** আতংকৰ শেষত (১৯৬২), অন্তৰীপ (১৯৮৬), ৰম্যভূমি (১৯৯১) আদি।

**প্ৰবন্ধ সংকলন ঃ** শেষ পৃষ্ঠা (১ম খণ্ড ১৯৯৭), শেষ পৃষ্ঠা (২য় খণ্ড ১৯৯৮), শেষ পৃষ্ঠা (৩য় খণ্ড ১৯৯৯)

**শিশু সাহিত্য ঃ** মৰমৰ দেউতা (উপন্যাস ১৯৯১), শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট (নাটক ১৯৯৬)

**আত্মজীৱনী ঃ** জীৱন বৃত্ত (১৯৯৯)

**ভ্ৰাম্যমান মঞ্চৰ নাট্যসম্ভাৰ ঃ** ৰামধেনু, অন্ধকূপ, বন্দীশাল, মণিকূট, নীলকণ্ঠ, অমৃত, জন্মভূমি, দীনবন্ধু, প্ৰতিবিম্ব, গধূলি, গহ্বৰ, মহাৰণ্য, ৰম্যভূমি, শতাব্দী ইত্যাদি।

**অনাতাঁৰ নাট ঃ** আকাশবাণীৰ বাবে ভালেসংখ্যক নাটক ৰচনা কৰিছিল। তাৰে ভিতৰত উল্লেখযোগ্য হ'ল— কোলাহল, দুৰ্ভিক্ষ, ইতিহাস আদি। নাটকেইখন আকাশবাণীয়ে ৰাষ্ট্ৰীয় নাট হিচাপেও সম্প্ৰচাৰ কৰে। কোলাহল নাটখন বিদেশী কেন্দ্ৰৰ পৰা সম্প্ৰচাৰৰ বাবে মনোনীত হয়।

**চলচ্চিত্ৰ পৰিচালনা আৰু চিত্ৰনাট্য ৰচনা ঃ** ড° শইকীয়াই সাতখন অসমীয়া আৰু এখন হিন্দী ছবি পৰিচালনা কৰে। সন্ধ্যাৰাগ (১৯৭৮), অনিৰ্বাণ (১৯৮১), অগ্নিস্নান (১৯৮৫), কোলাহল (১৯৮৮), সাৰথি (১৯৯২) আৱৰ্তন (১৯৯৪), ইতিহাস (১৯৯৬), আৰু কালসন্ধ্যা (হিন্দী)।

**তেওঁ লাভ কৰা বঁটাসমূহ ঃ** ১৯৭৫ চনত সাহিত্য অকাডেমী বঁটা, ১৯৭৩ চনত অসম প্ৰকাশন পৰিষদৰ বঁটা, ১৯৭৮ চনত সন্ধ্যাৰাগ ছবিৰ বাবে ৰজত কমল বঁটা লাভ কৰে। ১৯৮১ চনত অনিৰ্বাণ চলচ্চিত্ৰৰ বাবে ভাৰত চৰকাৰৰ পৰা ৰজত কমল বঁটা লাভ কৰিছিল। ২০০১ চনত জানুৱাৰীত ভাৰত চৰকাৰৰ পদ্মশ্ৰী বঁটাৰেও তেওঁ সন্মানিত হৈছিল।

ড° শইকীয়াৰ ২০০৩ চনৰ ১৪ আগষ্টৰ দিনা ৰাতিপুৱা ১০ বজাত গুৱাহাটী নিউৰ'লজিকেল ৰিচাৰ্ছ চেন্টাৰত দেহাৱসান ঘটে।

সূক্ষ্মাতিসূক্ষ্ম পৰ্যবেক্ষণৰ বাবে খ্যাতিমান গল্পকাৰ, ঔপন্যাসিক, জনপ্ৰিয় নাট্যকাৰ, মননশীল চলচ্চিত্ৰ নিৰ্মাতা আৰু সময়ানুৱৰ্তিতাৰ বাবে প্ৰসিদ্ধ ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ বিয়োগৰ লগে লগে অন্ত পৰিল অসমীয়া সাহিত্য-সংস্কৃতিৰ এক উজ্জ্বল অধ্যায়ৰ।

❋ ❋ ❋

প্ৰবন্ধ

# ভবেন্দ্ৰ নাথ শইকীয়াৰ পৱিত্ৰ সোঁৱৰণত

**পৰমেশ্বৰ পাটোৱাৰী**
স্নাতক, দ্বিতীয় বৰ্ষ

এক বৰ্ণিল ব্যক্তিত্বৰ অধিকাৰী ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ জীৱন-বৃত্তই সামৰি লৈছিল সাহিত্য সংস্কৃতি আৰু প্ৰজ্ঞাৰ বিভিন্ন দিশ। ১৯৩২ চনৰ ২০ ফেব্ৰুৱাৰীত নগাঁৱত জন্মগ্ৰহণ কৰা সু-সাহিত্যিকগৰাকীয়ে ১৯৪৮ চনত ষ্টাৰ মাৰ্ক আৰু তিনিটা বিষয়ত লেটাৰ নম্বৰসহ মেট্ৰিকুলেচন পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫০ চনত তেওঁ প্ৰথম বিভাগত ইণ্টাৰমিডিয়েট (বিজ্ঞান) পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫২ চনত পদাৰ্থ বিজ্ঞানত অনাৰ্ছসহ কটন কলেজৰ পৰা বি-এছ-চি পাছ কৰে। তাৰ পিছত তেওঁ কলিকতাৰ প্ৰেছিডেঞ্চি কলেজৰ পৰা ১৯৫৫-৫৬ চনত পদাৰ্থ বিজ্ঞানত এম. এছ. চি পাছ কৰে। ১৯৬১ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা 'ইলেকট্ৰন ডিফ্ৰেকছন' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে তেওঁ পি এইচ ডি ডিগ্ৰী লাভ কৰে। তেওঁ লণ্ডনৰ ইম্পিৰিয়েল কলেজৰো ডিপ্লমাপ্ৰাপ্ত। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত পদাৰ্থ বিজ্ঞান বিভাগৰ ৰিডাৰ আৰু শেষত কেইবাবছৰো তাত এগৰাকী বিষয়া হিচাপে নিযুক্তি লাভ কৰিছিল। তেওঁ ৰেলৱে বোৰ্ডকে ধৰি আন ভালেমান বিভাগত গুৰুত্বপূৰ্ণ পদবীধাৰী আছিল। তেওঁ সাহিত্য অকাডেমীৰ সদস্য আৰু সংগীত-নাটক অকাডেমীৰো সদস্য আছিল। ড° শইকীয়াই শিশু আলোচনী "সঁফুৰাৰ" সম্পাদক আৰু "প্ৰান্তিক" আলোচনীৰ মুখ্য সম্পাদকৰ দায়িত্ব পালন কৰি তেওঁ ভাষা-সাহিত্য জগতলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে।

ড° শইকীয়াই গল্পকাৰ আৰু ঔপন্যাসিক হিচাপে যথেষ্ট খ্যাতি অৰ্জন কৰে। তেওঁৰ প্ৰথম গল্পটো ছপা হয় নগাওঁ গৱৰ্ণমেণ্ট স্কুলৰ "উদয়" আলোচনীৰ পাতত। গল্পটোৰ নাম "পথ নিৰূপণ।" ২০০০ চনলৈকে তেওঁৰ ২৫ খন পুথি প্ৰকাশিত হয়। ইয়াৰ ভিতৰত "শৃঙ্খল" (১৯৭৩) নামৰ প্ৰখ্যাত গল্প পুথিখনে অসমলৈ ১৯৭৬ চনৰ সাহিত্য অকাডেমী বঁটা কঢ়িয়াই আনিছে। 'শৃঙ্খল' তেওঁৰ সাহিত্যিক জীৱনৰ উল্লেখযোগ্য সৃষ্টি। ইয়াৰ উপৰি তেওঁৰ আন কেইখনমান গ্ৰন্থ— 'সেন্দুৰ', 'গহ্বৰ', 'প্ৰহৰী', 'বৃন্দাবন', 'তৰঙ্গ', 'বানপ্ৰস্থ', 'অন্তৰীপ' আদি অন্যতম সু-সাহিত্য হিচাপে পৰিগণিত হৈছে। তেওঁৰ ভালেসংখ্যক গল্প ইংৰাজী, বঙালী, হিন্দী, তেলুগু, মালয়ালম, মাৰাঠী, গুজৰাটী আদি ভাষালৈ অনূদিত হৈছে।

১৯৮১ চনত বংগীয় সাহিত্য পৰিষদে হৰনাথ ঘোষ মেডেলেৰে তেখেতক সন্মানিত কৰে। আৰু ১৯৭৩ চনত 'সেন্দুৰ' গল্পগ্ৰন্থৰ বাবে অসম প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰে। ১৯৯০ চনত তেওঁক অসম উপত্যকা সাহিত্য বঁটা প্ৰদান কৰা হয়।

মঞ্চ নাটৰ ৰচক হিচাপে ড° শইকীয়াৰ খ্যাতি অপৰিসীম। তেওঁ ভ্ৰাম্যমান থিয়েটাৰৰ বাবে ২৫ খনৰো অধিক নাট ৰচনা কৰে। কেৱল 'আৱাহন' থিয়েটাৰ'ৰ বাবে ২৪ খন নাটৰ অৱদান আগবঢ়ায়।

ড° ভবেন্দ্ৰ নাথ শইকীয়াই ৰেডিঅ' নাট্যকাৰ হিচাপে যথেষ্ট খ্যাতি অৰ্জন কৰে। তেওঁৰ নাট "কোলাহল", 'দুৰ্ভিক্ষ আৰু ইতিহাস'ক অল ইণ্ডিয়া ৰেডিঅ'ৰ ৰাষ্ট্ৰীয় নাট হিচাপে প্ৰচাৰ কৰিছিল। 'কোলাহল' বিদেশৰ কেন্দ্ৰৰ পৰাও প্ৰচাৰ কৰা হৈছিল।

ড° শইকীয়া অসমীয়া চলচ্চিত্ৰ জগতৰো এজন খ্যাতিমান পৰিচালক। তেওঁৰ প্ৰত্যেকখন বোলছবিয়ে ৰুচি আৰু কলাসন্মত। 'সন্ধ্যাৰাগ', 'অনিৰ্বাণ' আৰু 'অগ্নিস্নান' বোলছবিয়ে সাৰ্থক আৰু জনসাধাৰণৰ দ্বাৰা প্ৰভূত সমাদৃত।

ড° শইকীয়াৰ কেইখনমান ছবিৰ সংক্ষিপ্ত পৰিচিতি আগবঢ়োৱা হ'ল—

**সন্ধ্যাৰাগ** ঃ ১৯৬৭ চনত ৰচিত 'বানপ্ৰস্থ' গল্পৰ অৱলম্বনত ইয়াৰ কাহিনী প্ৰস্তুত কৰা হৈছে। এইখন ছবিয়ে ১৯৭৭ চনৰ ৫ আগষ্টত মুক্তি লাভ কৰে। ছবিখনে লাভ কৰা সন্মানসমূহ হ'ল— শ্ৰেষ্ঠ অসমীয়া ভাষাৰ ছবিৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ বঁটা "ৰজত কমল"। ভাৰতীয় পোনাৰামালৈ নিৰ্বাচিত হয়। ১৯৭৮ চনত মাদ্ৰাজত (চেন্নাই) অনুষ্ঠিত ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত (তৃতীয় ফিল্মোৎসৱ) প্ৰদৰ্শিত, কাৰ্লভী ভেৰী

আন্তঃ ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱত ভাৰতৰ হৈ প্ৰতিনিধিত্ব (১৯৭৮)। স্পেইনৰ ভালাড' লিড চলচ্চিত্ৰ মহোৎসৱত অন্তৰ্ভুক্ত।

**অনিৰ্বাণ ঃ** এই ছবিখনে ১৯৮১ চনৰ ৬ ফেব্ৰুৱাৰীত মুক্তি লাভ কৰে। ছবিখন শ্ৰেষ্ঠ অসমীয়া ভাষাৰ ছবিৰ ৰাষ্ট্ৰীয় বঁটা 'ৰজত কমল' লাভ কৰে।

**অগ্নিস্নান ঃ** 'অন্তৰীপ' উপন্যাসৰ কাহিনীৰ আধাৰত ৰচিত এই ছবিখনে ১৯৮৫ চনৰ ২৭ ডিচেম্বৰত মুক্তি লাভ কৰে। এইখন ছবিৰ বাবে ড° ভবেন্দ্ৰ নাথ শইকীয়ালৈ দেশৰ শ্ৰেষ্ঠ চিত্ৰ নাট্যকাৰৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হয়। শ্ৰেষ্ঠ অসমীয়া ভাষাৰ ছবিৰ ৰাষ্ট্ৰীয় বঁটা ৰজত কমল আৰু ভাৰতীয় পেনোৰামালৈ নিৰ্বাচিত হয়। ফ্ৰান্সৰ NANTES চলচ্চিত্ৰ মহোৎসৱত, উত্তৰ কোৰিয়াৰ Pyongyang চলচ্চিত্ৰ মহোৎসৱত আৰু আলজিৰিয়াৰ স্বাধীনতা জয়ন্তীত অন্তৰ্ভুক্ত কৰা হয়।

**কোলাহল ঃ** ১৯৬৯ চনত ৰচিত 'এন্দুৰ' গল্পৰ অৱলম্বনত এই ছবিখন নিৰ্মাণ কৰা হয়। আৰু ১৯৮১ চনৰ ৩ নবেম্বৰত দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় সম্প্ৰচাৰত প্ৰদৰ্শন হয়।

ছবিখনে শ্ৰেষ্ঠ অসমীয়া ভাষাৰ ছবিৰ ৰাষ্ট্ৰীয় বঁটা ৰজত কমল লাভ কৰাৰ লগতে ভাৰতীয় পেনোৰামালৈ নিৰ্বাচিত হয় আৰু ১৯৮৮-৮৯ চনৰ ছিডনী, মিউনিখ, মস্কো, মন্ট্ৰিল আৰু টৰন্টো চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শন কৰা হয়।

**সাৰথি ঃ** ১৯৯২ চনৰ ২৯ মে' তাৰিখে মুক্তি লাভ কৰা এই ছবিখন শইকীয়াদেৱৰ ১৯৭৫ চনত ৰচিত "ফাউণ্ডেচন" গল্পৰ অৱলম্বনত নিৰ্মাণ কৰা হয়। এইখন ছবিয়ে লাভ কৰা সন্মানসমূহ হ'ল— শ্ৰেষ্ঠ অসমীয়া ভাষাৰ ছবিৰ ৰাষ্ট্ৰীয় বঁটা "ৰজত কমল", ভাৰতীয় পেনোৰামালৈ নিৰ্বাচিত আৰু ১৯৯২ চনত বাংগালোৰত অনুষ্ঠিত ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত।

**আৱৰ্তন ঃ** দূৰদৰ্শনযোগে ১৯৯৪ চনত মুক্তি লাভ কৰা আৱৰ্তন ছবিখনে শ্ৰেষ্ঠ অসমীয়া ভাষাৰ ছবিৰ ৰাষ্ট্ৰীয় বঁটা "ৰজত কমল" সন্মান পোৱাৰ লগতে ভাৰতীয় পেনোৰামাৰ বাবে নিৰ্বাচিত হয় আৰু ১৯৯৪ চনৰ কলকাতাত অনুষ্ঠিত ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শন কৰা হয়।

**ইতিহাস ঃ** ১৯৯৬ চনৰ ৫ জানুৱাৰীত মুক্তি পোৱা এই ছবিখন ড° শইকীয়াদেৱৰ ১৯৭৫ চনত ৰচিত "বৰ্ণনা" গল্পৰ অৱলম্বনত নিৰ্মাণ কৰা হয়। ছবিখনে শ্ৰেষ্ঠ অসমীয়া ভাষাৰ ছবিৰ ৰাষ্ট্ৰীয় বঁটা ৰজত কমল লাভ কৰে আৰু ভাৰতীয় পেনোৰামাৰ বাবে নিৰ্বাচিত হয়।

**কালসন্ধ্যা ঃ** কালসন্ধ্যা হ'ল ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ ১৯৯৭ চনত নিৰ্মিত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বিকাশ নিগমৰ দ্বাৰা প্ৰয়োজিত এখন হিন্দী কথাছবি।

স্মৰণযোগ্য যে ১৯৯৮ চনৰ পৰা দুৰাৰোগ্য কৰ্কট ৰোগত ভুগি থকা ড° শইকীয়াই মৃত্যুৰ লগত যুঁজ কৰিছিল অক্লান্তভাৱে। শেষত ১৩ আগষ্ট ২০০৩ তাৰিখে তেখেতে অসমবাসীক কন্দুৱাই চিৰবিদায় মাগিলে।

অসমীয়া সাহিত্যৰ ইতিহাসতো তেওঁৰ নাম যুগমীয়া হৈ থাকিব। অসমীয়া সাহিত্যৰ জীৱন্ত কিংবদন্তি ড° শইকীয়াই অসমীয়া সাহিত্যক অতিশয় ওখ স্থানলৈ লৈ গৈছে। উল্লেখযোগ্য যে অসমীয়া সাহিত্যধৰ্মী আলোচনী 'গৰয়সী'য়ে চলোৱা এক সমীক্ষাত ড° শইকীয়াক বিংশ শতিকাৰ ২১ গৰাকী মহান অসমীয়া ব্যক্তিৰ অন্যতম বুলি বিবেচিত কৰা হৈছে। অসমীয়া সাহিত্য আৰু সমাজ-জীৱনত যি শূন্যতাৰ সৃষ্টি হ'ল সেয়া সহজে পূৰণ কৰা সম্ভৱ নহয়।

ড° ভবেন্দ্ৰ নাথ শইকীয়াই অসমীয়া গল্পলৈ আনিছিল নতুন আধুনিক মাত্ৰা, নাট্য আন্দোলনলৈ আনিছিল এক অনন্য মননশীলতা, চলচ্চিত্ৰলৈ আনিছিল কাহিনীকেন্দ্ৰিক পৰীক্ষা-নিৰীক্ষাৰ এক নতুন অধ্যায়। সেইজন ভবেন্দ্ৰ নাথ শইকীয়া কেৱল এজন গণবিচ্ছিন্ন স্ৰষ্টা নাছিল, তেওঁ আছিল জনমত সংগঠক, গণকাৰ্যসূচীৰো ৰূপকাৰ। শংকৰদেৱ কলাক্ষেত্ৰই তেওঁৰ নেতৃত্বতেই প্ৰাণৱন্ত হৈ উঠিল। পুৰস্কাৰবোৰৰ পৰা পোৱা ধনেৰে ন্যাস এটা কৰি তেওঁ সেই ন্যাসৰ তৰফৰ পৰা গঢ়িছিল ড° ভবেন্দ্ৰ নাথ শইকীয়া শিশু প্ৰকল্প। এক মুহূৰ্তও অবাবত ব্যয় নকৰা ড° শইকীয়াই এক কঠোৰ নিয়মানুৱৰ্তিতাৰ মাজেদি আজীৱন সৃষ্টি-সাধনা অব্যাহত ৰাখিছিল। জাতীয় জীৱনক এজন এজনকৈ যুগজয়ী শ্ৰষ্টাসকলে উকা কৰি গৈছে। এই সময়ত ড° শইকীয়াৰ দৰে দিকদ্ৰষ্টাৰ প্ৰয়োজন আটাইতকৈ বেছি আছিল, কিন্তু কালৰ গতিত কলংপাৰত আৰম্ভ কৰা জীৱনটোৱে আজি লুইতৰ দুয়োপাৰ উকা কৰিলে। ❋

# যুগনায়ক ছাৰ ছাদুল্লা

**মতিউৰ ৰহমান**
উঃ মাঃ, দ্বিতীয় বৰ্ষ

স্বাধীন ভাৰতৰ সংবিধান প্ৰণেতাসকলৰ এজন আছিল ছাৰ চৈয়দ ছাদুল্লা। ছাৰ চৈয়দ ছাদুল্লা— এইজনা মহান ব্যক্তিৰ নাম আমাৰ সকলোৰে জ্ঞাত। সংবিধান প্ৰণেতা এইজনা চাহাবৰ জন্ম হৈছিল সাম্ৰাজ্যবাদী বৃটিছে অসম দখল কৰাৰ তিনিকুৰি বছৰৰ পাছত, অৰ্থাৎ ১৮৮৪ চনৰ ২১ মে তাৰিখে গুৱাহাটীৰ লাখটকীয়াত। পিতৃৰ নাম চৈয়দ মহম্মদ তৈয়বুল্লা। তেওঁ স্থানীয় সোণাৰাম হাইস্কুলত ফাৰ্চী বিভাগৰ শিক্ষক আছিল। এই শিক্ষকজনৰে দ্বিতীয় সন্তান আছিল ছাদুল্লা। তেওঁৰ পিতৃও আছিল এজন ন্যায়পৰায়ণ আৰু ধাৰ্মিক লোক।

ছাদুল্লাই ঘৰুৱাভাৱে ধৰ্মীয় শিক্ষা নিজৰ পিতৃৰ পৰা লাভ কৰিছিল। স্কুলীয়া শিক্ষা লৈছিল কটন কলেজিয়েট স্কুলত, উচ্চ শিক্ষাৰ কেন্দ্ৰ আছিল কটন কলেজ, প্ৰেছিডেন্সী কলেজ আৰু কলিকতা বিশ্ববিদ্যালয়। উল্লেখ্য যে কটন কলেজৰ প্ৰথম মুছলিম ছাত্ৰ আৰু স্নাতকধাৰী। তেওঁ ৰসায়ন বিভাগত এম এছ চি আৰু বি এল ডিগ্ৰী লাভ কৰিছিল। কৰ্মজীৱন আৰম্ভ হৈছিল এজন শিক্ষক হিচাপে; পাছত কটন কলেজৰ ৰসায়ন বিভাগৰ এচিষ্টেন্ট লেকচাৰাৰ পদত যোগদান কৰে। তাৰ পাছত উক্ত পদ ত্যাগ কৰি প্ৰথমতে গুৱাহাটীত এডভোকেট হিচাপে আৰু ১৯২০ চনৰ পৰা ২৪ চনলৈ কলিকতা হাই ক'টত ওকালতি কৰিছিল। তেওঁৰ কৰ্মৰাজি কেৱল এইখিনিতে সীমাবদ্ধ নাছিল। বৰং ১৯১৯ চনত গুৱাহাটী পৌৰসভাৰ সভাপতিও নিৰ্বাচিত হয়। প্ৰায় একে সময়তে অসম ব্যৱস্থাপক সভাৰ সদস্য মনোনীত হৈছিল।

১৯২৪ চনত ছাদুল্লাই অসমৰ গৱৰ্ণৰ ছাৰ জন হেনৰী কৰাৰ আমন্ত্ৰণমৰ্মে মন্ত্ৰীপদ লাভ কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁৰ পত্নী মফিজুন্নিছাৰ মৃত্যুত মৰ্মান্তিক বেদনা পায়। যাৰ বাবে তেওঁ পুনৰ বিবাহ পাশত আৱদ্ধ হোৱা নাছিল। ১৯২৮ চনত প্ৰশাসনীয় দক্ষতাৰ কাৰণে নাইটহুড' সন্মানেৰে তেওঁক সন্মানিত কৰা হৈছিল। উল্লেখনীয় যে তেওঁ ১৯১৩ চনৰ পৰা অসমৰ ৰাজনীতিত অতি সক্ৰিয় আছিল। তেওঁ এজন মুছলিম লীগৰ নেতা। ১৯৩৭ চনৰ পৰা ১৯৪৬ চনলৈকে কিছুদিন বাদ দি প্ৰায় ৭ বছৰ কাল অসমত প্ৰধান মন্ত্ৰী পদত থাকি কাৰ্যনিৰ্বাহ চলাইছিল। তাৰ পাছত ১৯৪৬ চনৰ পৰা ১৯৫১ চনলৈকে তেওঁ অসম বিধান সভাৰ বিৰোধী পক্ষৰ নেতা, লগতে ভাৰতৰ সাংবিধান পৰিষদৰ সদস্য আছিল।

ভাৰতে স্বাধীনতা লাভ আৰু দেশ বিভাজনৰ পাছত ছাদুল্লা চাহাবে মুছলিম লীগ ত্যাগ কৰি কংগ্ৰেছ দলত যোগদান কৰিছিল। কিন্তু মত বিৰোধ হোৱা হেতু কিছুদিনৰ পাছত উক্ত দলৰ পৰা বিদায় লয়। ১৯৫২ চনত হোৱা সাধাৰণ নিৰ্বাচনত তেওঁ স্বাধীন প্ৰাৰ্থী হিচাপে মনোনয়ন পত্ৰ দাখিল। কিন্তু মনোনয়ন পত্ৰ নাকচ হোৱাৰ কাৰণে তেওঁ নিৰ্বাচনত অৱতীৰ্ণ হ'ব নোৱাৰিলে। তেতিয়াৰ পৰা তেওঁ ৰাজনৈতিক আৰু ৰাজহুৱা জীৱনৰ পৰা কাৰ্যতঃ অৱসৰ ল'লে।

সি যিয়ে নহওক যে ছাদুল্লা চাহাবক তেওঁৰ প্ৰশাসনীয় দক্ষতাৰ কাৰণে জিন্নাই পাকিস্তানৰ গৱৰ্ণৰ পদ যাচি নিমন্ত্ৰণ কৰিছিল। তেওঁ উক্ত পদ নাকচ কৰি এনেদৰে কৈছিল— "বোপা-ককায়ে যি ঠাইত হাড় পেলালে তেওঁ সেই ঠাই এৰি কলৈকো যাব নোৱাৰোঁ।"

ৰাজনীতিৰ পৰা অৱসৰ লোৱাৰ পাছত ছাদুল্লা চাহাবে কিছুদিন কলিকতা হাইক'টত ওকালতি কৰিছিল। কিন্তু বয়স বৃদ্ধি হোৱাৰ বাবে ভাগৰুৱা হৈছিল আৰু বিশ্ৰাম লোৱাৰ বাবে পুনৰ ঘৰলৈ ঘূৰি আহিছিল। ৭০ বছৰ অতিক্ৰম কৰাৰ পাছত অৰ্থাৎ ১৯৫৫ চনত ৮ জানুৱাৰীত এইজনা মহান যুগনায়কৰ মৃত্যু হয়।

অসম তথা ভাৰতৰ ৰাজনৈতিক মঞ্চত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা, জনজীৱনৰ সকলো দিশতে প্ৰায় অৰ্ধশতিকা কাল ধৰি উন্নত শিৰে বিচৰণ কৰা ছাৰ চৈয়দ মহম্মদ ছাদুল্লাৰ মৃত্যুৰ লগে লগে ৰাজনৈতিক আৰু সামাজিক জগতখনৰ পৰা এটা উজ্জ্বল নক্ষত্ৰ চিৰদিনৰ কাৰণে যেন নিৰ্বাপিত হৈ গ'ল। ❀

প্ৰবন্ধ

# নলিনীবালা দেৱীৰ কাব্য-প্ৰতিভা

ঝৰ্ণা দাস
স্নাতক, তৃতীয় বৰ্ষ

আই ধৰিত্ৰীৰ সহিষ্ণুতা আৰু ধৰ্যৰ সমস্ত মহিমাৰে মহিমান্বিতা নলিনীবালা দেৱী অসমৰ কাব্য-সাহিত্য জগতৰ এটি চিৰ সেউজীয়া নাম। নলিনীবালাই মুধময়ী ছন্দবীণা লৈ কবিতাৰ মন্দাকিনী ধাৰা অসমৰ বুকুলৈ নমাই আনি তাৰ ঝঙ্কাৰেৰে অসমৰ সুপ্ত বুকুত সুৰৰ কঁপনি তুলিছিল। এইগৰাকী মহীয়সীৰ জন্ম হয় ১৮৯৮ চনত। তেখেতৰ পিতৃ স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী পুৰুষ অসীম সাহসৰ প্ৰতীক, কৰ্মযোগী কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আৰু মাতৃ হেমন্ত কুমাৰী দেৱী। সেই দিনত এতিয়াৰ দৰে ছোৱালীৰ পঢ়া-শুনাৰ কাৰণে কোনো মুকলি পৰিৱেশ নাছিল। দেউতাকৰ প্ৰবল আগ্ৰহতে ঘৰতেই তেখেতে সু-সাহিত্যিক সংস্কৃত পণ্ডিত গোপালকৃষ্ণদেৱৰ তত্বাৱধানত শিক্ষা গ্ৰহণ কৰিছিল। গোপালকৃষ্ণদেৱৰ পিছত শিক্ষক নিশিকান্ত সেন আৰু যজ্ঞেশ্বৰ বৰুৱাও নলিনীবালা দেৱীক শিক্ষাদান কৰিছিল।

১৯০৯ চনত মাত্ৰ এঘাৰ বছৰ বয়সতে শিৱসাগৰৰ জীৱেশ্বৰ চাংকাকতিৰ লগত নলিনীবালা দেৱীৰ বিয়া হয়। কিন্তু বিবাহিত জীৱনৰ সোণবুলীয়া আঠোটি বছৰ পিছতে তেখেতৰ স্বচ্ছন্দ জীৱনধাৰাত যতি পৰে। নলিনীবালা দেৱীৰ জীৱন-ফলিকাত লিখা আছিল অসীম ব্যথা-বেদনা, মৰ্মন্তুদ আঘাত। সেয়েহে পাঁচোটা সন্তানৰ মাতৃ নলিনীবালাই মাত্ৰ ১৯ বছৰ বয়সতেই বৈধব্যৰ অভিশাপৰ বিপুল বেদনা লৈ পিতৃ গৃহত আশ্ৰয় ল'ব লগা হয়। তাৰ পাছতো কনিষ্ঠ পুত্ৰ পুতলী আৰু মাজু পুত্ৰ পৱিত্ৰক অকালতে চিৰদিনৰ বাবে হেৰুৱাই অসীম আঘাতত জৰ্জৰিতা হৈ পৰে। পিতৃৰ সান্ত্বনা বাণীকে সাৰোগত কৰি কাব্যজগতত একান্তভাবে মনোনিৱেশ কৰে আৰু সমাজসেৱাক জীৱনৰ ব্ৰতৰূপে গ্ৰহণ কৰে।

১৯০৮ চনৰ পৰাই নলিনীবালা দেৱীয়ে সাহিত্য-জীৱনৰ পাতনি মেলিছিল তেখেতৰ 'পিতা' আৰু 'সন্ধ্যা' নামৰ কবিতা দুটিৰে। 'আলোচনী' নামৰ ডিব্ৰুগড়ৰ পৰা প্ৰকাশ পোৱা মাহেকীয়া কাকতত কবিতা দুটি প্ৰকাশ পাইছিল। মাত্ৰ দহ বছৰ বয়সতে লিখা কবিতা দুটিয়ে নলিনীবালা দেৱীলৈ গোটেই অসমৰ ৰাইজৰ আশীৰ্বাদ কঢ়িয়াই আনিছিল। অৱশ্যে স্বামীৰ অকাল বিয়োগৰ পিছতহে তেখেতে সাহিত্য জগতত গভীৰভাৱে মনোনিৱেশ কৰিছিল।

নলিনীবালা দেৱীৰ কাব্য-চিন্তাত বাস্তৱ জীৱনৰ নিষ্ঠুৰ অভিজ্ঞতাসমূহৰ লগতে সেই সময়ৰ ভাৰতৰ জাতীয়তাবাদী ভাবধাৰায়ো যথেষ্ট সমল যোগাইছে। ১৯২৮ চনত তেখেতৰ প্ৰথম কবিতা পুথি 'সন্ধিয়াৰ সুৰ' প্ৰকাশ পায়। এই পুথিখনত সন্নিৱিষ্ট প্ৰত্যেকটি কবিতাৰে সুৰ আছিল সন্ধ্যা-ৰাগিনীৰ দৰে কৰুণ। তেখেতৰ শোক আৰু দুখেৰে ভৰপূৰ জীৱনৰ অন্তৰৰ পৰা নিগৰি বৈ অহা বেদনাৰ ছবি 'সন্ধিয়াৰ সুৰ'ত প্ৰতিফলিত হৈছে।

নলিনীবালা দেৱীয়ে তেখেতৰ 'সপোনৰ সুৰ' পুথিখনি প্ৰকাশ কৰি উলিয়াবলৈ প্ৰেৰণা পাইছিল প্ৰধানতঃ কলিকতাত পঢ়ি থকা যোৰহাটৰ দুজন ছাত্ৰৰ পৰা। তেওঁলোকে কবিজনাৰ ওচৰলৈ আহি তেখেতৰ দ্বাৰা ৰচিত অপ্ৰকাশিত কবিতাবিলাক, এখনি কবিতাৰ পুথি প্ৰকাশ কৰিবৰ কাৰণে তেওঁলোকক দিবলৈ অনুৰোধ কৰিলে। সেই সময়ত কলিকতাত সৃষ্টি হোৱা নানান অশান্তিকৰ পৰিৱেশৰ মাজতো 'সপোনৰ সুৰ' প্ৰকাশ হৈ ওলায়। পিছত গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতক মহলাৰ পাঠ্যপুথি স্বৰূপে 'সপোনৰ সুৰ'ক আদৰণি জনালে। তেখেতৰ কাপৰ পৰা নিগৰি ওলোৱা তৃতীয় কবিতাপুথি 'পৰশমণি'কো গুৱাহাটী বিশ্ববিদ্যালয়ে আই এ শ্ৰেণীৰ পাঠ্যপুথিৰূপে মনোনীত কৰে।

নলিনীবালা দেৱীয়ে ১৯৫৮ চনত শ্রীকৃষ্ণ, ব্যাস, বাল্মীকি আদিক সুঁৱৰি কেইবাটাও কবিতা লিখি 'যুগদেৱতা' পুথিখন প্রকাশ কৰি উলিয়ায়। 'জাগৃতি' তেখেতৰ দ্বাৰা ৰচিত পঞ্চম কবিতাপুথি। 'জাগৃতি'ত লিখা বেছিভাগ কবিতাই আছিল দেশপ্রেমমূলক। 'অলকানন্দা' তেখেতৰ ষষ্ঠ কবিতাপুথি। গতানুগতিকভাৱে বিভিন্ন সময়ত লিখা কিছুমান কবিতা প্রকাশ পাইছে 'অলকানন্দা'ত। এই পুথিখনে ১৯৬৮ চনত তেখেতলৈ সাহিত্য একাডেমী বঁটাৰ সন্মান কঢ়িয়াই আনে।

নলিনীবালা দেৱীয়ে দেউতাক স্বনামধন্য নবীন চন্দ্র বৰদলৈৰ মহান তথা আদর্শপূর্ণ জীৱনটিক লৈ এখনি জীৱনী গ্রন্থ ৰচনা কৰে। এই গ্রন্থখন 'স্মৃতিতীর্থ' নামেৰে প্রকাশ কৰি তেখেতে অসমীয়া সাহিত্য ভঁৰাললৈ এক আপুৰুগীয়া সম্পদ দান কৰে। চর্দাৰ বল্লভ ভাই পেটেল, 'বিশ্বদীপা' আদি জীৱনী গ্রন্থৰ উপৰি ভালেমান শিশু নাটিকা, অনাতাঁৰ নাটিকা, প্রবন্ধ পুথি ৰচনা কৰি তেখেতে অসমীয়া সাহিত্যক চহকী কৰে। ১৯৫৪ চনত যোৰহাটত বহা অসম সাহিত্য সভাৰ ত্রয়োবিংশতিম অধিৱেশনত তেখেতে সভানেত্রীৰ পদ অলংকৃত কৰে। সেই বছৰতেই তেখেতে ভাৰত চৰকাৰৰ পৰাও সাহিত্য বৃত্তি লাভ কৰে। ১৯৫৫ চনৰ ২৬ জানুৱাৰীত দিল্লীত অনুষ্ঠিত হোৱা সর্বভাৰতীয় কবি সন্মিলনলৈ আমন্ত্রিত হয় আৰু তেখেতে স্বৰচিত কবিতা পাঠ কৰি ভূয়সী প্রশংসা লাভ কৰে। সাহিত্য সাধনা আৰু নিস্বার্থ সমাজসেৱাৰ স্বীকৃতি প্রদান কৰি তেখেতক ভাৰত চৰকাৰে পদ্মশ্রী উপাধিৰে বিভূষিতা কৰে।

কবি নলিনীবালা দেৱী আধ্যাত্মিক জগতত সুন্দৰৰ সন্ধান কৰিছিল। বাস্তৱ জীৱনত 'জনমভূমি'ৰ প্রতি থকা অপৰিসীম শ্রদ্ধা তথা প্রেম-প্রীতিকো ওজস্বী ভাষাৰে মানুহৰ অন্তৰ পৰশি য়োৱাকৈ প্রকাশ কৰিছে।

কবিৰ সপোনৰ সুৰ গ্রন্থৰ সর্বশ্রেষ্ঠ কবিতা 'নাটঘৰ'। ই যেন কবিৰ বেদনাময় বুকুত নিৰাশ বীণত বাজি উঠা এটি সকৰুণ ঝঙ্কাৰ। বিশ্বৰ ৰংগমঞ্চত জনমে জনমে বিভিন্ন ৰূপত ভাও দি অন্ত নপৰা জীৱনৰ ব্যথা-বেদনাৰ বিৰাট হুমুনিয়াহ কবিৰ বুকুৰেদি যেন এইদৰে ওলাই আহিছে—

কোন কাৰ জগতৰ কোন কাৰ মৰমৰ
চকুৰ চিনাকি মাথোঁ দুদিনৰ
সসীমৰ ৰূপ-তৃষ্ণা অসীমত বুৰ যাব
খহি গ'লে জৰী মৰমৰ।

নলিনীবালা দেৱীৰ কবিতাসমূহৰ মাজত সুন্দৰৰ অপৰূপ সৌন্দর্যৰ মূর্ত প্রকাশ ঘটিছে। কবিজনাই সেই সৌন্দর্যৰ মাজত বুৰ গৈ অনন্ত কাল তেওঁৰ সন্ধানতে ব্যাকুল হৈছে। এইজনা মহীময়ী কবি নলিনীবালা দেৱীয়ে ১৯৭৭ চনৰ ২৪ ডিচেম্বৰ তাৰিখে ইহলীলা সম্বৰণ কৰে। কবিজনাই জীৱনৰ প্রতিটো মুহূর্ততে সংগ্রাম কৰি অৱশেষত অনন্তজনৰ চৰণতে মিলি যাবলৈ প্রয়াস কৰিছিল। অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল অধিক উজ্জ্বল আৰু চহকী কৰাত কবিজনাৰ অৱদান অতুলনীয়। ❊

যিকোনো কার্যতে সুকলমে সম্পাদন কৰিবৰ বাবে মনোযোগ, অধ্যৱসায়, নির্ভুলতা, শুদ্ধ পদ্ধতি, সময়ানুৱর্তিতা আৰু দক্ষতা হ'ল প্রয়োজনীয় প্রধান গুণ।

—ছেমুৱেল স্মাইল্‌ছ

# কল্পনা চাওলা আৰু ভাৰত

আখতাৰ হুছেইন
স্নাতক, প্ৰথম বৰ্ষ

**'নাছা'** (NASA) নামটো কিবা আচহুৱা যেন লাগিলেও ইয়াৰ মাজত সোমাই আছে গভীৰ ৰহস্য। ইয়াৰ বিষয়ে জানিবলৈ হয়তো আগ্ৰহী বহুত কম ওলাব। 'নাছা'ৰ সৈতে ওতপ্ৰোতভাৱে জড়িত থকা ব্যক্তিগৰাকী হৈছে ভাৰত কন্যা কল্পনা। কল্পনা চাওলা, নামটোৱেই হয়তো বহুত অৰ্থ কঢ়িয়াই আনে। আমেৰিকা ভ্ৰমণ কৰা কল্পনা, চুইজাৰলেণ্ডত মাটি কিনা, মহাকাশত ভ্ৰমণ কৰা কল্পনা ইত্যাদি বহুত কল্পনা। পিছে এই কল্পনা মাটি কিনা, ভ্ৰমণ কৰা এই অৰ্থ কঢ়িয়াই নানে। আনে মাথোঁ কিছু শিহৰণ ভৱিষ্যতৰ ৰঙীণ সপোন, অতীতৰ স্মৃতি। সেই কল্পনাই হ'ল মহাকাশত ভ্ৰমণ কৰা প্ৰথম ভাৰতীয় মহিলা মহাকাশচাৰী। দুবাৰকৈ মহাকাশ ভ্ৰমণৰ সুযোগ লাভ কৰিছিল কল্পনা চাওলাই। ই সমগ্ৰ ভাৰতৰ বাবে সঁচাকৈ গৌৰৱ। আমাৰ গৌৰৱ যদিও কিছু বেদনাও জাপি দিছে আমাৰ ওপৰত। সেয়ে হ'ল দ্বিতীয়বাৰ মহাকাশ ভ্ৰমণত ভাৰতবাসীয়ে নেদেখিলে কল্পনাৰ মহাকাশ জয়ৰ মধুৰ হাঁহি, নিয়তিৰ বুকুত চিৰদিনৰ বাবে নিশ্চিহ্ন হৈ গ'ল কল্পনা, হেৰাই গ'ল ভৱিষ্যতৰ সপোন।

১৯৬৬ চনৰ ১ জুলাইত হাৰিয়ানাৰ এখন সৰু চহৰত জন্ম লৈছিল কল্পনাই। দেউতাক আছিল জেদী মানুহ। তেওঁ শিক্ষা আৰু জেদৰ বলত কাৰো সহায় নোহোৱাকৈ টায়াৰ কাৰখানাত টায়াৰ প্ৰস্তুত কৰি উলিয়াইছিল। চাৰিটা সন্তানৰ ভিতৰত কনিষ্ঠ কল্পনাৰ মাক-দেউতাকে হয়তো বিচাৰিছিল পুত্ৰ সন্তান। তথাপি অৱহেলা কৰা নাছিল, কল্পনাক পুত্ৰসম জ্ঞান কৰিছিল। স্থানীয় টেগোৰ বিদ্যালয়ত পাতনি মেলিছিল মাধ্যমিক শিক্ষা। কল্পনা মিন্টু নামেৰেও পৰিচিত আছিল। ১৯৭৬ চনত কল্পনাই চণ্ডীগড়ৰ পাঞ্জাব ইঞ্জিনিয়াৰিং কলেজত নামভৰ্তি কৰে, আৰু এৰনেটিকেল বিভাগত অন্তৰ্ভুক্ত হয়। স্নাতক শিক্ষা লৈয়ে কল্পনা ৰাওনা হয় আমেৰিকালৈ। তাতেই টেক্সাছ বিশ্ববিদ্যালয়ৰ পৰা এয়াৰ স্পেচ ইঞ্জিনিয়াৰিঙত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তাৰ মাজতে কল্পনাই লৈছিল উৰণ সম্পৰ্কীয় প্ৰশিক্ষণ। আমেৰিকাত থকা কালত কল্পনাই জেন পীয়েৰ হেৰিছনৰ সৈতে বিবাহ পাশত আবদ্ধ হয় আৰু আমেৰিকাৰ নাগৰিকত্ব গ্ৰহণ কৰে।

ৰাকেশ শৰ্মা যেনেকৈ ভাৰতৰ প্ৰথম মহাকাশচাৰী তেনেকৈ কল্পনা চাওলা ভাৰতৰ প্ৰথম মহিলা মহাকাশচাৰী। প্ৰায় ৩০০০ খন প্ৰ-পত্ৰৰ মাজৰ পৰা নিৰ্বাচিত হয় কল্পনা।

১৯ নবেম্বৰ ১৯৯৭ চন। কল্পনা চাওলা সহিতে ৬ মহাকাশচাৰী কঢ়িয়াই যাত্ৰাৰ পাতনি মেলিলো। তেওঁলোকৰ অধ্যয়নৰ মূল বিষয় আছিল সৌৰপৃষ্ঠ আৰু সূক্ষ্ম মহাকৰ্ষণৰ বিস্তৃত অধ্যয়ন। এওঁলোকে যাত্ৰা কৰিছিল সুবিশাল কলম্বিয়া নামৰ মহাকাশ যানেৰে। মহাকাশত বিস্তৃত অধ্যয়নৰ অন্তত ওভতনি যাত্ৰা কৰিলে ( ডিচেম্বৰত সন্ধিয়া ৬ বাজি ৪০ মিনিটত। মহাকাশত কটোৱা সময়খিনিত মহাকাশত সংস্থাপন কৰিব বিছাৰিছিল আন্তৰ্জাতিক মহাকাশ আস্থান। ইয়াৰ নাম হ'ল স্পাৰ্টাণ ই হ'ল এটা ক্ষুদ্ৰ উপগ্ৰহ। ইয়াক চলোৱাৰ দায়িত্ব আছিল কল্পনাৰ। দুৰ্ভাগ্যবশতঃ ইয়াক মহাকাশত সংযোগ কৰাৰ পিছত বিজুতি ঘটিল। ২২ নৱেম্বৰত ইয়াক বাতিল কৰা হয়। অৱশ্যে সংযোগ বাতিল হয় যদিও অব্যাহত আছিল স্পাৰ্টাণক সক্ৰিয় কৰা কাৰ্য। সেই অনুসৰি ২৫ নৱেম্বৰত কলম্বিয়াৰ দুজন সদস্য আমেৰিকাৰ উইনষ্টন আৰু জাপানৰ টাকাও দয়ে মহাকাশত খোজ দিবলৈ সক্ষম হয়।

১৬ জানুৱাৰী ২০০৩ চন। সমগ্ৰ ভাৰতবাসীৰ বাবে সঁচাকৈ গৌৰৱ, সপোনৰ অগোচৰ। পুনৰ মহাকাশ যাত্ৰাৰ সুযোগ আহিল। এইবাৰ কল্পনা সহিতে মুঠ সাতজন

যাত্ৰীসহ উৰা মাৰিলে পুনৰ একেখন কলম্বিয়াৰে। তেওঁলোক সাতজন হ'ল— কমাণ্ডাৰ ৰিক হাচবেণ্ড (৪৫), টেক্সাছৰ এমাৰিল বায়ুসেনাৰ এজন কৰ্ণেল। কলম্বিয়াৰ কমাণ্ডাৰ কল্পনা ছাওলা (৪২), কলম্বিয়াৰ মিছন স্পেচিয়েলিষ্ট। ইলান ৰামন (৪৮) ইজৰাইল বায়ুসেনাৰ এজন কৰ্ণেল। উল্লেখ্য যে ৰামন ইজৰাইলৰ প্ৰথম মহাকাশচাৰী। লৰেন ক্লাৰ্ক (৪১), নৌবাহিনীৰ ডুবাৰু, স্বাস্থ্য বিষয়া আৰু উৰণ শৈল চিকিৎসক। পেলোড কমাণ্ডাৰ মাইকেল এণ্ডাৰছন (৪৩) দলটোৰ সদস্য। পাইলট উইলিয়াম মেককুল (৪১) টেক্সাছৰ লুব্বকৰ নৌবাহিনীৰ কমাণ্ডাৰ। ডেভিদ ব্ৰাউন (৪৬) নৌবাহিনীৰ কেপ্টেইন, পাইলট আৰু চিকিৎসক। এইবাৰ অধ্যয়নৰ বিষয় আছিল কেঞ্চাৰ ৰোগৰ প্ৰতিকাৰ, ভাৰশূন্য অৱস্থাত হৃদযন্ত্ৰ, হাওঁফাওঁ আৰু স্নায়ুতন্ত্ৰৰ কামৰ ওপৰত। ভবা মতেই কাম, সন্মুখত অলেখ সপোন সাবটি লৈ মহাকাশলৈ উৰা মাৰিলে।

এক ফেব্ৰুৱাৰী। মহাকাশত সকলো পৰীক্ষা-নিৰীক্ষা চলাই বিষয়বস্তুৰ ওপৰত বিস্তৃত অধ্যয়ন কৰি পৃথিৱীৰ বুকুলৈ ঢাপলি মাৰিলে। মিছন স্পেচিয়েলিষ্ট কল্পনা চাওলা আৰু কমাণ্ডাৰ ৰিক হাজবেণ্ড নিয়োজিত আছিল কম্পিউটাৰ সংযুক্ত পৰীক্ষাত ব্যস্ত। বাকী কেইজন অন্যান্য পৰীক্ষাত ব্যস্ত আছিল। ১৬ টা দিন সগৰ্বে মহাকাশত কটোৱাৰ পিছত উৎসাহ-উদ্দীপনাৰে ভৰি পৰিল। সমগ্ৰ বিশ্ববাসী ৰৈ আছিল মহাকাশযাত্ৰীৰ ৰঙিয়াল মুখৰ হাঁহি চাবলৈ। প্ৰতি ছেকেণ্ডত ১৫০ নটিকেল মাইল গতিবেগেৰে ঘন্টাত ১২,৫০০ মাইল বেগত গতি কৰি আছিল। পৃথিৱীৰ মাটি স্পৰ্শ কৰিবলৈ মাত্ৰ ৬৩ কিল'মিটাৰ বাকী। এক প্ৰচণ্ড বিস্ফোৰণ, শেষ হৈ গ'ল সকলো সপোন, সকলো বাস্তৱ। পৃথিৱীবাসীৰ ওপৰত সম্পূৰ্ণ চেঁচাপানী পৰিল। আকাশ-বতাহ মুহূৰ্ততে কঁপি উঠিল। ছেকেণ্ডতে আকাশ-বতাহ সকলো কঁপাই চূৰ্ণ-বিচূৰ্ণ হৈ গ'ল কলম্বিয়া। কল্পনা ছাওলা সহিতে সাতজন মহাকাশযাত্ৰী নিয়তিৰ গৰ্ভত চিৰদিনৰ বাবে পোত খাই গ'ল। নিশ্চিহ্ন হৈ গ'ল কলম্বিয়া। হেৰাই গ'ল অতীতৰ স্মৃতি, হেৰাই গ'ল ভৱিষ্যতৰ সোণালী সপোন, হেৰাই গ'ল সকলো অধ্যয়নৰ তথ্য, হেৰাই গ'ল আমাৰ শ্ৰদ্ধাৰ কল্পনা, মৰমৰ কল্পনা। গোটেই বিশ্বই হাহাকাৰ কৰি উঠিল, ভৰি পৰিল শোকৰ ছাঁ।

নাছাৰ তথ্য মতে হঠাৎ কলম্বিয়াত বিস্ফোৰণৰ শব্দ শুনা গ'ল। মুহূৰ্ততে বিচ্ছিন্ন হ'ল সকলো যোগাযোগ, প্ৰথমে ধ্বনি সংযোগ তাৰ পিছত সকলো শেষ। ছেকেণ্ডত চূৰ্ণকৃত হ'ল কলম্বিয়া। মধ্য টেক্সাছ আৰু ডালাছত ভস্মীভূত দেহৰ সিঁচৰিত অংগ। উল্লেখ্যযোগ্য যে মহাকাশযান কলম্বিয়া ২২ বছৰ পুৰণি আছিল।

ভাৰতৰ দুহিতা কল্পনা চাওলা সহিতে সাতজনৰ মৃত্যুৰ বাতৰিৰ লগে লগে গোটেই বিশ্বত কান্দোনৰ ৰোল উঠিল— ভাৰতত বিভিন্ন ঠাইত পূজা-পাতাল আয়োজন কৰিলে। ঠায়ে ঠায়ে সৰ্বধৰ্ম প্ৰাৰ্থনা আয়োজন কৰিলে যাতে বিদেহী আত্মাই চিৰশান্তি লাভ কৰে। আমাৰ গৌৰৱ কল্পনা যি অতীতৰ গৰ্ভত হেৰাল, তেনেকুৱা দ্বিতীয়জন কল্পনাৰ সোনকালে আৱিষ্কাৰ হওঁক। আমিও আশা ৰাখিছো দ্বিতীয়জন কল্পনাই আমাৰ দেশলৈ সগৌৰৱ কঢ়িয়াই আনক। ভাৰত কন্যা সহিতে গোটেই সাতজনলৈ আমাৰ তৰফৰ পৰা সশ্ৰদ্ধ প্ৰণাম আৰু অশ্ৰু অঞ্জলি জ্ঞাপন কৰিলো। ❋

> সৰ্বোচ্চ বৌদ্ধিক অনুশীলনৰ বাবেও দৈহিক শ্ৰম অতি প্ৰয়োজনীয়। অধ্যয়নে মনৰ উৎকৰ্ষ ঘটোৱাদি শ্ৰমেও শৰীৰটোৰ উন্নতি সাধে।
>
> —ছেমুৱেল স্মাইলছ

# কালধুমুহা

জুৰি কাকতি
স্নাতক, ২য় বৰ্ষ

ফাগুন মাহ। চিৰ সেউজীয়া প্ৰকৃতিয়ে এতিয়া পুৰণি পাত এৰি নতুনৰ অপেক্ষাত। দুৰণিৰ কুলিৰ মৌ বৰষা মাতে সকলোৰে দেহ-মন ৰোমাঞ্চিত কৰে। তেনে এটি দিনতে আজি মনমীৰ বিয়া। মনমীৰ এই বিয়াত মত নাই। কাৰণ তাই আন এজনক হিয়া দান কৰিছে।

মাক-দেউতাক আৰু এজন ভায়েকৰ মাজত ডাঙৰ হোৱা মনমী আছিল চঞ্চলা। তাইৰ দেহত যৌৱনৰ জোৱাৰে কেতিয়া যে ৰং সানিলে তাই গমকে নাপালে। তাইৰ সেই ৰূপ-যৌৱনৰ প্ৰতি আকৰ্ষিত হৈছিল গাঁৱৰে অৰ্ণৱ নামৰ যুৱকজন। সি কিন্তু ধনীৰ দুলাল নাছিল। সি মনমীতকৈ এটা শ্ৰেণী ওপৰত পঢ়িছিল। মনমী আৰু অৰ্ণৱ সৰুৰে পৰা একেলগে খেল-ধেমালি কৰি ডাঙৰ হৈছে। সি সৰুৰে পৰা মনমীক বহুত ভাল পায়। হয়তো তেতিয়া সি গম পোৱা নাছিল সেয়াই যে প্ৰেম।

এদিন আবেলি অৰ্ণৱে মনমীক বাটত লগ পাই, ধেমালি কৰি চাবৰ মনেৰে ক'লে— বাঃ আজি খুব ধুনীয়া লাগিছে দেই। গাল দুখন একেবাৰে পকা বিলাহী যেন ৰঙা হৈছে। অৰ্ণৱৰ কথা শুনি মনমী খং আৰু লাজত ৰঙা পৰি গ'ল। আৰু তাক খুব বেয়াকৈ কথা শুনাই দিলে। তেতিয়াৰ পৰা দুয়োৰো মাত-বোল বন্ধ। অৰ্ণৱে মনমীহঁতৰ ঘৰলৈ নোযোৱা হ'ল। অৰ্ণৱ সিহঁতৰ ঘৰলৈ নহা বাবে মনমীৰ মনটো কিবা উৰুঙা উৰুঙা লগা হ'ল। তাই ভাবিলে তাৰমানে তাই অৰ্ণৱক ভাল পাই পেলাইছে নেকি! তেন্তে কিয় তাক ইমান বেয়াকৈ কৈ দিলে। তাই অনুতাপত দগ্ধ হ'ল। শেষত মনমীয়ে ঠিক কৰিলে তাই তাক ক্ষমা খুজিব। ইফালে অৰ্ণৱে জ্বলি-পুৰি মৰিব ধৰিছে। কেনেকৈ বাৰু বুজাব মনমীক সি কিমান যে ভাল পায়। অপ্ৰকাশ্য বেদনাই হয়তো তাক পাগল কৰি দিব।

— অৰ্ণৱ? এদিন তাই বাটত অৰ্ণৱক লগ পাই মাত দিলে। অৰ্ণৱে কিন্তু নুশুনা ভাও জুৰি যাব খুজিছিল তাই বাট আগভেটি ধৰিলে।

— অৰ্ণৱ, সেইদিনা তেনেকৈ কোৱা বাবে বেয়া পাইছা নহয়? মোক ক্ষমা কৰি দিয়া অৰ্ণৱদা।

— নাই, নাই, তোক মই বেয়া পোৱা নাই আচলতে মোৰেই ভুল। মই তোক তেনেকৈ ক'ব নালাগিছিল। কাৰণ তহঁত হৈছ ধনী ঘৰৰ ছোৱালী। পাৰ যদি তই মোক ক্ষমা কৰি দিবি। অৰ্ণৱে ক্ষোভেৰে কথাষাৰ ক'লে।

তাৰ কথা শুনি তাই কান্দি দিলে। তাৰ পাছত তাক আকৌ ক'লে— অৰ্ণৱ, তুমিতো মোৰ স্বভাৱটো জানাই, খং উঠিলে মই কি কৰো নিজেই নাজানো। তুমি মোক ক্ষমা কৰি দিয়া অৰ্ণৱ।

— মনমী, ইয়াত তোৰটো কোনো ভুল নাই যে তোক মই ক্ষমা কৰি দিব লাগে।

— নহয় অৰ্ণৱ, তুমি মোক ক্ষমা কৰি দিবই লাগিব তাই ক'লে।

— বাৰু, তোক মই ক্ষমা কৰিলো। এতিয়া যা, গধূলি হৈছে। এই বুলি কৈ সি ঘৰলৈ গুচি গ'ল।

সেইদিনাৰ পৰা সিহঁত দুয়ো আকৌ আগৰ দৰে হাঁহি-ধেমালি কৰিব ধৰিলে। ইফালে অৰ্ণৱৰ মেট্ৰিক পৰীক্ষা আহিছে। তাৰ ওপৰতে স্কুলখনৰ ভৰষা। সি আগতকৈয়ো বেছি জোৰ দি পঢ়িব ধৰিলে। এদিন সি অংকত লেটাৰসহ প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিলে। সি ওচৰৰে এখন কলেজত নাম ভৰ্তি কৰিলে। সি মাজে-সময়ে আহি মনমীক দুই-এটা অংক শিকাই দিয়ে। দুয়ো দুয়োৰো গোপন প্ৰেমত উটি-ভাঁহি ফুৰিছে। কিন্তু প্ৰকাশ কৰিব পৰা নাই।

এদিন অৰ্ণৱে মনমীক সুধিলে— মনমী, তই বাৰু কাৰোবাক ভাল পাৱ নেকি?

— তুমি পোৱানে? তাই ওলোটাই প্ৰশ্ন কৰিলে।

— অ, মই এজনী ছোৱালীক ভাল পাওঁ, ইমান ধুনীয়া তাই।

তাৰ কথা শুনি তাইৰ মুখখন ক'লা পৰি গ'ল। তাৰ মানে অৰ্ণৱে কাৰোবাক ভাল পায়। তাইতো ভাবিছিল সি তাইকহে ভাল পায়। কিন্তু..........

— মনমী, কি ভাবি আছা? অৰ্ণৱৰ মাতত তাই চক খাই উঠিল।

— নাই, বাৰু অৰ্ণৱ তুমি বাৰু কাক ভাল পোৱা? কি নাম তাইৰ?

— মই কাক ভাল পাওঁ জানা? ম-ম-ই তোক ভাল পাওঁ মনমী।

তাৰ কথা শুনি তাই তলমূৰকৈ বহি থাকিল। অৰ্ণৱৰ খুব বেয়া লাগিল। মনমীয়ে হয়তো তাক বেয়া পাইছে। সেয়ে সি মনমীক ক'লে— মনমী তই মোক বেয়া পাইছ নহয়? আচলতে তোক মই সৰুৰে পৰা ভাল পাওঁ। তোৰ মন যদি নাই মই জোৰ নকৰোঁ। মোক ক্ষমা কৰি দিবি মনমী।

— তেনেকৈ নক'বা অৰ্ণৱ। ময়ো তোমাকে ভাল পাওঁ অৰ্ণৱ।

এইদৰে সিহঁতৰ অকৃত্ৰিম সম্পৰ্ক সু-গভীৰ হ'ল। সি মনমীৰ ইমান ওচৰ চাপিছিল যে শেষত দুয়ো বিচ্ছিন্ন নহ'বলৈ প্ৰতিশ্ৰুতিবদ্ধ হ'ল। মনমীয়ে সদায় গধূলি অৰ্ণৱ আহিব বুলি অধীৰ অপেক্ষাৰে বাট চাই থাকে। সি নাহিলেও তাইৰ মন অশান্ত হৈ পৰে আৰু আহিলেও তাই লাজত আদৰ-মালতী যেন হৈ পৰে। দুয়ো মাজে-সময়ে নদীৰ পাৰত বহি প্ৰেমালাপত মগ্ন হয়। এদিন বহি থাকোতে নীলা আকাশত উৰি যোৱা কপৌযুৰি দেখি মনমীয়ে মুগ্ধ হৈ চাই অৰ্ণৱক কৈছিল—

— আমাৰো জীৱন এনেকুৱা মধুৰ হ'বনে অৰ্ণৱ? সি একো নকৈ চাই ৰৈছিল মাথোঁ শূন্য আকাশখনলৈ। নীৰৱতাই হেনো কেতিয়াবা বহু কথা কৈ পেলায়। বহু সময়ৰ মূৰত অৰ্ণৱে তাইক সুধিলে—

— মনমী, তই বাৰু মোক কিমান ভাল পাৱ?

— অৰ্ণৱ, মই তোমাক কিমান ভাল পাওঁ নাজানো, কিন্তু জানো তোমাৰ অবিহনে মই জীয়াই থাকিব নোৱাৰোঁ।

— মই তোক কিমান ভাল পাওঁ জানা? এই নীলা আকাশখনৰ বিশালতা যিমান, সাগৰৰ গভীৰতা যিমান তাতোকৈয়ো বেছি ভাল পাওঁ তোক।

— মোক এৰি নাযাবা দেই অৰ্ণৱ। মনমীয়ে ক'লে।

— যদি মই মৰি যাওঁ তেতিয়া? সি তাইৰ খং উঠাবলৈ ক'লে।

— অৰ্ণৱ তেনেকৈ নক'বা দেই। নহ'লে মই এতিয়াই মৰি..........। তাই তাক সাবটি ধৰি কান্দি দিলে। তাই তাৰ বুকুৰ মাজত সোমাই কান্দি কান্দি ক'লে..........।

— এনেকৈ কেতিয়াও নক'বা অৰ্ণৱ। তুমিতো জানাই মই তোমাক এৰি থাকিব নোৱাৰোঁ।

— ধেৎ, আঁকৰী মই জানো এতিয়াই মৰিম। মই ধেমালিহে কৰিছো। এতিয়া ব'ল। গধূলি হ'ল।

মনমীও মেট্ৰিক পাছ কৰি সেইখন কলেজতে নাম লগালে। দুয়ো কলেজলৈ একেলগে অহা-যোৱা কৰে। এনেকৈয়ে দুয়ো দুয়োৰে বহু ওচৰ চাপি আহিছিল। সিহঁত দুয়ো স্নাতকৰ ছাত্ৰ-ছাত্ৰী। এদিন মনমীৰ মাকে তাইৰ কিতাপৰ মাজত অৰ্ণৱে দিয়া চিঠি এখন পালে।

— মনমী, এইখন কাৰ চিঠি? মাকে তাইক সুধিলে, তাই মনে মনে থাকিল। তাইৰ ভয়ো লাগিছে। কি ক'ব এতিয়া তাই! তাই মনে মনে থকা দেখি মাকে ধমক দি সুধিলে— মনমী, মই কি সুধিছো? এইখন তোক কোনে দিছে? নিশ্চয় অৰ্ণৱে দিছে। অৱশ্যে মই বু-বা কৈ শুনিছো। কিন্তু আজি মই বিশ্বাস কৰিছো। আমাৰ ছোৱালী হৈ তই এইবোৰ..........।

— অ, মই অৰ্ণৱক ভাল পাওঁ। তাৰ বাহিৰে মই আন কাৰো লগত বিয়া নহওঁ। তাই সাহস কৰি মাকৰ আগত কথাখিনি কৈ তাইৰ ৰুমলৈ দৌৰি গ'ল। মাকে খঙতে ৰ'ব নোৱাৰি তাইক খুব মাৰিলে। তাইক কলেজত

যোৰাটো বন্ধ কৰি দিলে। তাইৰ দেউতাকে অৰ্ণৱকো ধমকি দি সিহঁতৰ ঘৰলৈ অহাটো বন্ধ কৰি দিলে। তাই সেইদিনা খুব কান্দিলে। ইফালে অৰ্ণৱে তাইক নেদেখি পাগলৰ দৰে হৈ গৈছে। এনে সময়তে মনমীৰ চহৰৰ ডেকা এজনৰ লগত বিয়া ঠিক কৰিলে।

— মনমীৰ বিয়াৰ কথা গম পাই অৰ্ণৱৰ হিয়াখন দুখেৰে ভৰি পৰিল। সি ঠিক কৰিলে যে সি মনমীহঁতৰ ঘৰলৈ গৈ তাইৰ দেউতাকক সকলো ক'ব। সি মনমীৰ কাৰণে সকলো কৰিব পাৰে।

— অৰ্ণৱে পিছদিনাই মনমীহঁতৰ ঘৰলৈ গ'ল। সি মনমীৰ দেউতাকৰ আগত মনমীক বিয়া কৰোৱাৰ কথা দিলে। মনমীৰ দেউতাকে তাৰ গালত চৰ এটা মাৰি দুখীয়া বুলি ঠাট্টা কৰি তাক ঘৰৰ পৰা খেদি দিলে। শেষত অৰ্ণৱে তাৰ জীৱনলৈ অহা ধুমুহাবোৰ অশেষ কষ্টেৰে মূৰ পাতি ল'লে। কিন্তু মনমীয়ে মানি ল'ব পৰা নাই। শিমলু তুলাৰ দৰে চঞ্চলা মনমী সাগৰৰ দৰে গহীন হ'ল। তাই এই প্ৰস্তাৱৰ প্ৰতি বিদ্ৰোহ কৰিলে। হিয়া উজাৰি কান্দিলে। কিন্তু তাইৰ হিয়া ভঙা বেদনা কোনেও উপলব্ধি নকৰিলে। হয়তো নিয়তিও সিহঁতক প্ৰতাৰণা কৰিলে। সিহঁতৰ মধুৰ জীৱনলৈ এনে কালধুমুহা আহিব, সেই ভাবিয়ে মনমী হোমৰ গুৰিত মূৰ্চ্ছা গ'ল। দুখন হৃদয় বিচ্ছিন্ন হ'ল সঁচা। কিন্তু সিহঁতৰ প্ৰেমৰ সাক্ষী হৈ ৰ'ল নীলা আকাশখন আৰু সিহঁতক গোপনে আশ্ৰয় দিয়া গছবোৰ। ❋

---

# পঙ্কজৰ পৰাজয়


অনিতা দাস
উঃ মাঃ, ২য় বৰ্ষ


পদুমনি গাঁৱৰ পদুমপাৰাৰ পংকজ পঢ়ে পাতিদৰং কলেজত। পংকজৰ পিতাক পৰমেশ্বৰ পাঠক পাঠশালাৰ পণ্ডিত। পাতিদৰঙতে পঢ়ে পানাৰাৰ পখিলি-প্ৰণীতা। প্ৰণীতাৰ পিতাক পীতাম্বৰ পুৰকায়স্থ পৰমেশ্বৰ পাঠকৰ পুৰণি পাৰ্টনাৰ।

পাতিদৰঙতে প্ৰথম পৰিচয় পংকজ-প্ৰণীতাৰ। প্ৰণীতাৰ প্ৰতিভাৰ পৰিচয় পালে পংকজে প্ৰাচীৰ পত্ৰিকাত প্ৰকাশ পোৱা প্ৰবন্ধৰ পৰাই। পংকজ প্ৰথম পৰিচয়তে প্ৰণীতাৰ প্ৰণয়পাশত পৰিল। পংকজে প্ৰেমৰ প্লাৱন প্ৰকাশ কৰিলে পাৰ্টনাৰ পল্লৱক। পল্লৱ প্ৰেমৰ পৰ্বত পাকৈত। পল্লৱৰ প্ৰবোধ— "পৰিণীতা"ত পাৰ্টি পাত পৰহি।' পাৰ্টিত পৰী-প্ৰকাশ, পলী-পলাশ, প্লাৱিতা-প্ৰবীনহঁতৰ স'তে প্ৰণীতা নাই। পল্লৱৰ পুনৰ প্ৰমিজ— "পাৰ্টি পাত 'পাকিজা'ত"। পুনৰ প্ৰণীতা নাই। পাৰ্টিত পোন্ধৰশমান টকা পানীত পৰাত পংকজৰ পাও পিছলিল।

পিছদিনা পাতিদৰঙতে পংকজে পিংকুৰ দ্বাৰাই প্ৰণীতালৈ প্ৰেমৰ প্ৰস্তাৱ পঠালে। প্ৰেমপত্ৰ প্ৰদানেৰে পংকজ-প্ৰণীতাৰ প্ৰেম পকিল। পাঁচ মাহতে প্ৰণীতাই পংকজৰ পৰা পাঁচ হেজাৰমান টকা লৈ পিংকুৰ স'তে পুঠিমাৰীৰ পেহীয়েকৰ ঘৰলৈ পলাই পত্ৰং। পৰিস্থিতি প্ৰতিকূলত পৰিল। প্ৰণীতাৰ প্ৰকৃত পৰিচয় পাই পংকজ পাগল। প্ৰেমৰ প্ৰতিযোগিতাত পংকজ পৰাজিত। পিছদিনা "পাকিজাত" প্ৰণৱ পল্লৱ, প্ৰকাশ, প্লাৱিতাহঁতৰ আগত পংকজৰ প্ৰমিজ— "প্ৰণীতাৰ প্ৰেম পাহৰি পুংখানুপংখভাৱে পঢ়িম।" ❋

# মদন-কামদেৱত এদিন

গীতাৰাণী দাস
স্নাতক, ১ম বৰ্ষ

১ জানুৱাৰী। ইংৰাজী নৱবৰ্ষ। মদন-কামদেৱ খল-মাখল। বাইহাটা চাৰিআলিৰ ব্যস্ত চ'কটোত শান্তৰ মডাৰ্ণ বুক ষ্টলৰ বাৰাণ্ডাত চকী এখনত বহি নীৰ সোঁতৰ দৰে ভাগি অহা মানুহবোৰৰ ৰেহৰূপ চাই াছে সপোনে। নৱবৰ্ষৰ এই দিনটো আহিলেই সি অসহ্য ন্ত্ৰণা অনুভৱ কৰে। সেয়া স্মৃতিক ফাঁকি দিব নোৱাৰাৰ ন্ত্ৰণা। এই দিনটোত সেইবাবেই নেকি সি দৌৰি আহে শান্তৰ ওচৰলৈ, সুদূৰ শিৱসাগৰৰ পৰা। কত যে স্মৃতি ড়িত হৈ আছে এই দিনটোৰ সতে! এই মদন-কামদেৱ মৰ ঠাইটুকুৰাৰ সতে। সি নীৰৱে আলোচনীখনৰ পাত টিয়াবলৈ ধৰিলে। কিন্তু সি অলপো মনোযোগ দিব াৰাৰিলে। আমনি কৰিলেহি তাক বিস্মৃতাৰ মুখখনে। াৰ অজানিতে মনটোৱে আজুৰি আনিলে বিশ বছৰ াগৰ এখন ছবি। তেতিয়া সি কলেজত। জানুৱাৰী াহিলেই কলেজত পিকনিকৰ ধুম উঠে। হোষ্টেল কনিক, মেজৰ ষ্টাফ পিকনিক, কমন পিকনিক। সেইবাৰ হঁতে কমন পিকনিকৰ বাবে চিলেক্ট কৰিছিল "মদন- মদেৱ"। পংকজ, কিশোৰহঁতে হক চাৰ আৰু তালুকদাৰ ৰকো লগ ধৰিছিল যদিও মেজৰ ষ্টাফ পিকনিকৰ বাবে ক চাৰ শিৱসাগৰলৈ যাব। মানসৰ য়াছিকা কেমেৰাটো, ুলৰ ডেকটো, জয়ন্তৰ টেন্ট হাউচৰ পৰা অনা চকী, ৰপাল, স্ক্ৰীন, ডেইলী বজাৰৰ পৰা অনা মাছ, মাংস, ঠাই সকলো বস্তু বোজাই দি কেণ্টাৰ এখনেৰে যাত্ৰা ৰিছিল। "হক চাৰ আহিলে বিৰাট ভাল গিলহেঁতেন.....' কিশোৰৰ কথাত দীপিকাৰ প্ৰশ্ন— য় নাহিল...........?'

"কিয় মানে হক চাৰৰ মেজৰ ষ্টাফৰ পিকনিক, ৱসাগৰ। চাৰৰ ঘৰৰ ওচৰতে। গতিকে এক গুলীত দুই কাৰ।' অশান্তৰ স্পষ্ট উত্তৰ। ইতিমধ্যে কোনোবা এটাই এৰিলে— 'ঐ চ'কত গাড়ী ৰখাবি। সপোন উঠিব।' সপোনক দেখা পাই আটায়ে সমস্বৰে চিঞৰি উঠিল। সি আগবাঢ়ি আহি পল্লৱৰ কাষত বহি পৰিল। পিচফালে ষাঠি ডিগ্ৰী বেঁকাকৈ চাই পঠালে। পলকতে তাৰ চকু পৰিল নয়নাৰ কাষৰ ছোৱালীজনীৰ ওপৰত। সি নয়নাক মাত দিলে— 'নয়না— ভাল?'

"আবে ঐ মজনু, নয়নাক মাত দিব নালাগে, নয়নাৰ কাষৰজনীকে ডাইৰেক্টলি নামাত কিয়?" অশান্তৰ কথাত সমস্বৰে হাঁহি ৰ ৰোল উঠিল। মণিকাই আগুৱাই আহি তাৰ কাষত চিঞৰিলে— 'সপোন আৰু বিস্মৃতা, ঐ তহঁতে মন কৰিছনে দুয়োটা নামৰ মাজত কিবা এটা আছে?' পিকনিক স্পট পায়েই ৰান্ধনিক যা-যোগাৰ কৰি দি আটায়ে ভাগে-ভাগে আঁতৰি গ'ল। সপোনে অস্থায়ী বিছনাখনতে টাৱেলখন পাৰি শুই শুই আলোচনী এখনৰ পাত লুটিয়াই থাকিল। বিস্মৃতাক তাৰ সঁচাকৈয়ে কিবা এটা ভাল লাগিল। কিবা মৰম লগা ছোৱালী। সি চিগাৰেট এটা জ্বলাই লৈ ডেকত কেছেট এখন ভৰাব খুজিছিলহে, তেনেতে নয়না আৰু বিস্মৃতা ক'ৰবাৰ পৰা আহি তাক মাত লগালে— 'কি কেছেট দিছা?' 'জুবিনৰ শ্ৰদ্ধাঞ্জলি ভল ৱান'। নয়নাই মুখ-হাত ধুবলৈ আঁতৰি যোৱাত বিস্মৃতাই তাৰ ফালে চাই ক'লে— 'জুবিনৰ গান ভাল পোৱা?'

এৰা বিস্মৃতা, তুমি কি পঢ়ি আছা?

একেই, তোমাৰ স'তে।

মোৰ খবৰো ৰাখিছা নেকি?

ঃ সব জানো। মেট্ৰিকত ফাৰ্ষ্ট ডিভিজন, হায়াৰ চেকেণ্ডাৰিত ফাৰ্ষ্ট উইথ লেটাৰ ইন ইকনমিক্‌ছ। এইবাৰো একেই ৰিজাল্ট আশা কৰে সকলোৱে.......

ঃ আৰু তুমি?

ঃ ময়ো। প্ৰতিভাক শ্ৰদ্ধা কৰোঁ।

ঃ আৰু মোক?

ঃ তোমাকো।

ঃ কেৱল শ্ৰদ্ধা?

ঃ য'ত শ্ৰদ্ধা থাকে তাত বহুত কিবা-কিবি থাকে।

ঃ মোৰ স'তে বন্ধুত্ব কৰিবা?

ঃ নিশ্চয়, কিন্তু এটা চৰ্তত।

ঃ কি?

ঃ আমাৰ ঘৰত যাব লাগিব। ফ্ৰী হ'বা মা-দেউতাৰ লগত।

ঃ অৱকৰ্ছ বিস্মৃতা.........

তেনেদৰেই চিনাকি। তাৰ পিছত বন্ধুত্ব। আৰু কেতিয়া দুয়োৰে বন্ধুত্বই প্ৰেমৰ ৰূপ লৈছিল সিহঁতৰ মনত নাই। মাত্ৰ মনত আছে কোনো এটা নৱবৰ্ষত দুয়োৰে আজীৱন সংগী হোৱাৰ প্ৰতিশ্ৰুতি দিছিল মদন-কামদেৱতে।

নদীয়ে কেতিয়া দিশ সলনি কৰে বা মানুহৰ জীৱনত কেতিয়া কেনেকৈ পৰিৱৰ্তন আহে সেয়া স্বয়ং ভগৱানেও ক'ব নোৱাৰে। সপোন আৰু বিস্মৃতাৰ জীৱনলৈয়ো পৰিবৰ্তন আহিছিল। সি সুখ্যাতিৰে এম, এ পাছ কৰি শিৱসাগৰৰ কলেজ এখনত প্ৰবক্তা হিচাপে নিযুক্তি পাইছিল আৰু একমাত্ৰ মাকক লৈ তাতেই থাকিব লৈছিল। আনফালে বিস্মৃতা? প্ৰিভিয়াছ পৰীক্ষাৰ আগে আগে কোনোবা উগ্ৰবাদীৰ বোমা বিস্ফোৰণত মাক-দেউতাকক হেৰুৱাই সৰ্বস্বান্ত হৈছিল। একমাত্ৰ ভায়েক জয়ন্তক লৈ নীৰৱে সমস্ত দায়িত্ব মূৰ পাতি লৈ জীৱন সংগ্ৰামত নামি পৰিছিল। দেউতাকৰ বেংক বেলেঞ্চখিনি উঠাই তাই গুৱাহাটীৰ ফাঁচী বজাৰত কাপোৰৰ দোকান আৰম্ভ কৰিছিল। বিস্মৃতাৰ খবৰ শুনি সপোন পাগলৰ দৰে দৌৰি আহিছিল শিৱসাগৰৰ পৰা আৰু শ্ৰাদ্ধাদি সম্পন্ন কৰালৈকে তাইৰ স'তেই সহযোগ কৰিছিল আৰু তাৰ পিছতেই সি মাকৰ স'তে আলোচনা কৰি বিস্মৃতাৰ আগত প্ৰস্তাৱ দিছিল— 'তুমি অন্য চিন্তা কৰাৰ কোনো প্ৰয়োজন নাই। ব'লা আমি এখন নতুন ঘৰ আৰম্ভ কৰোঁ।' তাৰ প্ৰস্তাৱত অমান্তি হৈ তাই কৈছিল— সপোন, তোমাৰ প্ৰস্তাৱত মই সন্মতি দিব নোৱাৰি মৰ্মান্তিক বেদনা অনুভৱ কৰিছো। জয়ন্তৰ সপোনক মই বাস্তৱায়িত কৰিব লাগিব। তুমি প্লিজ মোলৈ ৰ'ব নালাগে। তুমি বিয়াখন পাতি পেলোৱা।'

তীব্ৰ অভিমানত সি তাইৰ কাষৰ পৰা আঁতৰি আহিছিল। সি থিৰাং কৰিছিল— তাইৰ অবিহনে সি অবিবাহিত হৈয়েই ৰৈ যাব। তথাপি বিস্মৃতাৰ বাহিৰে অন্য এজনী ছোৱালী সি তাৰ জীৱনলৈকে আহিব নিদিয়ে।

মানুহ সদায় অকলশৰীয়া। এয়া এবছলিউটলি ট্ৰুথ। তথাপি মানুহে এক আবেগিক সম্পৰ্কৰ স'তে যুদ্ধ কৰে। কি যে বিচিত্ৰ মানুহৰ মন সি ভাবে। চিগাৰেটৰ জুয়ে আঙুলি স্পৰ্শ কৰাতহে সি বাস্তৱলৈ ঘূৰি আহিল। টুকুৰাটো দলিয়াই দি পুনৰ এটা জ্বলাব ধৰোতেই নিশান্তই কৈ উঠিল— 'ঐ সপোন, ইয়াত চিগাৰেটৰ শ্ৰাদ্ধ পাতিব নালাগে। ৰুমলৈ যা।'

ঃ আৰু তই?

ঃ মই গৈ আছো য়্যাৰ।

কোনো ধৰণৰ আপত্তি নকৰাকৈ সি নীৰৱে তাৰ মাৰুতি জেনখনৰ ড্ৰাইভিং ছিটত বহিলগৈ। ৰাইট ছাইদৰ টাৰ্ণিংটো লৈয়েই তাৰ দৃষ্টিত পৰিল নিশান্তৰ ৰুমৰ সন্মুখত এখন এষ্টিম।

কাৰ বাৰু? নিশান্তৰ কোনোবা আলহী নে সি ৰুমটো সলনি কৰিলে? বিভিন্ন প্ৰশ্নই তাৰ মনত জুমুৰি দি ধৰিলে। সি এষ্টিমখনৰ ঠিক পিছতে তাৰ কাৰখন ৰখালে। ৰুমটোৰ নামফলকখন চাইহে সি নিশ্চিত হ'ল। এখন্তেক সি দুৱাৰমুখত থমকি ৰ'ল।

ভিতৰৰ পৰাই ভাহি আহিছে জুবিনৰ কণ্ঠ—

দূৰে দূৰে থাকিবা কিমান আৰু................

জ্বলাই একুৰা জুই হৃদয়ত।

কলিং বেলত হাত লগালে সি। খন্তেকৰ বাবে মিউজিক ছিষ্টেমটোৰ ভলিউমটো কমি গ'ল আৰু দুৱাৰখন ঘটককৈ খোল খাই গ'ল। কিন্তু দুৱাৰখনৰ সিপাৰে সেয়াচোন বিস্মৃতা। সি নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই। এক মুহূৰ্ত বিস্মৃতাৰ চকুত চকু থৈ চাই ৰ'ল আৰু এটা সময়ত তাৰ অজানিতে সি বিৰবিৰাই উঠিল— বি-স্মৃ-তা তুমি?

ঃ সপোন— আহা ভিতৰলৈ। ভিতৰলৈ সোমাই গৈ চোফাখনত বহি ল'লে। কাৰো মাত-বোল নাই... ক'ত

গানো সি পঢ়িছিল "When heart is full
The words are few."

এটা সময়ত বিস্মৃতাই নীৰৱতা ভংগ কৰিলে—

ঃ নিশান্তক লগ কৰি আহিছানে?

ঃ অ' তুমি কেতিয়া আহিছা?

ঃ পুৱাই। যোৱা সপ্তাহতে সি ফোন কৰিছিল। সিয়েই ক'লে তুমি চিয়ৰ আহিবা।

ঃ তোমাৰ খবৰ কোৱাচোন।

ঃ গুৱাহাটীতে আছো আগৰ দৰে। জয়ন্তও দিল্লীত বিজনেছ আৰম্ভ কৰিছে আৰু তুমি সপোন? তুমি কেনে আছা?

ঃ মই? মোৰ পুৰণা কথাবিলাক তুমিতো জানাই। নতুন খবৰ একো নাই।

ঃ মাৰা কেনে আছে?

ঃ মা বহুদিন আগতেই ঢুকাল। তোমাক.......

ঃ বিয়া?

ঃ তুমি ভাবিব পাৰা নেকি স্মৃতা, তোমাৰ বাহিৰে অন্য এজনীক মোৰ জীৱনলৈ................

ঃ সেয়া মই জানো সপোন। বহুদিন মই তোমাক লগ কৰাৰ কথা নভবা নহয়। আনকি নিশান্তৰ দ্বাৰাই মই তোমাৰ সকলোবোৰ খবৰেই জানি আছো। কিন্তু...........

ঃ কিন্তু কি?

ঃ আমাৰ জানো বিয়াৰ বয়স আছে?

ঃ ধৰি ললো নাই। কিন্তু মই জনাকৈ তুমি এটা নিসংগ জীৱন কটাবা, তুমি জনাকৈয়ে ময়ো নিসংগ জীৱন এটা কটাম। তাতকৈ জীৱনৰ বাকী কেইটা দিন কিয় দুয়ো সুখ আৰু হাঁহিৰে কটাব নোৱাৰোঁ, কোৱা?

ঃ সেই চিন্তাও মই নকৰা নহয়; কিন্তু...........

ঃ আৰু কোনো কিন্তু মুখলৈ নানিবা প্লিজ। মই তোমাক এতিয়াও খুব ভাল পাওঁ বিস্মৃতা।

ঃ ময়ো তোমাক ভাল পাওঁ সপোন.......

হুকহুকাই কান্দি বিস্মৃতা সোমাই পৰিল সপোনৰ বুকুত। গভীৰ বিশ্বাস আৰু প্ৰত্যয়েৰে সপোনে বিস্মৃতাক সাবটি ল'লে সুদীৰ্ঘ বিশ বছৰৰ অন্তত...। ❋

ঘাইকৈ বাহ্যিক আচাৰ-ব্যৱহাৰ, মাত-কথা আৰু ধৰণ-কৰণ চাই-চিতিয়েই সংসাৰত মানুহ এজনৰ বিষয়ে অভিমত প্ৰকাশ কৰা হয়।

—ছেমুৱেল স্মাইলছ

# মোৰ হিয়াত তোমাৰ নাম

দিগন্ত ডেক
উঃ মাঃ, ২য় ব

সেউজীয়া সেউজীয়া লাগে।
এটি হেঙুলীয়া নিৰিবিলি প্ৰভাত।
শীতৰ সেমেকা ৰাতিপুৱা।
আকাশৰ চাৰিওফালে আৱৰি ৰাখিছিল তমসাই। তমসাৰ মাজে মাজে শুনা গৈছিল কিছুমান চৰাইৰ কোঢ়াল।

হয়তো সিহঁতেও বিচাৰিছে এজনে আনজনৰ অস্তিত্ব।

ক্ৰমে তমসা গাঢ় হৈ আহিছিল।

চাৰিওদিশ ৰ'দৰ উজ্জ্বল পোহৰ।

ৰ'দৰ পোহৰত তৃণবোৰে আনন্দত এক অবুজ সিহৰণ অনুধাৱন কৰিলে।

জিতেনে নিথৰ হৈ চাই ৰ'ল আকাশৰ ফালে। তাৰ মনত পৰিল তাৰ প্ৰিয়তমা কল্যাণীৰ দুচকুৰ নীলা।

হিয়াত ৰু-ৰুৱাইছিল কল্যাণীৰ হিয়াৰ স্বপ্নই।

সি এন্ধাৰৰ মাজতো ৰচিছিল বহুতো জোনাকৰ কবিতা।

তাৰ হিয়াৰ মন্দিৰত মাথোঁ কল্যাণী।

তাক বাৰে বাৰে আমনি কৰে কল্যাণীৰ দুচকুৰ কাজলে। তেতিয়া সি অনুভৱ কৰে কল্যাণীৰ সেউজীয়া সেউজীয়া মিঠা সিহৰণ।

তুমি জানানে কল্যাণী
মোৰ বুকুৰ মন্দিৰত
তোমাৰ দুচকুৰ কাজল!
তুমি শুনানে কল্যাণী
মোৰ বুকুৰ ৰুণ!!

এটি নতুন দিনৰ অপেক্ষাত
দিনবোৰ অতিবাহিত হৈছিল।
কল্যাণী উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰী।

আৰু জিতেন? সি দ্বিতীয় বৰ্ষৰ। তাৰ হৃদয়ৰ একোণত বৈ গৈছিল কল্যাণীৰ জীয়া অনুভূতি। বিগত কেইবছৰৰ দৰে কল্যাণীহঁতৰ কলেজত নৱাগত আদৰণি সভা।

সকলোৱে ধুনীয়া ধুনীয়া পোছাক পিন্ধি আহিছে উখল-মাখল পৰিৱেশ। হঠাৎ জিতেনৰ হৃদয়খন ফৰকাল যেন অনুভৱ হৈছিল।

হিয়াত সৃষ্টি হৈছিল এক জীয়া অনুভূতি।

কল্যাণীৰ হিয়াৰ অনুভূতি।

তাই পাতল সেউজীয়া শাৰী এখন পিন্ধি হিয়াত এথোপা মৰম লৈ আহি আছিল।

সেউজীয়া গছবোৰৰ কাষেৰে আহোতে তাইক জিতেনৰ জন কিট্‌ছৰ 'পাপৰি'জনী যেন অনুভৱ হৈছিল। তাই জিতেনৰ ফালে আগুৱাই আহি হাঁহি হাঁহি সুধিলেহি—

ঃ আপুনি দেখোন অকলে?

ঃ নাই মোৰ বন্ধুবিলাক অহা নাই।

সেইকাৰণে অকলশৰীয়া অনুভৱ কৰিছো। জিতেনে ক'লে।

ঃ তোমাৰ ঘৰ? জিতেনে সুধিলে।

ঃ অলপ দূৰত।

ঃ তোমাৰ নাম?

ঃ কল্যাণী।

ঃ সৌ বেঞ্চখনত বহোঁ ব'লক। কল্যাণীয়ে ক'লে।

ঃ আপুনি চাগে অকলশৰীয়া অনুভৱ কৰিছে।

তাই জিতেনৰ কাষেৰে যাওঁতে সি এটা সুগন্ধ অনুভৱ কৰিলে।

নাৰীদেহৰ এক সুগন্ধিময় গোন্ধ।

সি অনুভৱ কৰিছিল এক জীয়া অনুভূতি।

কল্যাণীৰ হিয়াৰ অনুভূতি।

তেনেকৈ নেচাবা দেই

কল্যাণী?

হুঁ?

কি ভাবি আছা?

নাই, একো ভবা নাই।

কল্যাণীৰ শাৰীৰ আঁচলৰ পৰশে যেন জিতেনক কিবা-কিবি কৈ গৈছিল।

সি নিথৰ হৈ চাই আছিল কল্যাণীৰ মুখলৈ।

ঃ তেনেকৈ নেচাব দেই, লাজ লাগে।

তাই হাঁহি হাঁহি ক'লে।

তাইৰ আকুলতা জিতেনৰ দুচকুত ধৰা পৰিল। সিহঁত দুয়ো হেৰাই গৈছিল পৃথিৱীৰ কোনো এটা প্ৰান্তত।

এজাক সেউজীয়া কোবাল বতাহে উৰুৱাই নিছিল দুয়োকে বহুদূৰলৈ।

সিহঁত দুয়োৰে মনত অবুজ সিহৰণ।

কল্যাণীৰ বান্ধৱী নমিতাই তাইক মাতি নিছিল।

তাই হাঁহি হাঁহি আঁতৰি গৈছিল জিতেনৰ কাষৰ পৰা।

জিতেনে ভাবিছিল। কল্পনা কৰিছিল। ভাবত মগ্ন হৈছিল।

খালী চকুৰে নেদেখা
ৰিবৰিব মলয়াজাকে
বাহ সাজিব বুকুত।
দুচকুত বাজি থাকিব দিবা-নিশা
কল্যাণীৰ প্ৰেমৰ তানপুৰা।

জিতেনে উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ফাইনেল পৰীক্ষা দিলে।

তাৰ মনৰ মাজত নিঃসংগতাৰে ৰৈ যায়
কল্যাণীৰ ভিন্ন মনালিচা অনুভৱ।
তাৰ মনত পৰে—
কল্যাণীয়ে কেনেদৰে হাঁহিছিল।
কেনেদৰে কথা পাতিছিল।
আৰু বহুতো।
এতিয়া সি ৰোমন্থন কৰি ভাল পায়।
এতিয়া সি অনুভৱ কৰে নিঃসংগ জীৱন।
ঠিক কল্যাণীয়ে কবাৰ দৰে।

**দুখৰ ৰাতিটো নুপুৱায়**
দিনৰ পিছত দিন
মাহৰ পিছত মাহ
দিনবোৰ অতিবাহিত হৈছিল।

জিতেনহঁতৰ পৰীক্ষাৰ ফলাফল ওলাল।

আৰু জিতেন উত্তীৰ্ণ হৈছিল দ্বিতীয় বিভাগত। তাৰ জীৱনলৈ নামি আহিছিল যেন এচমকা ক'লা ডাৱৰ। সেই ডাৱৰে নিঃশেষ কৰিছিল তাৰ যৌৱন। সি সেইখন কলেজ এৰি অন্য এখন কলেজলৈ যাব লগা হ'ল।

কাৰণ সেইখন কলেজত বুৰঞ্জীৰ মেজৰ নাছিল।

জিতেনৰ বুৰঞ্জীত মেজৰ লোৱাটো বহুদিনৰ আশা। জিতেন কলেজ এৰি গুচি গ'ল।

মাথোঁ ৰৈ গ'ল কল্যাণী আৰু তাৰ বন্ধুবৰ্গ।

টোপ টোপকৈ সৰা
নিয়ৰকণাবোৰে নৈ হৈ ববহি
মোৰ কলিজাত।
চুমি থাকিবা তুমি
মোৰ কলিজাৰ নৈ!!

কলেজৰ পৰা যোৱাৰ সময়ত জিতেনে লগ ধৰিছিল কল্যাণীক।

তাইৰ দুচকুৰ পৰা ওলাই আহিছিল ধাৰাসাৰ চকুলো।

তাই বাধা দিব পৰা নাছিল।

কিন্তু জিতেনৰ বেয়া লাগিছিল।

সি কৈছিল— কল্যাণী বেজাৰ নকৰিবা। তোমাক মই নাপাহৰোঁ।

কল্যাণীৰ অন্তৰ দুখেৰে উপচি পৰিছিল।

তাই চাব পৰা নাছিল জিতেনৰ দুচকুলৈ।

তাই জানে, জিতেনে তাইক গভীৰভাৱে ভাল পায়।

হয়তো তায়ো।

বিদায় পৰত মাথোঁ কল্যাণীৰ মুখৰ পৰা ওলাল— ভগৱানে তোমাৰ মঙ্গল কৰক। গড ব্লেছ ইউ!

❋ ❋ ❋

গল্প

# প্ৰতিশ্ৰুতি

কনকলতা বৰুৱা
উঃ মাঃ, ২য় বৰ্ষ

**হঠাৎ** আবেলি কলিং বেলৰ শব্দত মণিকাই সাৰ পালে। তাই উঠি গৈ দেখিলে যে ডাকোৱালজন বাহিৰত বৈ আছে। তাইৰ হাতত এখন চিঠি দি ডাকোৱালজন গুচি গ'ল।

মণিকাই চিঠিখন খুলি চাই দেখিলে যে ঋতুৱে তাইৰ নামত পঠাইছে। চিঠিখনত ঋতুৱে মণিকাক কাইলৈ যেনে-তেনে মাতি পঠিয়াইছে। কাৰণ ঋতুৰ ককায়েক চিণ্টু দিল্লীৰ পৰা আহিছে। চিণ্টুৱে কিন্তু এই চিঠিৰ কথা একোৱেই গম নাপায়। ভনীয়েকে তাক চাৰপ্ৰাইজ দিবৰ বাবেহে চিঠিৰ দ্বাৰা মণিকাক লৰালৰিকৈ মাতিছে।

চিঠিখন হাতত লৈয়ে মণিকাই মা-মাকৈ চিএঞৰিলে। মাকে তাইক তেনেদৰে চিএঞৰ-বাখৰ কৰাৰ বাবে সুধিলে কি হ'ল মণি?

মা এয়া চোৱা ঋতুৰ চিঠি। —মণিকাই আগ্ৰহেৰে মাকক চিঠিখন দেখুৱালে।

মাকে চিঠিখন পঢ়ি ক্ষন্তেক চিন্তা কৰি ক'লে — কিন্তু মণি তুমি কাৰ লগত যাবা? প্ৰীতিয়েওতো যাব নোৱাৰিব। কাৰণ তাইৰ কাইলৈ যে কলেজ আছে। আৰু বাবায়ো যে নোৱাৰিব, তাৰ স্কুল আছে।

প্ৰীতি আৰু বাবা মণিকাৰ সৰু ভায়েক- ভনীয়েক। মাকৰ কথা শুনি মণিকাই ক'লে —তুমি চিন্তা নকৰিবা মা, মই অকলেই যাব পাৰিম।

মাকে ক'লে— কিন্তু তুমি অকলে

একো নহয় মা, তুমি মিছাতে ভয় খাইছা। মই অকলেই যাব পাৰিম। —মণিয়ে মাকক সান্ত্বনা দিয়াৰ সুৰত ক'লে।

মাকে মণিক অকলে যাব দিব বিচৰা নাছিল যদিও মণিকাই খুব জোৰ কৰি ধৰাত অৱশেষত যাব দিবলৈ মান্তি হ'ল।

পিছদিনা মণিকাই নগাঁৱলৈ যোৱা বাছত উঠিল। তাই বাছত ভাবি আহিল চিণ্টুৰ কথা।

তাই যে কিমান দিন চিণ্টুক দেখা নাই। সৰুতে তাই মামাকহঁতৰ ঘৰত আহিলে চিণ্টুৰ লগত যে কিমান ধেমালী কৰিছিল! ঋতু মণিতকৈ দুবছৰে সৰু হোৱাৰ বাবে তাইক সিহঁতৰ লগত উমলিব দিয়া নাছিল। মণিকা তেতিয়া প্ৰথম শ্ৰেণীত পঢ়ি আছিল। চিণ্টু মণিকাতকৈ তিনি-চাৰি বছৰে ডাঙৰ আছিল। ঘৰৰ একমাত্ৰ ল'ৰা হোৱাৰ বাবে দেউতাকে চিণ্টুৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই তাক দিল্লীত থৈ পঢুৱালে। তেতিয়া মণিকাৰ বয়স আছিল পাঁচ-ছয় বছৰ। আৰু এতিয়া তাইৰ বয়স ওঠৰ বছৰ। আজি বাৰ বছৰে মণি আৰু চিণ্টুৰ দেখাদেখি নাই। তাইক দেখিলে চিণ্টুৱে হয়তো চিনিকে নাপাব। অৱশ্যে তায়ো তাক চিনি নাপাব। ইমান দিনৰ মূৰত তাইক দেখিলে তাৰ যে কিমান ভাল লাগিব! এইবোৰ কথা ভাবি মগ্ন হৈ থাকোঁতে হঠাৎ গাড়ীখন ৰৈ যোৱাতহে তাই বাস্তৱলৈ ঘূৰি আহিল। তাই গাড়ীৰ পৰা নামি আহিল। মণিৰ মোমায়েকৰ ঘৰ নগাঁও চ'কত নামি অলপ খোজকাঢ়ি যাব লাগে। অৱশ্যে ৰিক্সা যায়, কিন্তু মণিয়ে ৰিক্সা নলৈ খোজকাঢ়ি যোৱাটোৱেই ঠিক কৰিলে।

মণিয়ে মোমায়েকৰ ঘৰৰ পিনে খোজ ল'লে। হঠাৎ অলপ দূৰ গৈয়ে মণিৰ চকুত পৰিল যে কেইজনমান ল'ৰাই অলপ দূৰত কেৰম খেলি আছে। মণিয়ে যেতিয়া সিহঁতৰ আগেৰে পাৰ হৈ যাব বিচাৰিলে, তেতিয়া তাৰেই মাজৰ পৰা প্ৰীতম বোলাজনে মাত দিলে— হেৰ ৰঞ্জন অকলে অকলে যে?

ৰঞ্জনে উত্তৰ দিলে— নহয় অ' প্ৰীতম, আজি হঠাতে বিশেষ কাৰণ থকাৰ বাবে লগৰজন আহিব নোৱাৰিলে।

প্ৰীতমে ক'লে— পিছে, কোনো আপত্তি নাথাকিলে আজিৰ বাবে ময়ে খালী ঠাই পূৰাব পাৰোঁ। এই বুলি কৈ প্ৰীতমে হিন্দী গান এটাকে জুৰিলে— অ' বেবি ড'ন্ট ব্ৰেক মাই হাৰ্ট। প্ৰীতমৰ গান শুনি আটাইকেইজনে গিৰ্জনি মাৰি হাঁহিলে। তাৰ পিছত সিহঁতে বহুতো অশ্লীল ভাষাৰে তাইক জোকালে। মণিকাই প্ৰথমতে একো নকওঁ বুলি

ভাবিছিল, যেতিয়া সিহঁতৰ উৎপাত বেছি হ'ল তাই আৰু বৈ থাকিব নোৱাৰিলে। তাইৰ ধৈৰ্যৰ সীমা পাৰ হৈ গ'ল। তাই উভতি গৈ সেই প্ৰীতম বোলাজনৰ সন্মুখত থিয় হৈ তাক উদ্দেশ্যি ক'লে— অভদ্ৰ ক'ৰবাৰ। তোমালোকে কি ভদ্ৰতা শিকা নাই? ইয়াত কেৰম খেলাৰ অজুহাত লৈ ছোৱালী জোকোৱা। এজনী অকলশৰীয়া ছোৱালীৰ লগত তোমালোকৰ এনে ব্যৱহাৰ? তোমালোকৰ বাই-ভনী নাই? নিলাজ ক'ৰবাৰ। এইবুলি কৈ মণিয়ে খৰ খোজেৰে তাৰ পৰা আঁতৰি আহিল। ইমান পৰে আটায়ে তাইৰ মূৰ্তি চাই থাকোঁতেই গ'ল। তাই যোৱাৰ পিছতহে আটাইৰে গালৈ চেতনা আহিল। মণিৰ এনে মূৰ্তি লগতে সাহস দেখি আটাইকেইজনৰে মুখৰ মাত হেৰাল।

মণিকাই ঘৰলৈ আহি ঋতুৰ আগত সমস্ত কথা বিৱৰি ক'লে।

ঋতুৱে মণিক ক'লে— বাঃ মণি বাঃ তোমাৰ সাহসক প্ৰশংসা নকৰি নোৱাৰিছো। এইবুলি দুয়োজনীয়েই হাঁহিবলৈ ধৰিলে।

গধূলি যেতিয়া প্ৰীতম ঘৰলৈ উভতিল, তেতিয়া ঋতুৰ কমত ঋতু আৰু মণিকাৰ কথা শুনি আচৰিত হ'ল। ঋতুৰ লগত কথা কৈ থকা ছোৱালীজনীৰ মাতটো যেন তাৰ চিনাকি চিনাকি লাগিল। সি মনতে ভাবিলে— সি যেন ক'ৰবাত এই মাতটো শুনিছে। প্ৰীতমে এবাৰ ভিতৰ সোমাই চাই আহিবলৈ মন কৰিলে, কিন্তু সি সাহস কৰিব নোৱাৰিলে। সি পোনে পোনে তাৰ কমলৈ গ'ল।

প্ৰীতম অহা গম পাই ঋতুৱে মণিক ক'লে— মণি বা, যোৱা এতিয়া তোমাৰ চাৰপ্ৰাইজ দিবৰ সময় আহি পালে। তুমি এতিয়া তাৰ কমলৈ যোৱা আৰু কথা হৈ আহা; মই এইমাত্ৰ পাকঘৰৰ পৰা আহিছো। এই বুলি কৈ ঋতুৱে পাকঘৰলৈ বুলি দৌৰ মাৰিলে।

মণিয়ে খুব আনন্দেৰে চিণ্টুৰ কমলৈ বুলি খোজ ল'লে। কিন্তু ই কি? হঠাৎ পৰ্দাখন দাঙি মণি আচৰিত হৈ গ'ল। মণিয়ে দুৱাৰমুখতে থমকি ৰ'ল। তাইৰ আৰু আগবাঢ়ি যাবলৈ সাহস নহ'ল। প্ৰীতমেও মণিকাক দুৱাৰমুখত দেখি তাইতকৈ বেছি আচৰিত হ'ল। প্ৰীতমে মণিকাৰ পিনে চাই থাকিব নোৱাৰিলে, সি লাজতে তলমূৰ কৰিলে।

মণিকাৰো খুব লাজ লাগিল। তাইৰ বাৰে বাৰে সেই দৃশ্যটো চকুত ভাহি উঠিল। মণিকাই ভালদৰে বুজিলে যে আচলতে প্ৰীতম তাইৰে মোমায়েকৰ ল'ৰা— যাক চাৰপ্ৰাইজ দিবলৈ তাই আজি হঠাত আহি ওলাইছে। আচলতে তাই প্ৰীতমক চিণ্টু বুলিয়েই জানিছিল।

সিহঁতে ইজনে আনজনৰ মুখৰ পিনে ৰ লাগি চাই থাকোঁতে হঠাৎ ঋতু কমলৈ সোমাই আহিল। সিহঁতক তেনেদৰে দেখা পাই তাই আচৰিত হৈ ক'লে— তোমালোকৰ কি হৈছে? ঋতুৰ মাততহে দুয়োৰে গালৈ চেতনা আহিল।

ঋতুৱে ক'লে— দাদা তুমি এইক চিনি পোৱা নাই? প্ৰীতমে প্ৰথমতে একো ক'ব পৰা নাছিল যদিও পিছত লাজ লাজ ভাবেৰে লাহেকৈ উত্তৰ দিলে— ওহো নাইতো।

ঋতুৱে প্ৰীতমৰ পিনে চাই মিচিকিয়াই হাঁহিলে আৰু ক'লে— এই মণিকা বা। তোমাক চাৰপ্ৰাইজ দিবৰ বাবেই মই তাইক চিঠিৰে মাতি পঠিয়াইছো।

মণিকা বুলি কোৱাৰ লগে লগে প্ৰীতমৰ গা শিয়ৰি উঠিল। তাৰ মানে তাই মণিকা পেহীৰ ছোৱালী। কিন্তু— কিন্তু তাই মোক কি বুলি ভাবিছে জানো? ঋতুৱে মোক আজি ভালদৰেই চাৰপ্ৰাইজ দিলে। প্ৰীতমৰ ঋতুৰ প্ৰতি খুব খং উঠিল যদিও তাৰ মনৰ লাজ ভাবটোৰ বাবে মণিকাৰ সন্মুখত একো ক'ব নোৱাৰিলে।

প্ৰীতমে মনতে বহু কথা জুকিয়াই চালে আৰু অৱশেষত সি মণিৰ ওচৰত ক্ষমা বিচাৰিবলৈ সিদ্ধান্ত ল'লে। প্ৰীতমে অতি নম্ৰভাৱে মণিকাৰ পিনে চাই ক'লে— প্লীজ মণি তুমি মোক ক্ষমা কৰি দিয়া। এয়া চোৱা মণি, মই তোমাৰ ওচৰত শপত খাই কৈছো আৰু তোমাক প্ৰতিশ্ৰুতি দিলো যে জীৱনত আৰু কেতিয়াও এনেকুৱা ভুল নকৰো। তুমি মোক দাদা বুলি ভাবি এইবাৰৰ বাবে ক্ষমা কৰা।

ইমান পৰে তলমূৰকৈ বহি থকা মণিকায়ো লাহে লাহে মূৰ তুলি প্ৰীতমৰ পিনে চাই ক'লে— মোকো ক্ষমা কৰি দিয়ক চিণ্টুদা আৰু ময়ো কেতিয়াও তেনেকুৱা ভুল নকৰো। ঋতুৱে প্ৰথমতে সিহঁতৰ কথা বুজিব পৰা নাছিল। ঋতুৱে চকুৰ আগত এখন নাটক চলি থকা যেন পালে। আৰু সেই নাটকখনৰ একমাত্ৰ দৰ্শক যেন ঋতু নিজেই। ঋতুৱে লাহে লাহে মনতে কথাবোৰ জুকিয়াই চালে। শেষত তাই বুজিব পাৰি ক'লে— তাৰ মানে চিণ্টুদা তুমি মণিকা বাক— এই বুলি কৈ ঋতুৱে হাঁহিব ধৰিলে। তাইৰ হাঁহিত মণি আৰু চিণ্টুৱেও যোগ দিলে। ❋

# প্ৰতিশোধ


হেমন্ত ৰাজবংশী
স্নাতক, প্ৰথম বৰ্ষ


**হঠাৎ** আইনা লগোৱা খিৰিকীখনলৈ চাই দেখিলো এক ভয়ংকৰ ছাঁ দৌৰি যোৱা। কাৰ বাৰু এই ছাঁ? কোন আহিছে বাৰু এই মাজনিশা মোৰ কোঠাৰ পিছফালে? বিছনাৰ পৰা খৰধৰকৈ উঠি হাতত টৰ্চটো লৈ খিৰিকীৰ ফালে আগবাঢ়িলোঁ। খিৰিকীখন খুলি চাৰিওফালে চালো, কিন্তু ক'তো একো নাই। পুনৰ শুবলৈ গ'লো। ঠিক বিছনাত উঠিছিলোহে মাত্ৰ, আকৌ আহি ৰৈ আছে সেই ছাঁটো। হঠাৎ মোৰ মুখৰ পৰা ওলাই আহিল—

ঃ কোন, কোন বাৰু তুমি এই মাজনিশা? কি বিচাৰিছা? আঁতৰি যোৱা। মোৰ কথাত কোনো কাণসাৰ নকৰিলে। পুনৰ সুধিলো—

ঃ কোন ভালে ভালে ক? উঠিব লাগিলে কিন্তু বিপদ আছে। এইবাৰ ছাঁটোৱেই এক ডাঙৰ শব্দ কৰি হাঁহি হাঁহি উত্তৰ দিলে—

ঃ তুমি শুই থাকা। মই আহিছো, বাহিৰলৈ নোলাবা। তোমাৰ লগৰ সেই হত্যাকাৰীজন ক'লৈ গ'ল? তাক বিচাৰিছো। ছাঁটো অদৃশ্য হৈ থাকিল। মই চিগাৰেট এটা জ্বলাই লৈ দীঘল দীঘলকৈ হুপি শেষ কৰি লাইটটো অফ্ নকৰাকৈ বিছনাত শুই পৰিলো। কিছু সময় যোৱাৰ পিছত টোপনি আহিল। এক ভয়ংকৰ শব্দত মই চক্‌মক্‌কৈ উঠি বহিলো। এখন হাত, তাৰ দীঘল দীঘল আঙুলিৰে সৈতে নখবোৰ লাইটৰ পোহৰত জিলমিলাই উঠিছে। বুকুখন দুৰু দুৰুকৈ কঁপি উঠিল। তথাপিও মনত সাহস গোটাই গাৰুটোৰ তলৰ পৰা টৰ্চটো আনি সেইফালে পোহৰ নিক্ষেপ কৰিলো; দেখিলো চাৰিখন ৰক্তাক্ত হাত। খিৰিকীৰ আইনাখনত দীঘল নখবোৰ খৰট্ খৰট্‌কৈ আঁচুৰি আছে। হাতকেইখনৰ বাহুছোৱা বহু দীঘল, যিমান দূৰলৈ চাও হাতকেইখন শেষেই নহয়। কল্পনাই কৰিব নোৱাৰি হাতকেইখন। গোটেই নিশাটো উজাগৰে কটালোঁ। মোৰ লগতে একেলগে থাকে স্বপন নামৰ এজন যুৱক। সিদিনা সি দিগন্তৰ ৰুমলৈ গৈ নাহিল। যদি স্বপন থাকিলহেঁতেন তেন্তে কি যে হ'লহেঁতেন?

নজনাক জানিবলৈ, নেদেখাক চাবলৈ কাৰ বাৰু মন নাযায়? মানুহৰ মন সদায় কৌতূহলী। সেই বাবেই আজি ন-ন বস্তুৰ আৱিষ্কাৰ হৈছে। স্বপনৰ বিষয়ে সবিশেষ জানিবলৈ মন গ'ল। সিদিনা সি নথকাৰ বাবে তাৰ "ডায়েৰি বুক"খন পাই নিজকে নিজে হতভম্ব হলো। তাত লিখা প্ৰতিটো বাক্যই মোৰ গাৰ নোম শিয়ৰাই তুলিলে। স্বপন কি এনেকুৱা নীচ মনৰ মানুহ? তাৰ মানৱতা নাই? স্বপন যে এজন হত্যাকাৰী সেই কথা মই আজিলৈ গমকে পোৱা নাই। কিন্তু আজি.......? তাৰ গোটেইবোৰ ঘটনাৰ সাক্ষী হৈ ৰৈছে সি নিজে লিখা "ডায়েৰি বুক"খন। প্ৰতিটো পাততে আছে হত্যাৰ ৰহস্য।

ছোৱালীজনীৰ নাম স্বপ্নালী। স্বপ্নালী বৰুৱা। স্বপন আৰু স্বপ্নালী দুয়ো বেলেগ বেলেগ কলেজত পঢ়ে। এদিন স্বপ্নালীহঁতৰ কলেজত নৱাগত আদৰণী সভাত দুয়োৰে চিনাকি হয়। আৰু সেই চিনাকীতে চাৰিটি চকু মিলি এক হয়। তাইৰ মনত কিবা এটা পাই হেৰুওৱাৰ দৰে লাগিল। স্বপ্নালীয়ে তাইৰ লগৰ বান্ধৱীকেইজনীক তাৰ কথা সোধে। তেতিয়া তাইক কয়— "ঐ পাগলী ভোমোৰাৰ ওচৰলৈ ফুল নাযায়, ভোমোৰাহে আহে ফুলৰ মৌ চুমিবলৈ।" সময়ত কোনেও ক'ব নোৱাৰাকৈ দুয়ো দুয়োৰে প্ৰেমত পৰিল। দুবছৰ ধৰি সিহঁতৰ প্ৰেম চলি আছিল। কিন্তু দুবছৰৰ পিছতহে তাই গম পালে যে ৰূপৰ মোহত বন্দী প্ৰেমে ভাল-বেয়াৰ বিচাৰ কৰিব নোৱাৰে। নাই, সিহঁতৰ প্ৰেম আৰু বেছি দিন জীয়াই নাথাকে। স্বপনৰ কথামতে চলিব লাগিলে যে তাইৰ বিপদ অনিবাৰ্য সেই কথা গম পাই এদিন স্বপ্নালীয়ে স্বপনক বৰ নম্ৰভাৱে ক'লে— স্বপনদা, শুনাচোন কথা এটি কওঁ।

ঃ কি কথা, কোৱা আকৌ— বৰ আগ্ৰহেৰে সুধিলে স্বপনে।

ঃ আজি দুবছৰে তুমি মোক তোমাৰ প্ৰেমৰ চাৰিবেৰৰ মাজত বন্দী কৰি ৰাখিছা। কিন্তু আজি তোমাৰ বান্ধোনৰ পৰা মোক আঁতৰি যাবলৈ দিয়া। প্লীজ স্বপনদা, প্লীজ। স্বপ্নালীয়ে ক'লে।

ঃ স্বপ্নালী, তোমাৰ সেইবোৰ কথা চিনেমাত ক'বা। াৰণ তুমি জানা, নোপোৱাৰ বেদনাতকৈ পাই হেৰুওৱাৰ বদনা অতি ভয়াবহ। প্ৰায় খঙেৰে ক'লে স্বপনে।

ঃ পোৱাৰ মাজতো যে গৰল আছে স্বপনদা আৰু নাপোৱাৰ হা-হুমুনিয়াহৰ মাজত মধুৰ আনন্দ আছে— প্নালীয়ে ক'লে।

ঃ মই নোৱাৰো স্বপ্নালী। এইবুলি স্বপনে তাইৰ াষৰ পৰা আঁতৰি গ'ল।

স্বপ্নালীয়ে যে ইতিমধ্যে তাৰ বন্ধু তপনক ভাল ায় পেলাইছে সেই কথা স্বপনে গম পালে। তপনক দিন স্বপনে ক'লে— "সপোনত সজা অট্টালিকাত ঠকত থাকিব নোৱাৰি তপন। সপোন আৰু বাস্তৱ য়োটাই আকাশ-পাতাল। মই স্বপ্নালীক ভাল পাওঁ বুলি ানিও তুমি আমাৰ প্ৰেমত হেঙৰ হ'লা কিয়?"

"শুনা স্বপন, সমস্যাৰ পৰা নিস্তাৰ পোৱাৰ পথ মাত্ৰ টাই আছে। সেই পথটোৱেই হৈছে ত্যাগ। ত্যাগৰ াজতো আনন্দ আছে.....।"

"কি তুমি মোক ত্যাগ কৰাৰ কথা কৈছা? কিন্তু বিধান, নিজে অলপ সাৱধানে চলিবা।' এইদৰে স্বপ্নালীক য়ে সিহঁতৰ মাজত বহু বাক-বিতণ্ডা চলিল। দুয়ো বাছি 'লে নিজৰ নিজৰ পথ।

এদিন স্বপনে নিশা বাৰমান বজাত টোপনিৰ পৰা ঠিল। সি ভাবিলে— "আজিয়েই তপনক হত্যা কৰিব াগিব।" স্বপনে মই গম নোপোৱাকৈ কাপোৰ-পিন্ধি 'লে আৰু বাইকখন উলিয়াই বাৰাণ্ডাত থৈ আহি মোক গাই দিলে আৰু ক'লে—

ঃ দাদা, মই ঘৰলৈ যাওঁ। কাইলৈ পুৱাই আহিম। ৰ অসুখ হৈছে। একেবাৰে ছিৰিয়াছ। আপুনি থাকক, ই আহিলোঁ। মোক একো কোৱাৰ সুযোগ নিদিয়াকৈ সি ইকখন লৈ মোৰ চকুৰ আগৰ পৰা আঁতৰি গ'ল। মই নৰ শুই পৰিলোঁ। আনপিনে স্বপন, সি তাৰ ঘৰলৈ গ'ল। মিছাতে সি মোৰ আগত কৈছিল। সি গৈছিল পনক হত্যা কৰিবলৈ।

স্বপন গৈ তপনৰ ৰুম পাওঁ পাওঁ হোৱাত কিছু দূৰত ইকখন থৈ হাতত ছুৰীখন আৰু কঁকালত পিষ্টলটো লৈ পনৰ ৰূমৰ ওচৰ চাপিল। তেতিয়া আছিল গৰমৰ দিন। পনে তাৰ টেবুলৰ কাষৰ খিৰিকীখন আগৰে পৰা বন্ধ কৰাকৈ থয়। খিৰিৰীখনত 'ৰড' নাছিল। সিদিনাও বন্ধ ৰা নাছিল। সেই খিৰিকীখনৰ মাজেৰে স্বপন পাৰ হৈ গ'ল। সি তপনক বিছনাতে মুখত জোৰেৰে হেঁচা দি ডিঙিটো দুছোৱা কৰিলে। বিছনাতে পৰি থাকিল তপনৰ দেহটো। কোনেও গমকে নেপালে। সি হত্যাকাণ্ডৰ বাবে পৰিধান কৰা পোছাকযোৰ সলাই থৈ বেলেগ কাপোৰ এযাৰ পিন্ধি ঘৰলৈ গ'ল।

পিছদিনা স্বপন ৰুমলৈ গ'ল। মই মাকৰ কথা সোধাত ভালপোৱা বুলি ক'লে। কেইদিনমান পিছত স্বপনে ৰাতি ভাত খোৱাৰ পিছত ন-মান বজাত ক'ৰবালৈ ওলাই গ'ল। বাটৰ পৰা সি মোক কৈছিল— "দাদা, মই জিতুলৰ ৰুমৰ পৰা আহো। আপুনি শুই থাকক।" তেতিয়াই মোৰ মনত কিবা এক সন্দেহৰ ভাবে ভুমুকি দিলে। সি বাৰু ৰাতি ৰাতি ক'লৈ যায়? কি কাম ওলায় এই মাজনিশা? নিশ্চয় কিবা অঘটন নঘটায়তো? স্বপনে এইদৰে মোক প্ৰতাৰণা কৰি ওলাই আহিল। সি গৈছিল স্বপ্নালীৰ ঘৰলৈ। ঘৰ পাই দেখিলে তাই শোৱা নাই। শোৱাৰ পোছাক পিন্ধিছেহে মাত্ৰ। তেতিয়াই সি দুৱাৰমুখত থিয় হৈ তাইক মাতিলে—

ঃ স্বপ্নালী, স্বপ্নালী উঠাচোন, মই স্বপন। তাই মাতটো প্ৰথমাৱস্থাত বুজি পোৱা নাছিল যদিও পিছত বুজি পালে। তাই দুৱাৰখন খুলিলে আৰু স্বপনক দেখা পাই সুধিলে—

ঃ এই ৰাতিখন তুমি মোৰ ওচৰলৈ?

ঃ ৰ'ব, ৰ'ব প্লীজ, ডাঙৰ ডাঙৰকৈ নক'বা। আহা বাহিৰলৈ যাওঁ। তাত সকলো ক'ম। স্বপনে ক'লে।

ধীৰ-স্থিৰ স্বপ্নালীয়ে তাৰ কথামতে ঘৰৰ পৰা ওলাই আহিল।

ঃ স্বপনদা মোৰ বৰ ভয় লাগিছে।

ঃ ধ্যেৎ আঁকৰীজনী, দেখা নাই, তোমাৰ লগত কোন আছে? কিহৰ ভয়? হাতত থকা টাৱেলখন সৰুকৈ জাপি লৈ স্বপনে তাইক ক'লে আৰু তাইৰ মুখত জোৰেৰে হেঁচা দি ধৰিলে। তেতিয়াই লগে লগে সেই গাভৰু দেহাটিত অসংযতভাৱে আঘাত কৰিবলৈ ধৰিলে। বেচেৰীয়ে মুখেৰে একো ক'ব নোৱাৰিলে। চট্‌ফটাই আছে। তেতিয়াই সি লগত নিয়া ছুৰীখনেৰে তাইক হত্যা কৰিলে। তাইক তাতেই পেলাই থৈ স্বপন আগবাঢ়িল তাৰ ৰুমলৈ।

সিদিনা ৰাতি ময়ো শোৱা নাছিলো। অপূৰ্ব আৰু প্ৰদীপ আহিছিল। সিহঁত যোৱাৰ ঠিক পিছতেই স্বপন আহি পাইছিল। তাক একো নুসুধি দুয়ো শুই থাকিলো। যদিওবা

সি বিছনাত পৰিছিল, তাৰ কিন্তু টোপনি নাহিল। সি বিছনাৰ পৰা উঠি তাৰ 'ডায়েৰি বুক'ত কিবা লিখি থলে। পিছত পুনৰ শুলে।

পিছদিনা ৰাতি দুটা ছাঁ কোঠাটোত প্ৰবেশ কৰা দেখিলো। তেতিয়া আমি দুয়ো বাহিৰত আছিলো। 'কোন কোন' বুলি দুয়ো কোঠাৰ ভিতৰলৈ দৌৰি গ'লো। মই দুৱাৰমুখত আৰু স্বপনে হাতত টৰ্চটো লৈ কোঠাৰ ভিতৰলৈ আগবাঢ়িলো। ছায়ামূৰ্তি দুটাই স্বপনক উদ্দেশ্যি ক'লে— "ভয় নকৰিবা, আমি তোমাৰ ওচৰত প্ৰতিশোধ লবলৈ আহিছো। আমি তপন আৰু স্বপ্নালীৰ প্ৰেতাত্মা। এনেকৈ তুমি এই পৃথিৱীৰ আৰু বহুকেইজন তপন আৰু স্বপ্নালীক হত্যা কৰিবা। নাই, তোমাৰ সেই কামবোৰৰ কোনো ক্ষমা নাই। আৰু তুমি জীয়াই থাকিব নোৱাৰা। আজিয়েই তোমাৰ কেঁচা তেজৰ সোৱাদ ল'ম। মই দৌৰি গৈ আমাৰ কোঠাৰ কাষতে থকা পুলিচ ইন্সপেক্টৰজনক মাতি আনিলো। দুয়ো মনে মনে চাই থাকিলোঁ। স্বপনে ক'লে— তহঁত দুয়োকে মই নিজ হাতে মাৰিছিলোঁ। আৰু আজি মোক মাৰিবলৈ আহিছ। পাৰিবি জানো তহঁতে। তাৰ কথাৰ পিছত দুয়োটা প্ৰেতাত্মাই দুইফালৰ পৰা আগুৱাই আহিল। নাই সি পিছুৱাবও নোৱাৰে আৰু আগুৱাবও নোৱাৰে। দুয়োফালৰ পৰা আগবাঢ়ি আহিল দুখন দীঘল ৰক্তাক্ত হাত। স্বপনে ভয়ত কঁপিবলৈ ধৰিলে। দুয়োখন হাতে তাৰ ডিঙিত খামোচ মাৰি ধৰিলে। তেতিয়া মোৰ কাষতে থকা পুলিচ ইন্সপেক্টৰজনে প্ৰেতাত্মা দুটাকে বুলি দুটা গুলি মাৰিলে। গুলিতকৈও আৰু দুগুণ শব্দ কৰি দুয়োটা প্ৰেতাত্মা অদৃশ্য হৈ গ'ল।

আৰু মজিয়াত পৰি থাকিল স্বপনৰ দেহটো গোটেইটো তেজেৰে ৰঙালী। সেই নিশাই আমি দুয়োজনে আগবাঢ়িলো আৰক্ষী থানালৈ। পিছত স্বপনৰ ঘৰলৈ। ॥

> চৰিত্ৰ হ'ল জীৱনৰ কিৰীটি আৰু গৌৰৱ। ই মানুহৰ মহত্তম সম্পদ। ই নিজেই এক উচ্চ প্ৰতিষ্ঠা আৰু লোক দৃষ্টিত পৰম প্ৰশংসনীয়।
>
> —ছেমুৱেল স্মাইল্‌ছ

গল্প

# প্ৰতাৰণা

**গিৰিশ বৰ্মন**
স্নাতক, তৃতীয় বৰ্ষ

ঃ প্ৰিয়া, কি খবৰ?

ঃ ভাল......

ঃ প্ৰিয়া, তুমি বাৰু মোৰ পৰা আঁতৰি যাব খুজিছা নেকি?

ঃ..........

ঃ কিন্তু প্ৰেম জানো এনেকুৱা হ'ব পাৰে?

ঃ.........

ঃ তুমি বাৰু মোৰ লগত সঁচাকৈয়ে ইমানদিনে অভিনয় কৰি গ'লা নেকি? নামাতা কিয় প্ৰিয়া?

বিকিয়ে তীক্ষ্ণভাৱে প্ৰশ্ন কৰি গ'ল তাইক। মুখত এক ভয়াবহ অন্ধকাৰ। তাই কিছুপৰ মনে মনে থাকিল। তাৰ চকুৰ পিনে চাব নোৱাৰিলে তাই। বিকিৰ অন্তৰত যেন ক্ষোভৰ ৰেঙণি।

ঃ উত্তৰ নিদিয়া কিয়? অধৈৰ্যভাৱে চিঞৰি উঠিল সি।

ঃ নহয়......মানে......মানে.......বিকি......

ঃ কি মানে? হা?? একো মানে নাই। প্ৰেম কৰিবলৈ আহিছা, হা...... মোক কি বুলি ভাবিছা হা.........? কি বুলি ভাবিছা.....??

ঃ তুমি বুজা নাই বিকি। মানে........কথাটো হ'ল—মা-দেউতাই তোমাৰ লগত মোৰ বিয়া হোৱাটো নিবিচাৰে। গতিকে, মই মা-দেউতাক অশান্তি দি তোমাৰ লগত বিয়া হ'ব নোৱাৰোঁ।

ঃ আৰু মই........! মোৰ কি হ'ব.........? মই কি দোষ কৰিছিলো? ক'ব পাৰিবা? মই.....মই এতিয়া কি কৰিম........? কোৱা........মই কি কৰিম??

ঃ ছৰি বিকি........। পাৰিলে মোক ক্ষমা কৰি দিবা। সকলো ভুল মোৰেই; সকলো ভুল ময়েই গাত পপাতি লৈছো। প্লীজ বিকি...... মোক ক্ষমা কৰি দিবা......প্লীজ।

ঃ বাঃ! ছৰি বুলিলেই সকলো শেষ। মোক কিবা যন্ত্ৰ বুলি ভাবিছা নেকি হাঁ? যেতিয়া ইচ্ছা তেতিয়াই ব্যৱহাৰ কৰিবা। দৰকাৰ নহ'লে কাটি কৰি পেলাই থবা?

ঃ বিকি......প্লীজ.........বুজিবলৈ চেষ্টা কৰাচোন।

ঃ যদি সঁচাকৈয়ে এনেকুৱা হোৱাৰ সম্ভাৱনাই আছিল তুমি আহিছিলা কিয়? কিয় আহিছিলা মোৰ জীৱনলৈ? কোৱা, কিয় আহিছিলা? বিকি চিঞৰি উঠিল।

ঃ বিকি....... প্লীজ; পাগলামিখন নকৰিবাচোন।

ঃ হা........কি ক'লা......মই পাগলামি কৰিছো। হা.........মই.......!! তুমিয়েতো মোক এটা সময়ত কথা দিছিলা। এতিয়া ঘপককৈ তুমি এনেকুৱা কৰিলে মোৰ কি হ'ব.....হাঁ.......! মোৰ কি হ'ব.....। নেভাবা কিয়?? তুমি........তুমি কাৰো হ'ব নোৱাৰা.........চব জ্বলাই দিম।

ঃ বিকি.....প্লীজ......এইবিলাক কি আজে-বাজে কথা কৈ আছা? তোমাৰ এনেকুৱা কথাবোৰ শুনি শুনি মোৰ আমনি লাগিছে। বন্ধ কৰা তোমাৰ কথা।

ঃ প্ৰিয়া.....প্ৰিয়া তুমি বুজিবলৈ চেষ্টা নকৰা কিয়? মই বাৰু কেনেকৈ পাহৰিব পাৰিম তোমাক। তুমি কমচে কম অলপ বুজিবলৈ চেষ্টা কৰা। ইমানখিনি আগবঢ়াৰ পিছত তুমি এনেকুৱা কৰিলে মই কেনেকৈ জীয়াই থাকিম.....হাঁ...। তাতকৈ মৃত্যুৱে ভাল। প্লীজ....প্ৰিয়া তুমি এনে নকৰিবা। মই মৰি যাম প্ৰিয়া....মই মৰি যাম.........মোৰ জীয়াই থাকিবৰ মন আছে প্ৰিয়া। প্লীজ, মোক মৰিবলৈ নিদিবা।

বিকিয়ে এইবাৰ কাতৰ হৈ অধৈৰ্যভাৱে প্ৰিয়াৰ হাতখন খামুচি ধৰিলে।

ঃ বিকি.........! মই কলোৱেই নহয় লাভ নাই বুলি। তুমি আন এজনীক চাই লোৱা। তোমাৰ বাবে এই পৃথিৱীত বহুত ছোৱালী আছে।

ঃ প্ৰিয়া.........তুমি.........তুমি মোক এনেকৈ ক'ব পাৰিলা। যাক লৈ ইমানদিনে কত কল্পনা কৰিছিলো। এটা সময়ত আমি কল্পনাৰ ৰিকিক জন্ম দিছিলো। নাই.....নাহ, তুমি........তুমি বাৰু মোৰ সেই প্ৰিয়াজনী নহয় জানো? নাই.........নাই এনেকুৱা হ'ব নোৱাৰে। কেতিয়াও হ'ব নোৱাৰে। কি ভাবিছা মোক......হা.......কি ভাবিছা? ভাবিছা নেকি মোক অশান্তিত ৰাখি তুমি শান্তিত থাকিব পাৰিবা বুলি? তুমি কেতিয়াও শান্তিত থাকিব নোৱাৰা; মই তোমাক শান্তিত থাকিবলৈ নিদিওঁ........এটা ক্ষণো। দেখা যাব.......মোৰ মৃত্যু হলেও তোমাৰ কেতিয়াও শান্তি নহ'ব।

বিকি উত্তেজিত হৈ উঠিল।

হঠাৎ বিকিৰ গালত এটা পূৰ্ণহতীয়া চৰ পৰিল।

ঃ প্ৰিয়া..........তুমি............।

ঃ অ...........মই তোমাক..........।

প্ৰিয়াই আৰু একো ক'ব নোৱাৰিলে। তাই হুক্-হুকাই কান্দি দিলে।

* * *

হঠাৎ দুৱাৰত কোনোবাই নক কৰাত প্ৰিয়াৰ যেন সম্বিৎ ঘূৰি আহিল। ইমান সময়ে ৰাৰু মই কি পুৰণা কথাবিলাক ভাবি আছিলো। সঁচাকৈয়ে আজি তাইৰ বিকিলৈ খুব মনত পৰিছে। সি তাইক বহুত মৰম কৰিছিল। কিন্তু প্ৰিয়াই তাক প্ৰতাৰণা কৰিলে। সি এতিয়া ক'ত কোনেও নাজানে। আনকি তাৰ মাক-দেউতাকেও নাজানে। মাক-দেউতাকৰ একমাত্ৰ ল'ৰা সন্তান। বহুত আশা আছিল তাৰ ওপৰত। প্ৰিয়াৰ আজিও মনত আছে; সি এদিন তাইৰ আগত কৈছিল যে যদি সি তাইক জীৱন-সংগিনী কৰিব নোৱাৰে তেতিয়াহ'লে সি জংঘললৈ যাব। হয়তো সেয়াই হ'ল।

বাহিৰৰ ফালৰ পৰা ঘপকৈ দুৱাৰখন ঠেলি সৌৰভ ভিতৰলৈ সোমাই আহিল। লগত এটা মদৰ বটল।

ঃ ইমান ৰাতিলৈ ক'তনো থাকে? তাতে মদ খাই........... ছিঃ.......ছিঃ............।

ঃ কি হ'ল। মদ খাইছো মই......তোমাৰ কি হ'ল............হঁা?

ঃ তোমাক কাষত পোৱাটোও মোৰ বাবে আজিকালি দুৰ্লভ হৈ পৰিছে। আক্ষেপ তথা ব্যথিত সুৰত প্ৰিয়াই ক'লে।

ঃ ঐ.......মোক কি ঘৈণীয়েকৰ পাছে পাছে ফুৰাবিধৰ পুৰুষ বুলি ভাবিছা নেকি?

জোতাৰ ফিটা খুলিয়ে সৌৰভে কৈ গ'ল।

ঃ মইতো তোমাক সকলো সময়তে কাম-বন এৰি মোৰ লগত থাকিবলৈ কোৱা নাই। কৈছো নেকি?

প্ৰায় কান্দোন মিশ্ৰিত ভাৱেৰেই ক'লে প্ৰিয়াই। সৌৰভে বিৰক্তিৰ ভাৱ প্ৰদৰ্শন কৰি চিগাৰেট এটা জ্বলাই ল'লে।

ঃ তোমালোক........মানে মাইকী মানুহবোৰে কি বুজিবা— পুৰুষৰ যে বাহিৰত কিমান কাম থাকে।

ঃ থাকিব পাৰে! কিন্তু তোমাৰ বাহিৰত ইমান ৰাতিলৈ কি কাম থাকে সেইটো মোৰ জনা আছে।

ওলাই আহিব খোজা কান্দোনটো কোনোমতে চেপি ৰাখি প্ৰিয়াই কৈ উঠিল।

লগে লগে কোঠাটোৰ ভিতৰত যেন বোমা এটাৰহে বিস্ফোৰণ ঘটিল। জ্বলন্ত চিগাৰেটটো প্ৰিয়াৰ ফালেই দলি মাৰি দি সৌৰভে গৰজি উঠিল।

ঃ কি? কি বুলি ক'লা? আকৌ এবাৰ কোৱাচোন। মোক এনে কথা ক'বলৈ সাহস ক'ৰ পৰা পালা। আচৰিত........।

প্ৰিয়ায়ো এইবাৰ তাৰ কথাত সমানে গৰজি উঠিল।

ঃ তুমিও মুখ চম্ভালি কথা ক'বা। তুমি মোক হকে-বিহকে গালি পাৰি থাকা। কি মোৰ বেয়া নালাগে? তোমাৰ লাজ নালাগে; নিজৰ পত্নীৰ উদ্দেশ্যে অশ্লীল কথা ক'বলৈ? তুমি সঁচাকৈয়ে পশু হৈ গৈছা, প.....শু......। ছিঃ.........।

ঃ প্ৰিয়া.......... চিঞৰি উঠিল সি। কাক ৰঙা চকু দেখুৱাবলৈ আহিছা.........হঁা। চিনি পোৱা নাই মোক? ইস্.........এনে একেবাৰে সতী-সাবিত্ৰীজনী। এতিয়া একেবাৰে ধোঁৱা তুলসীৰ পাত হ'বলৈ আহিছা....। নাজানো নেকি মই বিয়াৰ আগতে কেইজনৰ লগত গুপুত প্ৰেমৰ খেলাত মছগুল হৈ আছিলা। তোমাৰ মনত পৰে; তোমাৰ সেই মৰমৰ বিকিদাৰ কথা? যিয়ে তোমাৰ বাবে হয়তো সকলোৰে অজানিতে ক'ৰবাত নিজৰ জীৱনক ধ্বংস কৰি দিলে।

ঃ তুমি জানিছিলাই যদি কিয় বিয়া কৰাইছিলা মোক? কিয়.......? এক অসহ্যকৰ আবেগত উচুপি উঠিল তাই।

ঃ একমাত্ৰ দেউতাৰ বাবে। দেউতাৰ সন্মানৰ বাবে। চাল্লা......সকলো অভিনয়..........।

খঙেৰে শব্দকেইটা কৈ সৌৰভে দপদপাই শোৱনি কোঠালৈ সোমাই গ'ল।

বিছনাখনত উবুৰি খাই পৰি প্ৰিয়াই হেঁপাহ পলুৱাই কান্দিবলৈ ধৰিলে।

সুখী নহয়.........., প্ৰিয়া অকণো সুখী নহয় তাইৰ বিবাহিতা জীৱনৰ এই দুটা বছৰত। সৌৰভৰ এটা ভাল চাকৰি আৰু হয়তো ভাল ঘৰৰ অৱস্থা চায়েই তাইক বিয়া দিছিল। কিন্তু সেয়াই জানো সকলো। তায়ো সৌৰভক লৈয়ে এখন সুখৰ সংসাৰৰ সপোন ৰচিছিল। কিন্তু ক'ৰবাত যেন কিবা ভুল হৈ গ'ল— যাৰ পৰিণতি তাই এতিয়া পলে পলে অনুভৱ কৰিছে। আজি তাইৰ মনলৈ বিকিৰ কথা বাৰে বাৰে আহিব ধৰিছে। সঁচাকৈয়ে তাই বিকিক প্ৰতাৰণা কৰিলে। আজি তাইৰ এনে লাগিছে যেন তাই এতিয়াই তাৰ ওচৰলৈ গুচি যাব? কিন্তু সি.......সি বাৰু এতিয়া ক'ত? তাক বাৰু ক'ত লগ পাব তাই। পালেও জানো তাইক সি ক্ষমা কৰিব? ল'বনে আঁকোৱালি তাইক সি দুবাহুৰে সজোৰে? ❈

গল্প

# এয়াই জীৱন

বিপুল কাকতি
স্নাতক, দ্বিতীয় বৰ্ষ

সময় বৰ নিষ্ঠুৰ। প্ৰতিটো নিষ্ঠুৰ মুহূৰ্তই মানুহৰ ীৱনলৈ কঢ়িয়াই আনে দুঃসহ বেদনা। দুখময় ৰাতিবোৰ াৰু দুৰ্বহ হৈ পৰে। ক'বতো নোৱাৰি কাৰ জীৱনলৈ কতিয়া নামি আহে আঁউসীৰ আন্ধাৰ। য'তে-ত'তে হত্যা, ুণ্ঠন আৰু অগ্নিকাণ্ড। ভয়-বিহ্বল মানুহৰ হৃদয়ত বিৰাজ কৰিছে মৃত্যু-প্ৰহেলিকা।

সি কালিলৈকে আমাৰ স'তে একেলগে হাঁহি- ধমালি কৰি আছিল। আজি সি গুচি গ'ল আমাক এৰি, বিধবা মাকজনীক এৰি। তাৰ অনুপস্থিতিত কি স'তে াকজনী জীয়াব বাৰু! কথাটো অৱশ্যে মই ভালদৰে জনা াছিলো, সি যে নিষিদ্ধ সংগঠনৰে জড়িত। তাক লগ াইছিলো সেই কলেজত পঢ়ি থাকোতে মাকজনীয়ে ীৱনটোত সুখ বুলিবলৈ কিজানি একোৱে নাপালে।

ৰবিন আৰু মই একেলগে কলেজত পঢ়িছিলো। ৰবিন সাহসী, স্পষ্টবাদী আৰু যিকোনো কামতে আগৰণুৱা াছিল। আমি দুয়ো প্ৰায় একেলগে আছিলো। আমাৰ াজত, আমাৰ ভিতৰৱা কথাবোৰ দুয়োজনে কোনো লুক- াক নকৰাকৈয়ে দুয়ো দুয়োৰে আগত প্ৰকাশ কৰিছিলো। সি সদায় কৈছিল এখন আদৰ্শ নিকা সমাজৰ কথা। আৰু কৈছিল— সমাজ কলুষিতাৰে ঢাক খাই পৰিছে। মানুহৰ নবোৰত ক'লা চাপ পৰিছে, যাৰ বাবদ মানুহবোৰ বৰ্বৰ হৈ পৰিছে। সি মোক কৈছিল— জীয়াই থাকিবলৈ হ'লে চৌপাশ নিকা হ'ব লাগিব। অৰ্ণৱ তয়ে কচোন কিমান আদৰ্শবাদী আছিল। ৰবিন আৰু কিমান আশা কৰিছিল নিজৰ সমাজখনকলৈ।

ৰবিনৰ লগত মই এদিন সিহঁতৰ ঘৰলৈ গৈছিলো। সিহঁতৰ প্ৰাণী বুলিবলৈ তিনিটা মাথো— সি মাকজনী আৰু এজন লগুৱা। ঘৰৰ মানুহৰ দৰে লগুৱাটোও যেন ৰবিনৰ সৰু ভায়েকহে।

ৰবিনৰ দেউতাক ওচৰৰে স্কুল এখনৰ হেডমাষ্টৰ আছিল। আদৰ্শবাদী শিক্ষক হিচাপে তেওঁ গাঁৱৰ মানুহখিনিক সজ উপদেশ দিছিল আৰু অসহায় অৱস্থাত পৰি থকা মানুহক সহায় কৰিছিল। এদিন সিহঁতৰ জীৱনলৈ দুৰ্যোগ নামি আহিছিল। নামি আহিছিল বাসন্তীৰ ভৰপূৰ গাভৰু জীৱনলৈ এক ভয়াবহ ক'লা ছাঁ। উগ্ৰপন্থীৰ সহায়ক বুলি কোনো দুৰ্বৃত্তই এজাহাৰ দাখিল কৰিলে পুলিচৰ ওচৰত। সেই অভিশপ্ত ৰাতিয়ে ৰবিনৰ দেউতাকক পুলিচে ঘৰতে গুলীয়াই হত্যা কৰিলে। কৰুণ মৃত্যুত ঘৰ তথা গাওঁখনলৈ আন্ধাৰ নামি আহিল।

বাসন্তীৰ জীৱনলৈ ধুমুহা নামি আহিল, জীৱনটো অসাৰ অসাৰ যেন লাগিল। সেই ফুলকুমলীয়া গাভৰু জীৱনটোত আহি পৰিল বিধবাৰ সাজ। জীয়াই থকাৰ সম্বল হিচাপে ৰবিনক সাবটি ধৰি জীয়াবলৈ লৈছিল। বহু আশা, বহু কল্পনা আগত লৈ জীয়াই আছিল। আজি নিষ্ঠুৰ নিয়তিয়ে সেয়াও গ্ৰাস কৰি পেলালে।

জানা অৰ্ণৱ, ৰবিনৰ জীৱনটোৰ বিষয়ে মই জ্ঞাত। কিন্তু সি কেতিয়াৰ পৰা উগ্ৰপন্থী হ'ল নাজানো। জানা অৰ্ণৱ, তাৰ জীৱনত বিদ্ৰোহী মন দুটা অৰ্থত আহিছিল। যেতিয়া সি গম পাইছিল, পুলিচৰ নিষ্ঠুৰ নৃশংসতাৰ বলি হৈছিল দেউতাক। আৰু জীৱনলৈ বিতৃষ্ণা আহিছিল প্ৰিয়ংকাৰ প্ৰবঞ্চনাৰ পৰা। মই গুৱাহাটীলৈ পঢ়িবলৈ গুচি যোৱাৰ পিছত ৰবিনৰ কোনো খবৰ পোৱা নাছিলো। হঠাৎ খুৰীদেউৰ চিঠি এখন পাইহে জানিলো সি হেনো জংঘলে জংঘলে ঘুৰি ফুৰে। বছ! এইখিনিয়ে।

আমি তেতিয়া স্নাতক দ্বিতীয় বৰ্ষৰ। মোৰ আজিও মনত পৰে। আমাৰ কলেজত নতুনকৈ এজনী ছোৱালীয়ে নামভৰ্ত্তি কৰিছিল। খুব স্মাৰ্ট আৰু দেখনিয়াৰ আছিল তাই। প্ৰথম চিনাকিতে ৰবিন মুগ্ধ হৈ গৈছিল আৰু তাইৰ প্ৰতি দুৰ্বাৰ ভাল পোৱা জাগি উঠিছিল। সি তাৰ জালত ধৰা পেলাইছিল প্ৰিয়ংকাক। ৰবিন সঁচাই প্ৰেমৰ পূজাৰী

আছিল। দিনক দিনে সিহঁতৰ প্ৰেম গাঢ় হৈ আহিছিল। এদিন দুয়ো দুয়োৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈ পৰিছিল। দুয়ো দুয়োকে এদিন নেদেখিলে যেন কিবা হৈ গৈছিল। ইমানখিনিৰ মাজতো প্ৰিয়ংকাই এদিন গুচি গৈছিল হঠাৎ চিনাকি এজন যুবকৰ লগত অজান দেশলৈ। এনেকৈয়ে ৰবিন এদিন বিদ্ৰোহী হৈ উঠিছিল।

জানা সেই পাষাণটো কিছুদিন আগতে আত্মসমৰ্পণ কৰিছে। জানা, সিয়ে নিলে ৰবিনৰ জীৱন। মই আৰু নাকান্দো, কাৰণ সি আৰু নাহে নহয়। আজি এৰছৰৰ ভিতৰত পৰহিহে সি আহিছিল ঘৰলৈ। ৰবিন অহা গম পাই সি পাষাণটোৱে পুলিচ লৈ আহিছিল তাক নিবলৈ আৰু জানা, ৰাতিয়ে মোৰ সোণটোক টানি-আঁজুৰি লৈ গ'ল আৰু হেনো মোৰ ওচৰলৈ কেতিয়াও আহিব নিদিবই। তুমিয়ে কোৱা বিপুল, মই কিদৰে জীয়াই থাকো। মাকে কান্দিছিল, কৈছিল।

ৰাতিপুৱাৰ ৰক্তিম আভাই তেতিয়া গোটেই পৃথিৱী পোহৰ কৰি তুলিছিল। বিভিন্ন চৰাইৰ কলৰৱে এক সংগীতৰ ৰোল তুলিছিল। অনৰ্গল উচ্চাৰিত হ'ল— এয়ে জীৱন। এয়াই মানৱ জীৱন।

❋ ❋ ❋

নীতি আৰু আচৰণে জীৱনক ৰঙীন কৰে, বিধি-বিধানতকৈ এই দুই অধিক গুৰুত্বপূৰ্ণ। .........আমাৰ আচৰণ আমাৰ লগত সদায় থাকে আৰু আমি উশাহত টনা বায়ুৰ দৰে সমাজত সৰ্বব্যাপক হৈ থাকে। সজ আচৰণ বোলা কথাটো সজ ব্যৱহাৰৰ বাদে আন একো নহয়।

—ছেমুৱেল স্মাইলছ

কবিতা

# জীৱনৰ দুখ

অৰূপ ডেকা
স্নাতক, প্ৰথম বৰ্ষ

াহাৰী নিজৰাৰ দৰে
ল কুলুকৈ বয়
দয়ৰ প্ৰতিটো ভাঁজে ভাঁজে
ীৱনৰ সোণোৱালী দুখ।
ন গহনৰ আঁৰ লৈ
ীৱন নদীৰ পাৰে পাৰে
কশোৰৰ উপত্যকা গৰকি
দয়ৰ অন্তঃকোণৰ মাজেৰে
িগৰি নিগৰি বয়
ীৱনৰ সোণোৱালী দুখ। ❋

# মোৰ জীৱন

নিজামুদ্দিন আহমেদ
উঃ মাঃ, দ্বিতীয় বৰ্ষ

মোৰ জীৱনৰ আশাৰ তৰী
উটি গ'ল এক নিজান ৰাতি।
পাৰৰ পৰা ঠেলা মাৰি নিজে
পৰিলো প্ৰবল সোঁতৰ মাজে।
কেতিয়াবা ডুবোঁ নাইবা ভাহোঁ
ডুবিলে কান্দো ভাহিলেহে হাঁহো।
হহাঁ-কন্দা খেল বহুত খেলি
ভাগৰত আছো দুচকু মুদি।। ❋

# এজাক বৰষুণ

তপন শৰ্মা
প্ৰবক্তা

চপৰা ভিজা এজাক বৰষুণ
কাতি কিম্বা আঘোণ
নকৈ গজি উঠা সৰিয়হডৰাত
আশাৰ মনচুন.........
জীৱনৰ ঠুঁটিয়া পাতত
হেপাহৰ কুমকুম.....।
কি যে এক ধুম খুন্দা বৰষুণ
মাঘ কিম্বা ফাগুন
বিধ্বস্ত ফুলা সৰিয়হডৰা দেখি
হৃদয়-সাগৰত আজি
দুৰ্দমনীয় চাইফুন
দুবাহু প্ৰসাৰিত কৰি বিচাৰি ফুৰিছো
শান্তিৰ কপৌজনী
তাই মোৰ তাহানিৰেই চিনাকি
তাতোকৈ চিনাকি তাইৰ
ৰুণ ৰুণ ৰুণ ৰুণ।। ❋

# কবিতাৰ আঁত

ভনিমা কাকতি
উঃ মাঃ, দ্বিতীয় বৰ্ষ

আকাশৰ দৰে ময়ো জানো
ফুল ফুলিবলৈ
ৰঙা, বগা, হালধীয়া আৰু বহুতো।
নিশাৰ দৰে মোৰো
বুকুত ফটিকৰ দৰে জিলিকি থাকে
নিয়ৰৰ কণিকাবোৰ।
নদীৰ দৰে ময়ো যাব পাৰো সাগৰলৈ
একোখন উদাস
আলসুৱা অকৃত্ৰিম হৃদয়ৰ নাৱত
পৃথিৱীৰ দৰে ময়ো ৰ'ব পাৰো
এটি নতুন শতিকালৈ
যি শতিকাত মই
বিচাৰি পাম
অত দিনে বিচাৰি থকা কবিতাৰ আঁত। ❋

# কবিতা তোমাৰ বাবে

ইয়াজুল হক
স্নাতক, দ্বিতীয় বৰ্ষ

তোমাৰ বাবেই আজি মোৰ
পোহৰতো আন্ধাৰ।
তোমাৰ বাবেই আজি মই
দিশহাৰা দুৰ্বাহ।

আকাশ যেতিয়া ক'লা হয়
বৰষুণৰ টোপাল হৈ পৃথিৱীত পৰে।
অন্তৰ যেতিয়া ক'লা হয় কি হয় মাজনী?
হিয়া ভাঙি দুচকুৰেদি চকুলো সৰে।।

কিয় আজি ঘনে ঘনে আমনি কৰে
বিষাক্ত হৃদয়ৰ স্মৃতিয়ে।
তোমাৰ বাবেই আজি মই দিশহাৰা.........। ❋

# আৱেগ ভৰা চকুলো

লীনা চৌধুৰী
স্নাতক, প্ৰথম বৰ্ষ

ফুল ছিঙিলে গছে যিমান দুখ পায়
হৃদয়ৰ মৰম আঁতৰিলে মানুহৰ মনেও সিমান কষ্ট পায়।
আৱেগেৰে ভৰা এয়া হৃদয়।
ধুমুহাৰ নিচিনাকৈ মৰম আহে আৰু আঁতৰি যায়
কিয় জানো এনে হয়,
জানানে তুমি কিয় এনে হয়?
মায়াভৰা এয়া জীৱন
কতো থানথিত নাই।
মানুহৰ মৰম মানুহেই আঁতৰাই পেলাই
তাৰ কোনো চিনচাব নাই।
আশাহীন জীৱন সীমাহীন নৈ।
বাগৰে কুল কুলু শব্দকে।
ভাগৰুৱা জীৱন এটি লৈ কিদৰে জীয়াই আছো মই
শূন্য পৃথিৱীৰ বুকুত।
দিবা জানো কোনোবাই হৃদয়ত অকণমান ঠাই
ল'বা জানো আলফুলে তোমাৰ কোলাত বহুৱাই
দিবা জানো চুমা আঁকি দুগাল ওপচাই। ❋

# আশা

কবিতাৰাণী কলিতা
স্নাতক, তৃতীয় বৰ্ষ

নিঃসংগ নিৰস জীৱনৰ পৰা
তোমাৰ মৰমেই শিকালে
জীৱন, যৌৱন কি?
তোমাৰ মৰমতেই শিকিলো
কল্পনা কৰিব তোমাৰ উমাল বুকুত
চুমা খাই সপ্তৰঙী ওঁঠেৰে
প্ৰতিটো নিশা সাৰ পাম
কেৱল তোমাৰ বাষ্পাকুল নিশ্বাসৰ
সুগন্ধ বিচাৰি! ❋

# বেদনা

চবিনা ইয়াছমিন
স্নাতক, প্ৰথম বৰ্ষ

যেতিয়া তোমাৰ কথা ভাবোঁ মই
দুগালে চকুলো নিগৰি পৰে।
মনৰ মাজত বাহ লয়
অবুজ বেদনাই।
তুমি আহিছিলা এবুকু মৰম যাচিবলৈ
তেতিয়া মোৰ জীৱনলৈ আহিছিল সপোন
জীৱন গঢ়াৰ অলেখ সপোন
তোমাৰ মোৰ পৃথিৱীখন বিচিত্ৰময়।
কিন্তু আজি মোৰ সিক্ত প্ৰাণে
বিচাৰে তোমাৰ এবুকু মৰম।
দিবা জানো ঠাই মোক
তোমাৰ হৃদয়ত? ❋

কবিতা

# এন্ধাৰ

মিনতি দাস
স্নাতক, প্ৰথম বৰ্ষ

ৰাতিৰ নিস্তব্ধ মুহূৰ্ত্তত
মোৰ এন্ধাৰলৈ ভয় লাগে
এন্ধাৰত যে তোমাক দেখা নাপায়
নীৰৱে অকলে তোমাক পাবলৈ
উপভোগ কৰিবলৈ
তোমাৰ মৰমৰ সান্নিধ্যলৈ
মই বাট চাম
জোনে তৰাই খেলা সময়লৈ।
নীৰৱ সেমেকা ৰাতিও
নদীখন বৈ আছে, কি যে অবিৰত যাত্ৰা
তুমি যিটো পাৰে আছা
কুঁৱলীৰ বাবে তুমি হয়তো
দেখা নাই মোক,
নদীৰ অবুজ কোলাহলত
হয়তো তুমি শুনা নাই মোৰ কাতৰ আহ্বান
নতুবা জিলিৰ মাতত বিভোৰ হৈ থাকোঁতে
তুমি অনুভৱ কৰা নাই মোক
মই সাৰে আছো
তোমালৈ বাট চাই।
নিয়ৰৰ টপ টপ শব্দত
মোৰ মন উৰি যায়
অকলে তোমাক পাবলৈ
তোমাৰ মৰমৰ বন্যাত নৌকা বিহাৰ কৰিবলৈ
তথাপিতো মই যাবলৈ সাহস কৰা নাই
কিয়নো বাহিৰত যে বহুত এন্ধাৰ। ❋

# শান্তিৰ প্ৰতীক কপিলী

উষাৰাণী দাস, স্নাতক, প্ৰথম বৰ্ষ

মোৰ ঘৰৰ নিচেই ওচৰত এটি নদী আছে
তাইৰ নাম হ'ল কপিলী।
কুলু কুলু সুৰে দিনে-নিশাই গীত গায়
তাইৰ যে অকণো দুখ-ভাগৰ নাই।।
এফালে গছ-বিৰিখেৰে ভৰা, আনফালে কঁহুৱা বননি
তাৰ মাজেৰে তাই বৈ যায় ঢৌ তুলি হাঁহি হাঁহি
দিনে-নিশাই তাইৰ বুকুতে গাঁৱৰ জীয়ৰী-বোৱাৰীৰ
কামৰ যেন নপৰে বিৰতি।।
প্ৰতিদিনে সন্ধিয়া তাত ডেকা-গাভৰুৱে আশ্ৰয় লয়
কিয়নো তাই যে দিয়ে আমাক শান্তি।।
সেয়েহে গাঁৱৰ জীয়ৰী-বোৱাৰীৰ
কপিলীয়ে যেন একমাত্ৰ শান্তিৰ থলী।।
তাইৰ কাৰণে আমি প্ৰত্যেকে দীৰ্ঘায়ু কামনা কৰোঁ
তাই যে আমাৰ জীয়াই থকাৰ শান্তিৰ প্ৰতীক।।

❋ ❋ ❋

# প্ৰিয়তমা

প্ৰাঞ্জল কলিতা, স্নাতক, দ্বিতীয় বৰ্ষ

মোৰ হিয়াত একুৰা প্ৰচণ্ড অগনি জ্বলাই
কিয় তুমি আঁতৰলৈ গুচি গ'লা।
মোক সংগীহীন কৰি।
প্ৰিয়তমা বুলি মই তোমাক
বুকুত সাবটি ধৰিছিলো;
আৰু দুয়ো দুয়োকে প্ৰতিশ্ৰুতি দিছিলো
ভৱিষ্যতে সোণালী সপোন ৰচিম বুলি।
কিন্তু প্ৰিয়তমা,
ক'লৈ গ'ল আমাৰ সৌ সিদিনাৰ
সম্ভাৱনাময় প্ৰতিশ্ৰুতিবোৰ।
অবলা নাৰীৰ অভিনয় কৰি তুমি
কিয় মোক প্ৰবঞ্চনা কৰিলা?
কিয়! মোৰ হৃদয় ভাঙি চুৰমাৰ কৰিলা?
সেয়ে শেষবাৰৰ বাবে সুধিছো তোমাক
পাৰিবানে কোনোবাই মোৰ ভগ্ন হৃদয়
পুনৰ জোৰা লগাবলৈ? ❋

## কবিতা

# সুন্দৰ প্ৰভাত

তপন মহন্ত, উঃ মাঃ, দ্বিতীয় বৰ্ষ

পূব আকাশত মিচিক-মাচাককৈ
বেলিটি উদয় হ'ল
চৰাই-চিৰিকটিৰ কলকলনিত
আকাশ মুকলি হ'ল।
টোপ টোপ নিয়ৰৰ পানী
গছে-বনে লাগি আছে
সুন্দৰ প্ৰভাতৰ কোমল ৰ'দালিত
চিকমিক কৰি নাচে।
প্ৰভাততে ক'ৰবাৰ পৰা
আহিছে মধুৰ সুৰ
মলয়া বতাহে উৰুৱাই আনি
পেলাইছে হিয়া জুৰ।
ভোমোৰাই গাই গুণ গুণ কৰি
সূৰুযৰ পোহৰ পাই
দূৰণিৰ পৰা কুলু কুলু কৰি
নিজৰায়ো গীত গায়। ❋

# মায়া

অলকা ডেকা, স্নাতক, প্ৰথম বৰ্ষ

পথৰ দাঁতিতে
ছাঁবোৰ ৰৈ আছে
সিহঁতৰ কৰুণাভৰা মায়াৰে
তুমি গচকি যোৱা হ'লে
ব'হাগে দুখ পাব
শৰতে হাঁহিব;
মোৰ প্ৰেমিকে বতাহক সুধিব আৰু ক'ব
প্ৰেমৰ গান গোৱা
ফুলবোৰত তুমি বাৰুদৰ গোন্ধ
বিলাই নিদিবা
মোৰ হৃদয় বাগিচাত খৰাং হলেও
তোমালৈ মোৰ আমন্ত্ৰণ থাকিল
তুমি আঁকি দিবা এজোপা বৃহৎ বটবৃক্ষ
জীপাল কৰি ৰাখিবা
তোমাৰ কৰুণাভৰা মায়াৰে। ❋

# মৰমৰ 'সোণমইনা'লৈ এখনি প্ৰেমপত্ৰ

ইয়াজুল হক (মুন্না), স্নাতক, দ্বিতীয় বৰ্ষ

মৰমৰ সোণমইনা,

পোনপ্ৰথমে মোৰ হৃদয়ৰ আঁৰে আঁৰে লুকাই থকা "মন" আৰু "মৰম" ল'বা। বৰ্তমান মোক বৰৰে 'যৌৱনে আমনি কৰি আছে'। আশা কৰো তোমাৰ ভাল।

"প্ৰিয়া অ' প্ৰিয়া",

তোমাৰ লগত হোৱা প্ৰথম চিনাকিতে তুমি মোক কম 'লটিঘটি' কৰা নাছিলা। তুমি ভুল নুবুজিবা— "এই মৰম তোমাৰ বাবে"। তুমি হয়তো "অভিমান"ত কবা— "ইমান মৰম কিয় লাগে"। তথাপি মৰমী "তুমি মোৰ মাথোঁ মোৰ"। সৌ সিদিনা "মাঘত মামণিৰ বিয়া"ত তোমাক "চিকমিক বিজুলী"ৰ দৰে দেখিলো। তেতিয়াৰ পৰা মোৰ 'বুকুৰ মাজত জ্বলে"। সেইবাবে মাজনী সুধিছো— "আছেনে কোনোবা হিয়াত"? এবাৰ তুমি কবানে "আই লাভ ইউ" বুলি। আমাৰ "চিৰাজ" দাদাই তোমাক আমাৰ "সৰু বোৱাৰী" কৰিব বিছাৰিছে। "মৰমী হবানে লগৰী"? সেয়েহে অহা বহাগৰ দুপৰীয়া "ডাঃ বেজবৰুৱা" খুৱাহঁতক লগত লৈ "জীৱন নদীৰ দুটি পাৰ"ৰে গৈ "মৰম নদীৰ গাভৰু ঘাট"ত আমাৰ "প্ৰিয়া মিলন" কৰিব খুজিছো। যদি তুমি ৰাজী হোৱা, তেনেহ'লে মোৰ "বৰলাৰ সংসাৰ"ৰ পৰা "এয়েই জোনাকবিহীন জীৱন" আঁতৰি 'প্ৰেম জনমে জনমে' হ'ব।

মোৰ হৃদয়ৰ মৰম তোমালৈ "অৰ্পণ" কৰি আজিলৈ এৰিছো। পুনৰ 'মিঠা মিঠা লগনত' "শেষ উপহাৰ" দিয়াৰ আশাৰে। 'তুমিয়ে মোৰ কল্পনাৰ' বেয়া নাপাবা দেই.................

ইতি
তোমাৰ
"প্ৰিয়জন"
"আই লাভ ইউ"

কবিতা

# মাতৃৰ বকুৰ জুই

জিয়াউৰ ৰহমান
স্নাতক, প্ৰথম বৰ্ষ

চৌদিশে বাজি উঠে মৃত্যুৰ ঝংকাৰ
আতংকিত মন সমগ্ৰৰ
শীতল আকাশ পৰিপূৰ্ণ
অবিৰাম প্ৰতিধ্বনিৰে
ধৰ-ধৰ মাৰ-মাৰ।
ভৰি পৰিছে মাতৃ বক্ষত
কৰ্ম নিদাৰুণ দানৱৰ
নিৰ্যাতিত নিৰীহ লোকৰ মৃতদেহ
আনন্দত ভুগিছে আকাশী শগুনে
কলিজাৰ কেঁচা তেজ।
আনন্দ মনে ফুৰিছে মাতৃৰ বুকুত
শ শ শগুনৰ জাক
আজি অসহ্য মাতৃৰ বক্ষ
উলাই কৰিব পাৰে কি কোনাবাই।
আকাশত স্ৰজিছে সোণৰ কাৰেং
প্ৰভুত্ব কৰিছে পেটত ভৰাইছে
নাই তাত কোনো বিচাৰ-অবিচাৰ
আনন্দ কৰিছে আনন্দ ভুগিছে
কেঁচা তেজৰ খেল চাই।
আজি জ্বলি উঠিছে ৰুধিৰ উমত
অচেতন মাতৃৰ বুকু
জ্বলাই তুলিছে কবিৰ দেহত
নিগৰি আহি দুধাৰি অশ্ৰু।
অশ্ৰু নহয় এয়া কালনাগৰ বিষ
পান কৰিব যিজনে
অনায়াসে ভুঞ্জিব ক্লেশ।
আজি কবিতাৰ যোগে জগাওঁ
হে নিদ্ৰাৰত জনগণ
মাতৃৰ বুকুৰ জুই নুমাবলে
আহক আমিয়ে কৰোঁ পণ। ❋

# ঈশ্বৰৰ সন্ধানত

ৰুণুমী দাস
উঃ মাঃ, দ্বিতীয় বৰ্ষ

মই আজি এজন ঈশ্বৰৰ সন্ধানত
সুউচ্চ হিমালয়ৰ গিৰি শিখৰত কিম্বা
প্ৰশান্তৰ অতল গহ্বৰত নাইবা
বিষুবৰ তপ্ত বলয়ত।
মই সন্ধানৰত এজন ঈশ্বৰৰ
হে ঈশ্বৰ তুমি ক'ত?
মানুহৰ হৃদয়ৰ মাজত
শোষিতজনৰ ৰুক্ষ মুখাৱয়ত,
নিষ্পেষিতজনৰ তপ্ত অশ্ৰুত নে
মন্দিৰ, মছজিদ, গীৰ্জা-ধৰ্মীয় অনুষ্ঠানত।
ঈশ্বৰ তুমি নিৰাকাৰ নোহোৱা
তুমি সৰ্বব্যাপ্ত নহয়
তুমি অনন্ত, অসীমো নহয়।
হে ঈশ্বৰ, যান্ত্ৰিক যুগ আজিৰ সময়
তোমাৰ আকাৰ আছে, তুমি এক
পাৰিবা জানো তুমি যান্ত্ৰিকতাৰ অৱসান ঘটাই
শান্তিৰ শীতল ফল্গু বোৱাব।
তপ্ত হৃদয় যদি শীতল নহয়
অশান্ত পৃথিৱী যদি শান্ত নহয়, তেন্তে
হে ঈশ্বৰ, চূৰ্ণ হ'ব তোমাৰ অহংকাৰ
বিলোপ হ'ব তোমাৰ অস্তিত্ব। ❋

## কবিতা

# প্ৰতীক্ষাৰ শেষত

মিন্টুল আলী খান
স্নাতক, দ্বিতীয় বৰ্ষ

মোৰ জীৱন-নাটৰ লগৰীয়া হ'বলৈ
আহিছিলা যিদিনা তুমি;
সিদিনা পাইছিলো মই মোৰ জীৱনত
অকণমান সুখৰ ৰেঙণি।
নাযাবা নাযাবা বুলি চিঞৰিছিলো কতবাৰ
কিন্তু হায়! নুশুনিলা তুমি;
মাথোঁ দলিয়াই দিলা তুমি মোক
পৰ বুলি পথৰ দাঁতিত।
কক্‌বকাই কক্‌বকাই উঠিছিলো মই
দেখিছিলো চাৰিওফালে অন্ধকাৰ
এনেদৰে তুমি মোৰ জীৱনৰ পৰা
বহু দূৰলৈ আঁতৰি গৈছিলা।
আকৌ চিঞৰিছিলো মই তোমালৈ বুলি
কিন্তু হায়! নাচালা ঘূৰি
আকৌ মোৰ জীৱন-নাটলৈ আহিছিলা তুমি
কঢ়িয়াই লৈ দুখৰ ৰেঙণি।। ❋

# শেৱালি

হেৰম্ব শৰ্মা
উঃ মাঃ, দ্বিতীয় বৰ্ষ

তোমাৰ বাবেই
ৰৈ আছো মই
অন্তহীন বেদনা
বুকুত সাবটি লৈ।
মোৰ জীৱনৰ আঁউশীৰ নিশা
তোমাৰ সান্নিধ্যৰে
পোহৰাই তোলো আহা
বুটলি পেলাওঁ দুৰ্গম পথৰ কাঁইট।
আহা হাতে হাত ধৰি
পাৰ হওঁ জীৱনৰ মধুময় সময়।
ৰৈ আছো মই মাথোন
তোমাৰ বাবেই। ❋

# প্ৰেম, হৃদয়, জীৱন ইত্যাদি

টংকেশ্বৰ ডেৱ
প্ৰবক্ত

কাঁইটীয়া সময়ত
গুঁজি দি আপদালিত প্ৰেম
সত্যতাৰ ৰ'দত
উদঙাইছো বিবস্ত্ৰ হৃদয়
ক্ৰমশঃ সেউজী হৈ উঠিছে
জীৱনৰ প্ৰতিটো অনুচ্ছেদ।
জুখিবলৈ টাৰ মাৰিছো
কথাৰ সিন্ধু কিমান গভীৰ
গভীৰ কিমান সভ্যতাৰ এন্ধাৰ।
মনে জানে
গানে গানে কিমান সুৰ
সুৰে সুৰে কিমান দূৰ ঢুকি পায়
জীৱন আকাশৰ ৰং।
আকাশ হেঙুলীয়া নে তামবৰণীয়া
কাঁইটীয়া সময়ত
আপদালিত প্ৰেমৰ বিতচকুৰে
মনিব নোৱাৰি।
অনুভৱ কৰিব নোৱাৰি
জীৱন উত্তাপৰ মাপ
সভ্যতাৰ ৰ'দত
বিবস্ত্ৰ হৃদয় উদঙাই
নীলা নীলা বিচাৰি
ডেউকা মেলে
আশাৰ চৰাই। ❋

কবিতা

# অনুভূতি

সবিতা শৰ্মা
স্নাতক, দ্বিতীয় বৰ্ষ

খিৰিকীখন মেলি দিলো
পুৱাৰ ফেঁহুজালিৰে
সূৰুযে মিচিকিয়াই ক'লে
দাপোণত নিজকে এবাৰ চাই লোৱা
সন্মুখত তোমাৰ সোণালী ভৱিষ্যত।।
গীৰ্জা ঘন্টাটো বাজি উঠিল
চিৰ পৰিচিত সেই প্ৰাৰ্থনা-ধ্বনি
মিলি গ'ল দূৰ দিগন্তত
ফুটপাথত সেয়া কিহৰ কলৰৱ?
এডুখৰি বস্ত্ৰ, এমুঠি অন্ন
এখনি ৰুগ্ন হৃদয়, সিও যে ভগ্ন।
আন্ধাৰে আৱৰি ধৰিলে
গম পালো নিশা হ'ল।
ঘৰমুখী পখীজাকে
কাণে কাণে কৈ গ'ল
সাৱধান বন্ধু এতিয়া
পোহৰৰ সৈতে আন্ধাৰৰ মিতিৰালি
নগ্ন সভ্যতাৰ
ভদ্ৰ মুখাবোৰৰ
প্ৰলাপ বকাৰ সময়।
শীতৰ এজাক ফিৰফিৰীয়া বতাহ
অকলশৰে মই, সন্মুখত মোৰ
চিনাকি খিৰিকীখন
আশে-পাশে সিঁচৰতি কিছুমান
খেলিমেলি অনুভূতি
বাহিৰত এজাক ফটফটীয়া জোনাক
আৰু জোনটো মোৰ পৰা
বহু নিলগত...........।। ❋

# অবুজ বেদনা

অঞ্জুমণি শৰ্মা, উঃ মাঃ দ্বিতীয় বৰ্ষ

এৰা বন্ধু, তুমি সুবাসিত এপাহ অনামিকা ফুল,
তুমিয়ে স্বপ্ন তুমিয়ে বাস্তৱ;
তুমি মোৰ আশাৰ উজ্জ্বল প্ৰদীপ।
কিন্তু তুমি মোৰ জীৱন কুহেলিকাৰ
অফুৰন্ত অবুজ প্ৰহেলিকা।
মোৰ মন আকাশৰ দুৰন্ত তুমি নীহাৰিকা
তথাপি জানা বন্ধু;
তোমাৰ স্মৃতিত আছে
এক মধুৰতাৰ স্পন্দন।
মৰম সমুদ্ৰৰ কল্লোল তুলি তুমি
মোৰ নিষ্প্ৰাণ সত্তাত বোৱালা
মন্দাকিনী ধাৰা,
হয়তো এয়ে হ'ব পাৰে
মোৰ অলীক কল্পনা।
তথাপি বৰ্তমানৰ তুমি
মোৰ এক অবুজ প্ৰেৰণা। ❋

# এখনি বোৱতী নদীৰ ধাৰা

নৱজিৎ ডেকা, স্নাতক, দ্বিতীয় বৰ্ষ

হঠাতে বৈ অহা এখনি
বোৱতী নৈৰ ধাৰাত
মই বিলুপ্ত হলো।
পাৰ হৈ গ'ল মোৰ ওপৰেৰে
অইন নৈৰো কিছুমান
প্ৰবল সোঁত।
থাকি গ'ল মোৰ
অতীত ইতিহাসৰ চানেকী
বৈ গ'ল মোৰ
তৃষ্ণাৰ এখন নতুন পৃথিৱী।
নতুন পৃথিৱীৰ সেউজীয়া
চানেকীয়ে দিলে অইনক
এখন নৈৰ গতি।
য'ত বৈ গ'ল বহুতো
সপোন-সুঁতি।
হৃদয় ব্যাপী ফুলি ৰ'ল
এখনি সুগন্ধি পৃথিৱী। ❋

কবিতা

# প্ৰতাৰণা

ৰাজীৱ ৰাজবংশী
উঃ মাঃ, দ্বিতীয় বৰ্ষ

তোমাক প্ৰথম দেখাতেই
উদ্ভাসিত হৈছিল এগছি বন্তি
মোৰ হৃদয়ত অজানিতে
অৱশেষত ই থিতাপি লৈছিল
মোৰ মাজত,
যেন আঁতৰাইছিল মোৰ
মন আকাশৰ কলীয়া ডাৱৰ,
উৰিছিল শান্তিৰ কপৌবোৰ..........।
এক নৱ প্ৰেৰণাৰে
আগুৱাইছিলো মই,
কিন্তু হঠাৎ জানো ক'ৰ পৰা
আহিল সেই অপ্ৰত্যাশিত ধুমুহা।
থানবান কৰি দিলে মোৰ
মনৰ যত কল্পনা.....।
সেই ধুমুহাতেই মোৰ মনৰ
বন্তিগছি থকা-সৰকা হ'ল
আৰু এদিন নিঃশেষ হৈ গ'ল............।
অন্ধকাৰ মাথোঁ অন্ধকাৰ
মোৰ যেন অনুভৱ হ'ল
নিজৰ গাতে লাগি আছে
সেই নিৰ্মম শব্দ প্ৰতাৰণা!! ❋

# এনাজৰী

ৰীতামণি ৰাজবংশী
স্নাতক, প্ৰথম বৰ্ষ

প্ৰেম আৰু ভালপোৱা
শান্তি আৰু হিংসা
ধাৰ্মিক আৰু সহিষ্ণু
আদিৰ মিশ্ৰণেই
মানৱ জীৱন।
পৃথিৱী আৰু মানৱ
পোহৰ-আন্ধাৰৰ দৰে
এটা আনটোৰ পৰিপূৰক।
কৃষ্ণপক্ষৰ নিশা
প্ৰকৃতি ৰাণীয়ে জোনাকৰ
মিঠা পোহৰ বিচাৰি
আউলি-বাউলি হোৱাৰ দৰে
মানুহেও সংসাৰত সুখ
বিচাৰি মৃত্যুক
আঁকোৱালি ল'বলগীয়া হয়। ❋

# তোমালৈ ডায়েল কৰিম বুলি.......

ইন্দ্ৰেশ্বৰ বেজবৰুৱা
প্ৰাক্তন ছাত্ৰ

এতিয়া মহানগৰখন ওৰণীৰ তলৰ
অইন এখন আকাশ
ৰঙা-ছিঙা পৰিছে কাৰোবাৰ সান্নিধ্যত
ৰিচিভাৰটো দাঙি লৈছো
তোমালৈ ডায়েল কৰিম বুলি.............

গাড়ী-মটৰবোৰৰ হো-হোৱনি।
মোৰ হিয়াত খুন্দা খাই পি চি অ'টোত
প্ৰতিধ্বনিত হৈছে
তথাপি হিয়াভৰা শব্দৰ সন্ধানত।

হেল্ল' কোনে কৈছে?
ভাহি আহিল সিমূৰৰ পৰা মিঠা
অথচ অচিনাকি মাত
মই.........মই বেজবৰুৱা।
আপুনি?
অ' মই অনামিকা।

আপোনাক সেউজীয়াই কঢ়িয়াই আনিছিল
আৰু আপোনাৰ
সেউজীয়াবোৰ..........
গতিকে আপুনি মোক তুমি বুলিয়েই ক'ব
(মোৰ কথাবোৰ গম পাই গ'ল নেকি!)
হ'ব বাৰু
তুমি অনামিকা যে
এতিয়াও প্ৰশ্ন হয়
হয়নে বাৰু তাইৰ নাম অনামিকা? ❋

# Bus Stopage

**Tarun Ch. Nath**
Ex-Student

The bus arrived in the stopage
Some broad and some down,
The little man came down with the luggage.
The wind blowed fiercely
Nose and ears were wraped with curtains,
The torn clothes were thrown away
To and fro, noises covered.
And hue and cry spread far-off
Woods and bambooes were burnt,
They returned to their houses
Lefting the ashes of the burial. ❋

# To be my beloved

**D. Sarma**
T.D.C. 1st Year

To be my beloved
You should come into my life
With smile on your lips;
You should come into my heart
Like the bees moving on newly spring rose
To be my beloved,
You should have a lovely face
Which would be my source of joy
You should open the door of love
Though unknown to me.
To be my beloved
Thou should light the torch of love
the dark chambers of my heart,
Thou should please my thirity heart
With a sweet kiss of bliss ❋

# I don't know why

**J. Sarma**
T.D.C 2nd Year

When I see towards sky
My eye becomes dry
I don't know, Why?
There are clouds only and,
The sun is covered by
I don't understand, however try.
It is getting night
But, moon tells me lie.
Later on
When I am standing
Inside a cottage
It is running outsiding wet,
Some insects in the rain
Go ahead, make a chain
Between the differences
I don't sky
Being tired, I fall in sleep
Sweet dreams touch me
with a soft sleep. ❋

# तेरा प्यार में

**Dulumoni Begum**
T.D.C. 1st Year

आसमान खो जाता है
जमिन रुठ जाता है
जब तेरा याद आती है।

तेरा प्यार भरा बातों ने
बना दिया मूझे दिबाने।

चोरो चोरो दिल में घूस लिया,
मेरी नींद क्यों चुरालिया?

हर जनम तेरा याद करोगी
बस तेरा होकर रहोगी।

अब सानम में तेरा हो गयी हूँ
प्यार में तेरा खो गयी हुँ। ❊

# तुम्हार बीन

**Rahina Begum**
T.D.C. 2nd Year

कैसे जी पाऊँगा?
अब तुम्हारे बीन
हमेशा सतायेंगे
वे बीती दिन।

सम्भब नहीं अब
तुझसे दूर जाना
उन सारें यादों को
दिलसे भूल पाना।

कोशिश करो कभी
इसको समझना,
ये है पागल
तेरे लिए दिवाना। ❊

স্বেৰাচাৰী ব্যক্তিৰ দাস হ'ব লগাটো দুৰ্ভাগ্যজনক কথা, কিন্তু ই চৰম দাসত্ব নহয়; নিজৰ নৈতিক অজ্ঞতা, স্বাৰ্থপৰতা আৰু অসৎ অভ্যাসবোৰৰ বহতীয়া হ'ব লগাটোহে ব্যক্তিৰ বাবে নিকৃষ্ট দাসত্ব।

—ছেমুৱেল স্মাইল্‌ছ

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ প্ৰাকমুহূৰ্ত্ততে কলিজাৰ কেঁচা তেজেৰে মাতৃৰ চৰণ ধুৱাই যিসকল মৃত্যুঞ্জয়ী শ্বহীদ, বিশ্বৰ দৰবাৰত অসমীয়া জাতীক মহান জাতি হিচাপে চিনাকি দি থৈ গ'ল সেই সকল বীৰ শ্বহীদলৈ মোৰ শত সহস্ৰ প্ৰণিপাত জ্ঞাপন কৰিছোঁ। পাতিদৰং অঞ্চলৰ অজ্ঞনতাৰ অন্ধকাৰ নাশি জ্ঞানৰ বন্তি জ্বলাবলৈ যি সকল দুৰদৰ্শী ব্যক্তিৰ প্ৰচেষ্টাত ১৯৮৯ চনৰ ৩১ আগষ্ট তাৰিখে পাতিদৰং মহাবিদ্যালয়ৰ জন্ম হৈছিল, সেই সকল উৎসৰ্গীকৃত প্ৰাণলৈ হৃদয়ৰ অকৃতিম শ্ৰদ্ধা তথা ভক্তি জ্ঞাপন কৰিছোঁ। আমাৰ মাজৰ পৰা চিৰ দিনৰ বাবে আঁতৰি যোৱা ছাত্ৰ বন্ধু টঙ্কেশ্বৰ দাস আৰু অসমীয়া সাহিত্য জগতৰ প্ৰখ্যাত সাহিত্যিক ডঃ ভবেন্দ্ৰ নাথ শইকীয়া দেৱলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত হোৱাৰ আগতে বহুতো কথা ভাবিছিলো, বহু পৰিকল্পনা হাতত লৈছিলো। ২৫ অক্টোবৰত পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই নানা অসুবিধাৰ সন্মুখীন হবলগা হ'ল, বিশেষকৈ অৰ্থৰ অভাৱে মোক কাৰ্যভাৰ চলাই যোৱাত প্ৰত্যক্ষভাবে বাধাৰ দৃষ্টি কৰিছিল। এইখিনিতে মোৰ একছৰীয়া কাৰ্যকালৰ চমু বিৱৰণ দাঙি ধৰিছো।

প্ৰতিভা সপ্তাহ ঃ— বিগত বছৰৰ দৰে এইবেলিও ২৭ নবেম্বৰৰ পৰা ৩০ নবেম্বৰ ২০০২ ইং তাৰিখলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে ত্ৰয়োদশ বাৰ্ষিক মহাবিদ্যালয় প্ৰতিভা সপ্তাহ পালন কৰা হয়। বিভিন্ন প্ৰতিযোগিতাত বিশেষ স্থান পোৱা সকলক ৩০ নবেম্বৰত অনুষ্ঠিত মুকলি সভাত বঁটা প্ৰদান কৰা হয়।

নৱাগত আদৰণী সভা ঃ— যোৱা কেইবছৰৰ দৰে ১৩ চেপ্তেম্বৰ ২০০৩ ইং তাৰিখে দিনজোৰা কাৰ্যসূচীৰে নৱাগত আদৰণী সভাখন অনুষ্ঠিত হয়। সেই উপলক্ষে ৰাতিপুৱা ৮ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষা শ্ৰীমিনতি দেৱীয়ে। প্ৰাচীৰ প্ৰত্ৰিকা উন্মোচন কৰে মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ প্ৰবক্তা শ্ৰীটংকেশ্বৰ ডেকা চাৰে। ১০ বজাত সতীৰ্থ সন্মিলন অনুষ্ঠিত হয়, সতীৰ্থ সন্মিলনত ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি-মিলন হয়। সতীৰ্থ সন্মিলন সঞ্চালনা কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা শ্ৰীজগত বৰাদেৱে। দিনৰ ১-০০ বজাত মুকলি সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়াৰ সভাপতিত্বত অনুষ্ঠিত উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে, পূব কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত খগেন্দ্ৰ নাথ তালুকদাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য সুভাষ শৰ্মাদেৱ। সভাত বিশেষ আমন্ত্ৰিত অতিথি উপস্থিত আছিল, বোলছবি অভিনেতা শ্ৰীঅৰুণ হাজৰিকা আৰু শ্ৰীমাধুৰিমা চৌধুৰী।

সভা-সমিতি ঃ— বিগত বছৰটোত মহাবিদ্যালয়ৰ কেইবাখনো সভা অনুষ্ঠিত হয়, ১৫ আগষ্ট (স্বাধীনতা দিবস) মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিবস, শিক্ষক দিবস, সময়ে সময়ে শোকসভা আদি অনুষ্ঠিত হয়। প্ৰতিবছৰৰ দৰে এই বেলিও সৰস্বতী পূজা, মিলাদ-ই-মেহফিল আদি ধৰ্মীয় তিথিবোৰো উলাহ-মালহৰে পালন কৰা হয়।

অভাৱ-অভিযোগ ঃ— অনুষ্ঠান এখনত বিভিন্ন অভাব অভিযোগ থকাতো স্বাভাৱিক। আমাৰ কাৰ্য্য কালত বিভিন্ন অভাৱ আমি অনুভৱ কৰিছিলো বিশেষকৈ এটা চাইকেল ষ্টেণ্ড, ছাত্ৰ-ছাত্ৰীৰ জিৰণী ঘৰ, খেলাৰ বিভিন্ন সামগ্ৰী, অহা যোৱা পথটো মেৰামতি, শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰৰ বাবে আচুতীয়া স্থায়ী প্ৰচাৰগাৰ আদি।

এইখিনিতে পাতিদৰঙীয়ানসকলক জনাবলৈ নাই সুখী হৈছো যে, মোৰ কাৰ্যকালত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পুৰণি অভাৱ চাইকেলষ্টেণ্ড ঘৰটো ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে কৰ্তৃপক্ষৰ সহযোগত সাজি উলিয়াবলৈ সক্ষম হৈছো। অন্য অভাববোৰ পূৰণ কৰাৰ বাবে কৰ্তৃপক্ষক প্ৰতিবেদনৰ জৰিয়তে অনুৰোধ জনালো। আশা কৰো এই অভাববোৰ সোনকালে আমাৰ মাজৰ পৰা আঁতৰ হ'ব।

কৃতজ্ঞতা ঃ— পাতিদৰং মহাবিদ্যালয়ৰ ২০০-২০০৩ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত যিসকলে মোক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচন কৰি এনেহেন মহান অনুষ্ঠানত সেৱা কৰিবলৈ সুযোগ দিলে, সেই সকললৈ মই কৃতজ্ঞতা যাচিলোঁ।

মোৰ কাৰ্যকালত বিভিন্ন দিহা-পৰামৰ্শ দিয়া শ্ৰদ্ধাৰ অধ্যক্ষা ডাঙৰীয়া আৰু মোৰ অতি শ্ৰদ্ধাৰ চাৰ-বাইদেউ সকলক মই শ্ৰদ্ধাৰে সোঁৱৰিছো। মোক বিভিন্ন দিশত সহায় কৰা মোৰ অতি মৰমৰ বন্ধু-বান্ধৱীসকল হ'ল— সৰ্বশ্ৰী, প্ৰশান্ত, দিগন্ত-১, দুলুমণি, মেহন্ত, ৰুমী, দিগন্ত-২, মহিবৰ, গিৰিশ, মানস আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই চেগতে মোক সকলো কাৰ্যতে সহযোগ কৰা মহাবিদ্যালয়ৰ কৰ্মচাৰী বলিন দা, ইউনিচ দা, দাসি দাক কৃতজ্ঞতা জ্ঞাপন কৰিছো। পাতিদৰং মহাবিদ্যালয় মোৰ হিয়াৰ আমঠু হৈ থাকিব। এই মহাবিদ্যালয় মোৰ স্মৃতিত এটুকুৰা উজ্জ্বল হীৰাৰ দৰে জিলিকি থাকিব।

শ্ৰীবিপুল দাস
সাধাৰণ সম্পাদক

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—

অজ্ঞানতাৰ শিকলি ছিঙি বিপ্লৱৰ অগ্নিমন্ত্ৰেৰে দীক্ষিত হৈ অত্যাচাৰ, উৎপীড়ন, শোষণ, সাম্প্ৰদায়িক ঔপনিবেশকতাবাদৰ বিৰুদ্ধে যুঁজি ছহিদ হোৱা বীৰযোদ্ধাসকলে মই প্ৰতিবেদনৰ পাতনিতে শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। লগ যিসকল মহান শিক্ষানুৰাগী ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত পাতিদৰং মহাবিদ্যালয়খনে বৰ্তমান অৱস্থা উপনীত হবলৈ সক্ষম হৈছে, সেইসকল নমস্য ব্যক্তিলৈও মোৰ ভক্তিঅৰ্ঘ্য যাচিছোঁ।

সম্পাদকীয় প্ৰতিবেদন লিখিবলৈ গৈ মই থমকি ৰব লগা হৈছো। চৌদিশ সমস্যাৰে জৰ্জৰিত, এটি মু বাতাবৰণৰ অভাৱ। সংঘাত, সংশয়, হত্যা, লুণ্ঠন, অপহৰণ, বোমা-বাৰুদৰ মিছিলে অকল অসম নহয় সমগ্ৰ ভাৰতবৰ্ষ শান্তি প্ৰিয় মানুহৰ অন্তৰ কঁপাই তুলিছে। ঔপনিবেশিক আৰু সাম্প্ৰদায়িক ৰাজনীতিয়ে দেশৰ ঐক্য, ভাতৃত্ববোধৰ ভেটি গৰাখহনীয়াৰ সৃষ্টি কৰিছে। থান-বান হৈছে ডেকা-গাভৰুৰ স্বপ্ন। আজিৰ ছাত্ৰ কালিৰ ভৱিষ্যত। অথচ বৰ্তমান ছা সমাজ অনিশ্চিত ভৱিষ্যতৰ অন্ধকাৰত কিলবিলাই ফুৰিব লগা হৈছে। পঢ়া মেজত আজিৰ ছাত্ৰ ব্যস্ত থাকিব নোৱাৰা মূলতে আছে কিছুমান অবাঞ্চিত সামাজিক আৰু ৰাজনৈতিক সমস্যা। এইবোৰ ছাত্ৰ সমাজৰ সুস্থ চিন্তা-চৰ্চাত বাধা সৃষ্টি কৰিছে।

দায়িত্বভাৰে গ্ৰহণ কৰাৰ পিছতেই আমি পাতিদৰং মহাবিদ্যালয় প্ৰতিভা সপ্তাহ পালন কৰো। এই সপ্তা গতানুগতিকভাবে ৰূপায়ন কৰা হয়। নৱাগত আদৰণী সভা, সৰস্বতী পূজা, মিলাদ এ মেহফিল আদি অনুষ্ঠানো আমাৰ কাৰ্য্যকালত পালন কৰা হয়।

ৰাজনীতিৰ অক্টোপাছৰ কৱলত আজি অসমৰ শিক্ষা বিভাগ বিধ্বস্ত প্ৰায়। মন্ত্ৰীৰ পৰা কৰ্মচাৰী বিষয়া আ সকলোৰে চিন্তা শিক্ষা বিভাগক সোণত সুৱগা চৰাকৈ গঢ়ি তোলাৰ পৰিৱৰ্তে অসৎ উপায়েৰে অৰ্থলাভ কৰা। তা প্ৰমাণ আমি অপাৰেশ্বন ব্ৰেক বোৰ্ড, এনাৰ্জি ফুড আৰু শিক্ষকৰ চাকৰি বিক্ৰীত দেখিবলৈ পাইছো। আজি যুৱক যুৱতীৰ বাবে কৰ্ম প্ৰাপ্তিৰ সুযোগ সুবিধা ৰুদ্ধ। ফলত যুৱক-যুৱতীসকল বিভ্ৰান্ত আৰু হতাশাগ্ৰস্ত। আজি অসমৰ অধি সংখ্যক যুৱক-যুৱতীৰেই অনাগত ভৱিষ্যত অস্পষ্ট।

এইখিনিতে, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৈ মোৰ অনুৰোধ যে অধ্যয়নৰ প্ৰতি যাতে তেওঁলোক অধিক সজা হয়। বৰ্তমানৰ প্ৰতিযোগিতা মূলক শিক্ষা ব্যৱস্থা আৰু অতীতৰ গৌৰবোজ্জ্বল অধ্যয়নৰ প্ৰতি লক্ষ্য ৰাখি ন্যায়, সত আৰু একতাৰে সংকল্পবদ্ধ হোৱা উচিত। অধ্যয়নৰ লগে লগে খেলা-ধুলা, সংস্কৃতি আদিৰ উৎকৰ্ষ সাধনো ছাত্ৰ-জীৱন মহান কৰ্ত্তব্য হোৱা উচিত।

সদৌ শেষত মোৰ ওপৰত ন্যস্ত থকা দায়িত্বভাৰ মই কেনেদৰে পালন কৰিলো তাৰ বিচাৰৰ ভাৰ ছাত্ৰ ছাত্ৰীসকলৰ ওপৰত অৰ্পণ কৰি প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

জয় আই অস

শ্ৰীবাতুল ডেক

সহঃ সাধাৰণ সম্পাদ

# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে সেই সকললৈ মোৰ হৃদয় শোণিতেৰে ধুৱা পুষ্পাঞ্জলি অৰ্পিছো। যিসকলে গৰিয়সী আই অসমীৰ চিৰ উন্নতিৰ হকে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি শ্বহীদৰ জয় মালাধাৰা পিন্ধিলে। ইয়াৰ পিছতে সেইসকল ব্যক্তিলৈ মোৰ শ্ৰদ্ধা নিবেদিছো, যিসকলৰ আশাসুধীয়া চেষ্টা আৰু অক্লান্ত শ্ৰমৰ ফলশ্ৰুতিত জন্ম হ'ল এই শিক্ষা মন্দিৰ "পাতিদৰং মহাবিদ্যালয়"ৰ। যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক পাতিদৰং মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ নিচিনা মহান কামত সেৱা আগবঢ়োৱাৰ সুযোগ দিলে তেওঁলোকলৈ মই প্ৰতিবেদনৰ জৰিয়তে মোৰ হিয়াভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। গুৰু খেল বিভাগৰ সম্পাদক হিচাপে কিমান সফলতা লাভ কৰিছো ক'ব নোৱাৰো, তাৰ বিচাৰ্য্যৰ ভাৰ আপোনালোকৰ ওপৰত। মোৰ এই সময়ছোৱাত মই সকলো কাম নিয়াৰিকৈ কৰিবলৈ অলপো চেষ্টাৰ ত্ৰুটি কৰা নাই বুলি মই ভাবো।

গুৰু খেল বিভাগৰ সম্পাদক হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি নিৰ্বাচিত হোৱাত মোৰ মনতে বহুতো কিবা কিবি কৰিম বুলি ভাবিছিলো, কিন্তু অৰ্থৰ লগতে বিভিন্ন অভাৱ অভিযোগৰ কাৰণে তাক সফল কৰিব নোৱাৰিলো। তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপকসকলৰ ওচৰতো ক্ষমা বিচাৰিছো। আশা কৰিছো আগলৈ যেন এনেকুৱা অভাৱ পৰিলক্ষিত নহয় তাৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ কৰিলো।

এখন উপযুক্ত খেলপথাৰ নহলে খেলুৱৈ সকলে উন্নত মানৰ খেল প্ৰদৰ্শন কৰাত মানসিক কষ্ট অনুভৱ কৰা দেখা যায়। আমাৰ মহাবিদ্যালয়ৰ খেল পথাৰ খনেই তাৰ উৎকৃষ্ট নিদৰ্শন। মহাবিদ্যালয়ৰ উপযুক্ত খেল পথাৰৰ অভাৱ সত্বেও যোৱা ২০০২ চনত বাৰ্ষিক মহাবিদ্যালয়ৰ প্ৰতিভা সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলে যিখিনি প্ৰতিভা প্ৰদৰ্শন কৰিলে সেয়া আছিল স্মৰণযোগ্য।

বিগত কেইবছৰটিৰ দৰে এই বেলিও যোৱা ২০০২ চনৰ ২৭ নবেম্বৰৰ পৰা ৩১ নবেম্বৰৰ তাৰিখলৈ চাৰিদিনীয়া কাৰ্য-সূচীৰে প্ৰতিভা সপ্তাহ পালন কৰা হয়।

২০০২ চনত (বিগত কালছোৱাত) প্ৰতিক্ষণত সহায়ৰ হাত আগবঢ়োৱা বন্ধু বৰ্গ সকল ভনিমা কাকতি, মামনি কাকতি, ৰুমী কলিতা, হৰি নাথ ডেকা, মুনিন্দ্ৰ পাটোৱাৰী, মুকুট ডেকা, হিমজ্যোতি দাস, তপন ডেকা, ব্ৰজেন ডেকা, জিতেন ডেকা, প্ৰণৱ ডেকা, হিৰকজ্যোতি ডেকা, হেৰাম্ব শৰ্মা, ভবিতা ডেকা, হিমা ডেকা, গীতিকা ডেকা, সঞ্জীৱ ডেকা, ভাস্কৰ ডেকা আদি।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

জয়তু পাতিদৰং মহাবিদ্যালয়

শ্ৰদ্ধাৰে—
শ্ৰীমুক্তাৰাম ডেকা
গুৰু খেল বিভাগ

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ বুলনিতে প্ৰথমে সেই সদাশয় ব্যক্তি সকললৈ আন্তৰিক শ্ৰদ্ধা জনালোঁ। যিসকল ব্যক্তিয়ে অক্লান্ত শ্ৰম কৰি মূৰৰ ঘাম মাটিত পেলাই এই মহান অনুষ্ঠানখন গঢ় দিলে।

আত্ম উপলব্ধি আৰু জনগণৰ প্ৰতি সেৱা আগবঢ়োৱাই হ'ল শিক্ষা। সেৱা আগবঢ়োৱাৰ নিমিত্তে নামি পৰি মহাবিদ্যালয়ৰ নিৰ্বাচনত আৰু জয়ী হওঁ। মহাবিদ্যালয়ৰ খেল সপ্তাহত মোৰ কাৰ্য অনুসৰি কইনা আৰু ভেশছন্দ প্ৰতিযোগিতা চলাওঁ। আনন্দৰ বিষয় যে এই দুই প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰে উঃ মাঃ প্ৰথম বৰ্ষৰ ছাত্ৰী ৰুণুমী দাসে। তেওঁক মই এই প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক অভিনন্দন জনালোঁ। কইনা আৰু ভেশছন্দ প্ৰতিযোগিতাৰ বাহিৰে আৰ্থিক অসুবিধাৰ বাবে আন কোনো বিষয় সামৰিব নোৱাৰিলো, তাৰ বাবে মই দুঃখিত।

যোৱা কাৰ্যকালছোৱাত বিভিন্ন দিহা-পৰামৰ্শৰে সহায় কৰে মোৰ তত্বাৱধায়ক মাননীয় ইনামূল হক চৌধুৰী আৰু দীপক তালুকদাৰ প্ৰমুখ্যে শিক্ষাগুৰুসকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে নিৰ্বাচনত সহায় কৰা বন্ধুবৰ্গ আব্দুল শ্বৰীফ, ইস্তাজুল, ৰুমী, ৰিংকু প্ৰমুখ্যে সমূহ ছাত্ৰ-ছাত্ৰীলৈ অভিনন্দন জনালোঁ।

শেষত মোৰ কাৰ্যকাল ছোৱাত হৈ যোৱা অজানিত ভুল ভ্ৰান্তিৰ ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ অন্ত পেলালো।

জয় আই অসম

মহঃ মুতিউৰ ৰহমান
সাংস্কৃতিক সম্পাদক

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

জয় জয়তে পাতিদৰং মহাবিদ্যালয়ৰ সমূহ প্ৰবক্তা তথা মোৰ বন্ধু-বান্ধৱী আৰু দাদা বাইদেউ সকলক মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। মহাবিদ্যালয়ৰ ২০০২/২০০৩ বৰ্ষৰ সমাজ সেৱা বিভাগৰ গুৰু দায়িত্ব বহনৰ সুযোগ কণ এই অভাজনক দিয়া বাবে মই মোৰ বন্ধু-বান্ধৱী তথা দাদা বাইদেউৰ ওচৰত কৃতজ্ঞ।

মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত খেল সপ্তাহৰ আৰম্ভণিতে কলেজৰ চৌহদটো পৰিস্কাৰ কৰাৰ কাৰ্যসূচী হাতত লওঁ। মোৰ সীমিত ক্ষমতাৰে মহাবিদ্যালয়ত অনুষ্ঠিত খেল সপ্তাহ শ্ৰীশ্ৰীসৰস্বতী পূজা, নৱাগত আদৰণি সভা ইত্যাদিত চৌহদটো পৰিস্কাৰ কৰাৰ উপৰিও ৰভা দিয়া আহাৰ পানী বিতৰন কৰাত অংশ গ্ৰহণ কৰো।

মোৰ কাৰ্যকালত বিভিন্ন দিহা-পৰামৰ্শ দি সহায় কৰা বাবে শ্ৰদ্ধেয় শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনালোঁ। লগতে মোক উৎসাহ-উদ্দীপনা যোগাই কৰ্ম প্ৰেৰণাত অনুপ্ৰাণিত কৰা বাবে মোৰ বন্ধু-বান্ধৱীসকললৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

অজানিতে হোৱা ভুলৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

শ্ৰদ্ধাৰে—

শ্ৰীভবেশ দাস
সম্পাদক
সমাজসেৱা বিভাগ

# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰথমে মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো সেই সকল মহান ব্যক্তিলৈ যিসকলে আপ্ৰাণ চেষ্টাৰে গঢ়িছিল এই মহান অনুষ্ঠানটি।

মই ২০০২-২০০৩ ইং বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত লঘু খেল বিভাগৰ সম্পাদকৰ পদত জয়ী হওঁ। যিসকল ছাত্ৰ ছাত্ৰীয়ে মোক পাতিদৰং মহাবিদ্যালয়ৰ লঘু খেল বিভাগত সম্পাদক পদত নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ বাবে যিকণ সুযোগ দিলে তেওঁলোকক মই প্ৰতিবেদনৰ যোগেদি অভিনন্দন জ্ঞাপন কৰিলোঁ। এই পদটিত থাকি কিমান অগ্ৰগতি লাভ কৰিব পাৰিছো সেইটো আপোনালোকৰ বিবেচনাধীন।

খেল হৈছে শিক্ষাৰ এটা প্ৰধান অংশ। খেলা-ধূলাৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ শাৰিৰীক উৎকৰ্ষ সাধনৰ লগতে মানসিক উৎকৰ্ষ সাধন হয়। সেয়ে খেলা ধূলাক কোনো দিনে হেয় জ্ঞান কৰিব নালাগে। কিন্তু বৰ্তমান সময়ত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেলা ধূলাৰ প্ৰতি অমনোযোগিতা পৰিলক্ষিত হয়। কাৰণ এখন শিক্ষানুষ্ঠানৰ খেল-ধেমালি, মান-মৰ্য্যদা আৰু পাৰদৰ্শিতা নিৰ্ভৰ কৰে ছাত্ৰ-ছাত্ৰীসকলৰ অহোপুৰুষাৰ্থ তথা ঐকান্তিক প্ৰচেষ্টাৰ ওপৰত।

মোৰ কাৰ্য্যকালত সকলো দিশতে সহায় আগবঢ়োৱাৰ বাবে স্নাতক তৃতীয় বৰ্ষৰ দুলুমণি বাইদেউ স্নাতক দ্বিতীয় বৰ্ষৰ প্ৰশান্ত দা, দিগন্ত দা, সঞ্জয় দা আৰু বন্ধু ভাস্কৰ, তপনক মোৰ আন্তৰিক কৃতজ্ঞতা জনোৱাৰ লগতে পাতিদৰং মহাবিদ্যালয়ৰ ছাৰ-বাইদেউ তথা সমূহ কৰ্মচাৰীকে মোৰ শ্ৰদ্ধা নিবেদিছো।

সৰ্বশেষত মোৰ কাৰ্য্যকালত হোৱা অনিচ্ছাকৃত ভুলৰ বাবে সমূহ পাতিদৰঙীয়ান বন্ধু বান্ধৱী তথা ছাৰ-বাইদেউৰ ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু পাতিদৰং মহাবিদ্যালয়

শ্ৰীমিন্টু কুমাৰ বেজবৰুৱা
সম্পাদক, লঘু খেল বিভাগ

# কলা-সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

পাতনিতে মই মোৰ শ্ৰদ্ধা নিবেদিছোঁ তেওঁলোকলৈ যিসকলে অসীম আইৰ অস্তিত্ব ৰক্ষাৰ বাবে নিজৰ প্ৰাণকো তুচ্ছ জ্ঞান কৰি অকালতে প্ৰাণ আহুতি দিলে।

এইখিনিতে যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে ২০০২-২০০৩ বৰ্ষৰ বাবে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে কলা আৰু সাহিত্য বিভাগত জয়ী কৰি মোক গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পন কৰিলে, তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ কাৰ্যকালত মই কি কৰিব পাৰিছো সেয়া আপোনালোকৰ বিচাৰ্য্য। কিন্তু নানা অসুবিধাৰ ফলতো যিখিনি কৰিবলৈ সুবিধা পাইছো তাক হেৰুৱা নাই। আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক বিনীত ভাৱে অনুৰোধ কৰো, কিবা এটি কৰিবলৈ হলে বহু চেষ্টা তথা কষ্ট কৰিব লাগে। মোৰ কাৰ্য্যকালত মই বহুতো প্ৰতিযোগিতা পাতিছিলো।

মোৰ কাৰ্য্যকালত সকলো দিশতে সহায় কৰিছিল মোৰ বন্ধু আজিজুল ইছলাম, আজিজৰ ৰহমান আৰু মোৰ বাইদেউ অনিতাই। তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত মোৰ ভুলৰ ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ লগতে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ অন্ত পেলালো।

মহঃ জাহিৰুদ্দিন আহমেদ
কলা-সাহিত্য বিভাগৰ সম্পাদক

# সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন—

হে শ্বহীদ সোঁৱৰো তোমাক

জাতীয় যুঁজৰ তৰুণ সেনানী

অজয় অমেয় বীৰ।।

সুঁৱৰিছো সেইসকল মহান ব্যক্তিক যিসকলে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰিও আই মাতৃৰ সেৱাত নিজকে সমৰ্পিত কৰি এক মহান ইতিহাস ৰচিলে। কৃতজ্ঞতা স্বীকাৰ কৰিছো সেইসকলক যিসকলৰ স-হৃদয়তাত এই মহান অনুষ্ঠানখনৰ সেৱা আগবঢ়োৱাৰ বাবে সুযোগ লাভ কৰিলো।

মই ২০০২-২০০৩ ইং বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচনত সংগীত বিভাগৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হওঁ। সংগীতৰ নিচিনা এই বিভাগত মই নিৰ্বাচিত হব পাই নিজকে ধন্য মানিছো। কাৰণ সংগীতে সকলোৰে মন মুহিত কৰে। মহা মহা মুনিসকলেও কৈছে যে সংসাৰ মৰুভূমিত সংগীত সৰোবৰ।

বহুত কিবা কিবি কৰাৰ হাবিয়াস আছিল, কিন্তু বিভিন্ন অসুবিধাৰ বাবে মনে বিচৰা বহু কামেই পিছ পৰি ৰ'ল। বিগত বছৰৰ দৰে এইবেলিও মহাবিদ্যালয়ত মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। এই অনুষ্ঠানত মোৰ বিভাগৰ বহুতো অনুষ্ঠান অনুষ্ঠিত কৰো।

বৰ্তমান ছাত্ৰ ছাত্ৰীবোৰৰ সাহিত্য-সংস্কৃতি, সংগীতৰ প্ৰতি এক তীব্ৰ অনিহা পৰিলক্ষিত হৈছে, এইটো সঁচাকৈয়ে বৰ দুৰ্ভাগ্যজনক। কিয়নো এখন দেশৰ সুস্থ সাহিত্য-সংস্কৃতি, সংগীত অবিহনে কেতিয়াও উন্নতি জখলাত বগাব নোৱাৰে। আশা ৰাখিছো আগত দিনবোৰত ইয়াৰ এটা ইতিবাচক প্ৰভাব পৰিব।

এইখিনিতে কৃতজ্ঞতা স্বীকাৰ নকৰিলে নহয় মোৰ বিভাগৰ তত্বাৱধায়ক বাহাৰুল ইছলাম ছাৰ, তপন শৰ্মা ছাৰ আৰু সংগীতৰ লগত ওতপ্ৰোতঃ ভাবে জড়িত উৎপল দালৈয়ো শেষত মোৰ কাৰ্যকালত হোৱা জ্ঞাত-অজ্ঞাত সকলোবোৰ ভুলৰ ক্ষমা প্ৰাৰ্থী।

ধন্যবাদেৰে—

শ্ৰীগীতিমা দাস (মুন)
সম্পাদিকা,
সংগীত বিভাগ

# সম্পাদনা সমিতি



মিনতি দেৰী
ভাৰপ্ৰাপ্ত অধ্যক্ষা, উপদেষ্টা



জগত বৰা
প্ৰবক্তা, তত্ত্বাৱধায়ক



তপন শৰ্মা
প্ৰবক্তা, সদস্য



ৰমণী শৰ্মা
সম্পাদক



বিপুল দাস
সাধাৰণ সম্পাদক, সদস্য



বিপুল ডেকা
সদস্য

# ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল



বিপুল দাস
সাধাৰণ সম্পাদক



ৰাতুল ডেকা
সহঃ সাঃ সম্পাদক



ৰমণী শৰ্মা
আলোচনী সম্পাদক



চালাউদ্দিন তচলিম
উপ-সভাপতি



মতিউৰ ৰহমান
সাংস্কৃতিক সম্পাদক



ভৰেশ দাস
সমাজসেৱা সম্পাদক



মুক্তাৰাম ডেকা
গুৰুখেল সম্পাদক



প্ৰবীন বড়ো
শৰীৰ চৰ্চা সম্পাদক




গীতিমা দাস
সংগীত সম্পাদিকা



মিন্টু কুমাৰ বেজবৰুৱা
লঘু খেল সম্পাদক

মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষাৰ লগতে প্ৰবক্তা-কৰ্মচাৰীসকলৰ একাংশ



প্ৰবক্তা অমৃত কলিতাৰ তত্ত্বাৱধানত মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কৰা সমাজসেৱাৰ এক মুহূৰ্ত



# বৰ্তমান কৰ্মৰত প্ৰবক্তা আৰু কৰ্মচাৰীসকল

| | | |
|---|---|---|
| অধ্যক্ষ (ভাৰপ্ৰাপ্ত) | ঃ | মিনতি দেৱী |
| অসমীয়া বিভাগ | ঃ | জগত্ত বৰা, সীমা কলিতা, তপন শৰ্মা, ৰীণা শৰ্মা |
| ইংৰাজী বিভাগ | ঃ | দীপক তালুকদাৰ, বাহাৰুল ইছলাম, পৰমেশ দত্ত, মুকুতাৰ ৰহমান, ৰাম্না কলিতা। |
| হিন্দী বিভাগ | ঃ | অমৃত্ত কলিতা, টুটুমণি কলিতা |
| আৰবী বিভাগ | ঃ | মহঃ মহিবুল হক, মহঃ জাকিৰ হুছেইন। |
| বড়ো বিভাগ | ঃ | মঞ্জু লাহাৰী। |
| ৰাজনীতি বিভাগ | ঃ | চৈয়দ তহিদুল ইছলাম, নবাব মাহমুদ উল হক, কৰবী কলিতা, টংকেশ্বৰ ডেকা, মহঃ আব্দুল ৰছিদ। |
| অৰ্থনীতি বিভাগ | ঃ | শ্ৰীয়ম বৰকাকতি, মহঃ ইনামুল হক চৌধুৰী, ৰতন চন্দ্ৰ নাথ। |
| তৰ্কবিজ্ঞান বিভাগ | ঃ | গিৰিধৰ শৰ্মা, বৰ্ণালী সাউদ, চৈয়দা জুৱেনা দেৱান। |
| শিক্ষা বিভাগ | ঃ | ৰাণী ডেকা, আকলিমা বেগম, ৰঞ্জিত চন্দ্ৰ নাথ, মীনাক্ষি ডেকা। |
| মনোবিজ্ঞান বিভাগ | ঃ | ৰবীন্দ্ৰ নাথ ডেকা, ব্ৰজেন দত্ত। |
| বুৰঞ্জী বিভাগ | ঃ | সৰযু কলিতা, কল্পনা শৰ্মা, ধীৰাজ তালুকদাৰ। |
| ভূগোল বিভাগ | ঃ | শ্ৰীকান্ত দাস, নৃপেন শৰ্মা। |
| গণিত বিভাগ | ঃ | অনুপম দত্ত, মহঃ মইনুল হক চৌধুৰী। |
| কাৰ্যালয় সহায়ক | ঃ | গজেন বৰা, থানেশ্বৰ ডেকা। |
| পুথিভঁৰাল সহায়ক | ঃ | ধীৰেন কাকতি। |
| চতুৰ্থ শ্ৰেণীৰ কৰ্মী | ঃ | বলিন ডেকা, দাসীৰাম ডেকা, মহঃ আব্দুচ চালাম হাদি, মহঃ ইউনিচ আলী। |

# পাতিদৰং মহাবিদ্যালয় আলোচনীৰ প্ৰাক্তন সম্পাদকসকল—

| | | |
|---|---|---|
| প্ৰথম | শ্ৰীলংকেশ্বৰ ডেকা | ১৯৮৯-৯০ বৰ্ষ |
| দ্বিতীয় | মিছ্ সবিতা দাস | ১৯৯০-৯১ বৰ্ষ |
| তৃতীয় | শ্ৰীতৰ্জন দাস | ১৯৯১-৯২ বৰ্ষ |
| চতুৰ্থ | শ্ৰীবনমালী দাস | ১৯৯২-৯৩ বৰ্ষ |
| পঞ্চম | শ্ৰীসত্যেন্দ্ৰ কলিতা | ১৯৯৩-৯৪ বৰ্ষ |
| ষষ্ঠ | শ্ৰীকৃষ্ণকান্ত ডেকা | ১৯৯৪-৯৫ বৰ্ষ |
| সপ্তম | প্ৰকাশ নহ'ল | ১৯৯৫-৯৬ বৰ্ষ |
| অষ্টম | শ্ৰীভৈৰৱ ডেকা | ১৯৯৬-৯৭ বৰ্ষ |
| নৱম | শ্ৰীকমল নাৰায়ণ বৈশ্য | ১৯৯৭-৯৮ বৰ্ষ |
| দশম | মহঃ মোজাম্মিল হক | ১৯৯৮-৯৯ বৰ্ষ |
| একাদশ | শ্ৰীতপন চন্দ্ৰ ডেকা | ১৯৯৯-২০০০ বৰ্ষ |
| দ্বাদশ | শ্ৰীনৱজিৎ ডেকা | ২০০০-২০০১ বৰ্ষ |
| ত্ৰয়োদশ | মহঃ নজৰুল ইছলাম | ২০০১-২০০২ বৰ্ষ |